# নগাঁও ছোৱালী কলেজ





# আলোচনী

সম্পাদনাত — গীতা শইকীয়া

~~1987—89~~

1978—79





# নগাঁও ছোৱালী কলেজ আলোচনী

চতুৰ্থ প্ৰকাশ ঃ
১৯৭৮-৭৯ চন

তত্বাৱধায়িকা ঃ
অধ্যাপিকা হিমাদ্রি দেৱী

সম্পাদিকা ঃ
গীতা শইকীয়া

NOWGONG GIRLS' COLLEGE MAGAZINE

A Collection of essays,
short-Stories & poems.

*Published by :*
Principal,
Nowgong Girls' College.
*Edited by :* G. Saikia.
*Printed at :* Suchanda Press,
Nowgong.

প্ৰকাশক :
অধ্যক্ষ,
নগাঁও ছোৱালী কলেজ

বেটুপাত শিল্পী :
দেৱযানী হাজৰিকা

ছপা :
সুছন্দা প্ৰেছ
নগাঁও : অসম

# সূচী

অশ্ৰু-অঞ্জলি

সম্পাদকীয়

## অসমীয়া বিভাগ

| প্ৰবন্ধ | পৃষ্ঠা | লেখিকা |
|---|---|---|
| ৰহস্যবাদী কবি ৰায়চৌধুৰী আৰু ৰবীন্দ্ৰনাথ | ॥ ১ ॥ | কুমাৰী অঞ্জনা সৰকাৰ |
| অসমীয়া সাহিত্যত বিহুগীত | ॥ ৬ ॥ | বাপু হাজৰিকা |
| গীতি সাহিত্যিক জ্যোতিপ্ৰসাদ আগৰৱালা | ॥ ১০ ॥ | মালাশ্ৰী লস্কৰ |
| জিকিৰৰ তাৎপৰ্য আৰু আজান পীৰৰ জিকিৰ | ॥ ১৫ ॥ | চেলিমা আহমেদ |
| সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান | ॥ ২২ ॥ | স্বৰ্ণপ্ৰভা মহন্ত |
| কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ অঙ্কিত ছবি | ॥ ২৫ ॥ | দীপিকা বেজবৰুৱা |
| বিহুগীতত সামাজিক সংহতি | ॥ ২৭ ॥ | বেণু শৰ্মা |
| প্ৰকৃত মিত্ৰতা | ॥ ৩১ ॥ | সন্ধ্যা শৰ্মা |
| **এটি ৰূপক গল্প :** | | |
| 'পাপৰি'ক মই ভাল পাওঁ কিয় ? | ॥ ৩৬ ॥ | কুমাৰী হেনা সৰকাৰ |
| **গল্প :** | | |
| অনুভূতি | ॥ ৩৯ ॥ | মনজু ফুকন |
| আওপকীয়া আমাৰ বাট | ॥ ৪২ ॥ | অনিলা ডেকা |
| অভিনয় | ॥ ৪৬ ॥ | কুমাৰী মালা বড়ুৱা |
| সংঘাত | ॥ ৫০ ॥ | কুমাৰী ৰেৱতী কোঁৱৰ |
| হত্যাকাৰী কোন ? | ॥ ৫২ ॥ | বীণা বৰা |
| হেৰোৱা অতীতৰ মায়া | ॥ ৫৮ ॥ | অঞ্জলি বৰা |

| কবিতা | পৃষ্ঠা | লেখিকা |
|---|---|---|
| 'ভগ্ন আশা' | ॥ ৬৫ ॥ | গীতা শইকীয়া |
| আক্ষেপ | ॥ ৬৬ ॥ | ৰূপা বৰা |
| ভূমিকম্প | ॥ ৬৭ ॥ | অঞ্জলি বৰা |
| উপেক্ষিতা বহাগ | ॥ ৬৮ ॥ | স্বপ্না খাটনীয়াৰ |
| মৰণোত্তৰ পৰীক্ষা | ॥ ৬৯ ॥ | মীৰা শৰ্মাবৰুৱা |
| নতুন দিন; নিয়তি | ॥ ৭০ ॥ | ৰূপা বৰা, উৎপলা বৰা |
| কেইটামান মিনি কবিতা | ॥ ৭১ ॥ | মীনা কৌৰ |
| মদাৰৰ বেদনা | ॥ ৭২ ॥ | অঞ্জনা ডেকা |
| প্ৰতিবাদ | ॥ ৭৩ ॥ | মিচ্ মধুমিতা বৰদলৈ |
| ৰোমন্থণ | ॥ ৭৪ ॥ | সাবদা বৰা |
| সূৰ্য্যমুখীৰ স্বপ্ন | ॥ ৭৫ ॥ | বন্তা চমুৱা |
| এমুঠি পোহৰৰ সন্ধানত | ॥ ৭৬ ॥ | শেৱালি বৰা |
| আধোণী বাই | ॥ ৭৭ ॥ | কুমাৰী মিনু বৰুৱা |
| ভেঙ | ॥ ৭৮ ॥ | নীলিমা দেৱী |
| সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন | ॥ ৭৯ ॥ | |

ENGLISH SECTION.

| | | |
|---|---|---|
| Child Guidance Clinic | ॥ 1 ॥ | Brajendra RayChoudhury |
| Major Problems Before Assam's Economy | ॥ 4 ॥ | Mayajyoti Dev Purkayastha |
| Computer | ॥ 6 ॥ | Miss Tapati Sarma |
| Our Education System | ॥ 8 ॥ | Miss Maina More |


# অশ্ৰু-অঞ্জলি

**হেম বৰুৱা :**

একেবাহে শিক্ষাবিদ, বিদোৎসাহী, সমাজসেৱী, সু-সাহিত্যিক, আধুনিক অসমীয়া কবি, সংগ্ৰামী, ৰাজনীতিবিদ, আদি বহুমুখী প্ৰতিভা-সম্পন্ন ব্যক্তি হেম বৰুৱাৰ মৃত্যুত আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ।

**নলিনী বালা দেৱী :**

পদ্মশ্ৰী উপাধিৰে বিভূষিত 'অলকানন্দা'ৰ কাব্যৰ একাডেমীক পুৰস্কাৰ প্ৰাপ্ত, জীৱনৰ চৰম বিপৰ্য্যয়তো বিচলিত নোহোৱা, সন্ধিয়াৰ সুৰ, পৰশমণি স্বৰ্গদেৱতাৰ—জন্ম দিওঁতা কবিক আমাৰ মাজত তেখেতৰ অৱদানেৰে চিৰ-স্মৰণীয় কৰি ৰাখিব।

**নীলমণি ফুকন :**

যিজন অসমীয়াৰ হাড়ে-হিমজুৰে প্ৰিয় ককা নীলমণি ফুকনৰ প্ৰতিভাক আজি বুৰঞ্জীয়ে অস্বীকাৰ কৰিব নোৱাৰে। আজীৱন চিৰচেনেহী ভাষাজননীৰ সেৱা কৰোঁতা ককা নীলমণি ফুকনৰ আত্মাই শান্তি পাওঁক।

**জয়ন্ত হাজৰিকা :**

"মই যি বাটেৰে ওলালোঁ আজি আৰু নাহেঁা উলটি"––বুলি আমাৰ মাজৰ পৰা আঁতৰি যোৱা সেইজন সুৰকাৰ– যিজনে কৈ গৈছে 'মই আহিম আকৌ দেশৰ বাবে' — বুলি যিজন প্ৰত্যেকৰে আপোনজন, যিজনে "ডিগনিটি অব লেবাৰৰ" যথোচিত অৰ্থ উপলব্ধি কৰিছিল, সেইজন জয়ন্ত হাজৰিকাই আমাক প্ৰতিশ্ৰুতি দি "জীয়া মায়াৰ বান্ধ খুলি" মৰণ 'প্ৰেয়সী"ক আদৰি ললে— তেখেতৰ আত্মাৰ গভীৰ প্ৰশান্তি কামনা কৰিছোঁ।

ইয়াৰ উপৰিও, সু-সন্তান ৰাধা গোবিন্দ বৰুৱা, আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গিৰিধৰ শৰ্মাৰ মৃত্যুতো আমাৰ শ্ৰদ্ধা-অঞ্জলি যাচিছোঁ। তেওঁলোকলৰ অমৰ আত্মাই শান্তি লভক! এয়া ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

# সম্পাদকীয়

প্ৰতিবাৰৰ দৰে এইবাৰো নগাঁও বালিকা মহাবিদ্যালয়ৰ আলোচনী ছাত্ৰী-সকলৰ মনৰ আবেগ-অনুভূতিৰে আত্মপ্ৰকাশ কৰিলে। বাহিৰৰ লোকৰ ওচৰত হয়তো ইয়াৰ মূল্য যৎসামান্য। কিন্তু এখনি মহাবিদ্যালয়ৰ ওচৰত ইয়াৰ মূল্য অসীম। মহাবিদ্যালয়ৰ মুখপত্ৰৰ মাধ্যমেৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মনৰ ভাৱানুভূতিক সকলোৰে ওচৰত তুলি ধৰি ইয়াৰ মাজেদিয়েই সমাজৰ একো একোটা দিশ প্ৰকাশ কৰে।

প্ৰত্যেক ব্যক্তিৰে কিছুমান সুপ্ত প্ৰতিভা আছে, এই প্ৰতিভা বিকশিত হ'বলৈ কিছুমান সুবিধাৰ প্ৰয়োজন। এই সুবিধাও শিক্ষাৰ এটা অংগ। স্কুল, কলেজ অৰ্থাৎ কোনো শিক্ষানুষ্ঠানৰ ভূমিকা এই ক্ষেত্ৰত উলাই কৰিব নোৱাৰি। গতিকে উঠি অহা দেশৰ সম্পদ স্বৰূপ নাগৰিকসকলে তেওঁলোকে নিজকে প্ৰকাশ কৰিবলৈ পায় তেওঁলোকৰ লিখনীৰ জৰিয়তে। সাহিত্য হৈছে সমাজৰ দাপোণ, দাপোণ প্ৰতিফলিত ছবিৰ দৰে সাহিত্যৰ মাজত প্ৰতিফলিত হয় সমাজ, এই সমাজত বাস কৰে মানুহে। গতিকে মানুহ সমাজৰ পৰা আঁতৰি থকা সম্ভৱ নহয়।

আজিৰ সমাজ পৰিবৰ্ত্তনশীল সমাজ। সময়ৰ অগ্ৰগতিৰ লগে লগে পৰিবৰ্ত্তিত সমাজে মনক এক স্থিৰহীনতাৰ বতাহত উৰাই লৈ গৈছে। গতিকে আমাৰ মনৰ আবেগ-অনুভূতিৰ মাজেৰে তাৰ এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰাই এক উদ্দেশ্য হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকল এই ক্ষেত্ৰত আজি সচেতনতাৰ সন্মুখত।

কিন্তু এই মহাবিদ্যালয়ৰ আজি শ-শ ছাত্ৰীৰ মাজৰ পৰাও এখন মুখপত্ৰ প্ৰকাশ হোৱাটো অসম্ভৱ যেনেই বোধ হয়। যদিও অভাৱ, অনাটন, বিশৃঙ্খলতা আমাৰ বাতাবৰণ, তথাপি তাৰ কাৰণেইনে, আমাৰ উঠি অহা ছাত্ৰীসকলৰ একাগ্ৰতাৰ অভাৱতেই এই মুখপত্ৰখনে সুসজ্জিত ৰূপে কিয় ওলাই আহিব নোৱাৰে সেই বিষয়ে আমি অজ্ঞাত।

কেইবা শ ছাত্ৰীসহ এখন মহাবিদ্যালয়ৰ প্ৰয়োজন এখন মুখপত্ৰ প্ৰকাশ কৰাত, যিখনত জীৱন সৌন্দৰ্যময় কৰি তুলিবলৈ আৰু কল্যাণপূৰ্ণ এটি জীৱনৰ সুস্থ বিকাশৰ সাহিত্য সৌৰভেৰে ভৰপূৰ। কিন্তু আমাৰেই দুৰ্ভাগ্য মহাবিদ্যালয়ত ছাত্ৰীসকলৰ পৰা তেনে উপযুক্ত প্ৰবন্ধ-পাতিৰ অভাৱ। তাৰ বাবে আমি দুখিত।



এইখিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত যিসকল অধ্যাপক-অধ্যাপিকাৰ পৰা সহায়-সহযোগিতা পাইছিলোঁ, সেইসকলৰ ভিতৰত অধ্যাপক তিলক মজুমদাৰ, অধ্যাপিকা হিমাদ্ৰি দেৱী, অধ্যাপক ব্ৰজেন ৰায়চৌধুৰী, অধ্যাপিকা শিখা দত্তক মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আমাৰ অধ্যক্ষ মহোদয়লৈকো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰীসকলৰ মাজৰ সাধাৰণ সম্পাদিকা মালাশ্ৰী লস্কৰ, ৰূপা ধৰা, বীণাদেৱী, মীনা কোঁৱৰ, পদ্মী গোস্বামী বাইদেউসকললৈও মই অশেষ ধন্যবাদ জনাইছোঁ। এইখিনিতে আলোচনীৰ বেটুপাত শিল্পী দেৱযানী হাজৰিকালৈও মোৰ কৃতজ্ঞতা জনালোঁ। লগতে সুছন্দা প্ৰেছৰ সমূহ কৰ্মীবৃন্দলৈও মোৰ ধন্যবাদৰ শৰাই আগবঢ়ালোঁ।

শেষত আমাৰ আশা, যাতে ভবিষ্যতে এই মহাবিদ্যালয়ৰ পৰা প্ৰতি বছৰে এখন সুন্দৰ মুখপত্ৰ প্ৰকাশ হ'ব পাৰে।

গীতা শইকীয়া
আলোচনী সম্পাদিকা

প্ৰবন্ধ

বহস্যবাদী কবি

# ৰায়চৌধুৰী আৰু ৰবীন্দ্ৰনাথ

কুমাৰী আল্পনা সৰকাৰ
স্নাতক : দ্বিতীয় বাৰ্ষিক

ৰহস্যবাদী চুফী কবি এজনে লেখিছিল : "মই মোৰ প্ৰিয়াৰ দুৱাৰত টোকৰ মাৰিলোঁ। ভিতৰৰ পৰা মাত আহিল— 'কোন সেয়া ?' মই সমিধান দিলোঁ—'মই'। তাৰ পাছত সকলো নিমাত। দুৱাৰ মেল নাখালে। মই নিৰাশ শোকত জ্বলা-কলা হলোঁ। মোৰ অহংকাৰ লোপ পালে। আকৌ আহি সেই দুৱাৰত টুকুৰিয়ালোঁ। ভিতৰৰ পৰা আকৌ আগৰ দৰেই কোৱা শুনিলোঁ— 'কোন সেয়া ?' এইবাৰ মোৰ মুখত ওলাল—'তুমিয়েই।' তেতিয়া দুৱাৰ মেল খালে।" ৰহস্যবাদী কবিসকলে এইদৰেই প্ৰিয়াৰ সমগ্ৰ সত্তাৰ সৈতে নিজৰ সত্তা বিলোপ কৰি প্ৰিয়াৰ ৰূপৰ জেউতি চৰায়। অসমীয়া কাব্য-কাননত ৰায়চৌধুৰী 'তুমি'ৰ সন্ধানী। অসমীয়া কবিতাৰ বেদিত ৰায়চৌধুৰীৰ 'তুমি' নিঃসন্দেহে এপাহ পবিত্ৰ নীলপদ্ম। ৰহস্যবাদী কবি হিচাপে 'তুমি' কাব্যৰ জৰিয়তেই অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমীয়া সাহিত্যত এখনি বিশিষ্ট স্থান অধিকাৰ কৰি আছিছে। আনহাতে, বিশ্বকবি ঠাকুৰৰো 'নোবেল প্ৰাইজ' পোৱা 'গীতাঞ্জলি' পুথিখনিও, ৰহস্যবাদী কবিতাৰে ভৰপূৰ। উকা দৃষ্টিৰে চালে ৰায়চৌধুৰী আৰু ৰবীন্দ্ৰনাথ উভয়কে ৰহস্যবাদী কবি আখ্যা দিব পাৰি। কিন্তু অতল বিশ্লেষণ কৰি চালে দেখা যায় ৰায়চৌধুৰীৰ ৰহস্যবাদ বিশ্বকবিৰ ৰহস্যবাদতকৈ সম্পূৰ্ণ স্বকীয়া।

ৰায়চৌধুৰীৰ ৰহস্যবাদ প্ৰেমমূলক। যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়েই কবিয়ে ৰূপ-ৰস আৰু যৌৱনৰ মাদকতাৰে পৰিপূৰ্ণ প্ৰিয়াৰ দৰ্শন পালে। ডেকা কালত কোনো সুন্দৰী নাৰীৰ প্ৰতি তীব্ৰ আকৰ্ষণ থকাটো অস্বাভাৱিক নহয়। সেয়ে হয়তো প্ৰথম দৰ্শনত কবিয়ে ভিন্ন সম্প্ৰদায়ৰ ছোৱালী ইন্দু-

মতীৰ প্ৰেমত পৰিল। এই প্ৰেমৰ সত্যতাৰ চানেকি দিয়ে কবিয়ে প্ৰেমিকাক তেওঁৰ হাতৰ কেঞা আঙুলি কাটি তেজসহ আঙুলি উপহাৰ দি। কিন্তু কবিৰ দুৰ্ভাগ্য ইমান-খিনি দিও প্ৰেমৰ প্ৰতিদান নাপালে। কলং-পৰীয়া কবি দেৱকান্তই জীৱনৰ করুণতম মুহূৰ্ত্তটিতো প্ৰেমিকাক বিদায় দিবলৈ ওলাই গৌৰৱেৰে প্ৰেমিকাৰ আগত ব্যক্ত কৰিছে:

"প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক
মনোৰমা, হিয়াত তোমাৰ।"

আনহাতেদি প্ৰেমত পৰি বৰকাকতিয়ে প্ৰেমি-কাৰ পৰা প্ৰত্যুত্তৰ আশা কৰা নাই। এই নিমিত্তে প্ৰেমৰ ক্ষেত্ৰত বৰকাকতিক দুৰ্বল যেন অনুমান হয়। তেওঁৰ অন্তৰ ইমান আল-সুৰা যে অবাঞ্ছনীয় উত্তৰ অহাৰ ভয়ত তেওঁক ভাল পায়নে নাপায় সেই প্ৰশ্নও কৰিবলৈ যোৱা নাই।

"ভাল পায় নে নাপায়
সুধি কাম নাই
দুগুখিবি হায়
টুকি চকুপানী।"

ৰায়চৌধুৰীয়ে প্ৰেমৰ ক্ষেত্ৰত পৰাজিত হৈ পৰাজয়ৰ গ্লানি হৃদয়ত বহন কৰি সেই নিষ্ঠুৰতাক অদৃষ্টৰ পৰিহাস বুলি মানি লোৱা নাই। অহঙ্কাৰী প্ৰেমিকাকো তেওঁ দীপ্ত কণ্ঠেৰে উত্তৰ দিছে:

"অহঙ্কাৰী, অহঙ্কাৰ ইমানে তোমাৰ,
তোমাৰ গৰব হ'ল ইমানেই চাৰ।
ভাঙি ভাঙি হিয়া মোৰ সোধাই দিয়াতো,
মাতি মাতি প্ৰাণ মোৰ কাতৰ কৰাতো,
ভাবি মোক হীন-নীচ বুলি
নিদিয়া ঢাকনিখন খুলি।
তোমাৰ লগত (তেন্তে) আজি মই
মহাৰণ কৰিলোঁ ঘোষণা,
থাকা যদি বলবীৰ্য ল'ই
তেনেহলে হই হৰ্ষমনা—
আহা আগুৱাই
দিম দেখুৱাই
তোমাতকৈ মোৰ বীৰ্য কিমান তেজাল
তোমাকে আগুৰি আছে বেঢ়ি চাৰিফাল॥"

ইন্দুমতীৰ প্ৰতি ওপজা এই উদভ্ৰান্ত ব্যক্তি প্ৰেমেই মিলন-বিৰহৰ মাজেৰে তৰঙ্গা-য়িত ভাৱে গতি কৰি নৈৰ্ব্যক্তি প্ৰেমত উপনীত হৈছে, আৰু এই বাবেই তেওঁৰ কাব্য 'বীণা'-'তুমি'ৰ মাজেৰে অতীন্দ্ৰিয় প্ৰেমৰ মধুৰ সুৰ শুনাবলৈ সক্ষম হৈছে। দৈহিক কামনা-বাসনাৰ সংস্ৰৱহীন প্ৰেম ই জগতত বিৰল। 'ৰায়চৌধুৰীৰ এই মহৎ প্ৰেমৰ মহান আদৰ্শ অসমীয়া কবিতাত এক অভিনৱ দান। "Human love transfers to love divine." এই ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমেই অতীন্দ্ৰিয় ৰূপত ৰায়চৌধুৰীৰ লেখনীৰ মাজেৰে প্ৰস্ফুটিত হৈছে। বিয়েট্ৰিছৰ প্ৰেমত নিমগন ডাণ্টেই 'Divine Comedy' ৰচি মহাকবি আখ্যা পোৱাৰ দৰেই ইন্দুমতী-প্ৰেমিক 'ৰায়চৌধুৰী'ও 'তুমি' কাব্যৰ জৰিয়তে ৰহস্যবাদীৰ শাৰীলৈ উন্নীত হৈছে। কবিৰ নিজা ভাষাৰে—"বিশৃঙ্খল গতিত পৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদভ্ৰান্ত প্ৰেম-টোৱেই শেষত সমজাতীয় সহানুভূতি আৰু অনুভূতিৰ ভিতৰেদি প্ৰকৃতিৰ বিশ্বভৰা উদাৰ



সৌন্দৰ্য্য অতিক্ৰম কৰি, বিৰহ-অভিমান আদি নানা অৱস্থাৰ ভিতৰেদি সকলোবিলাক আস-ক্তিৰ হাত এৰাই অনন্তৰ লগত সান-মিহলি হৈ পৰে।" এই অনুসৰিয়েই সাতোটা ছেদত খণ্ড-খণ্ডকৈ 'তুমি'ৰ আবিৰ্ভাৱ।

পৰমজনৰ অনুসন্ধানৰ মাজতেই ৰায়-চৌধুৰী আৰু ৰবীন্দ্ৰনাথৰ মাজত বিৰাট পাৰ্থক্য পৰিলক্ষিত হয়। ৰবীন্দ্ৰনাথে বিচাৰে ভগবানৰ মাজত নিজকে একীভূত কৰি বিলাই দি নিজৰ শান্তি, আত্মাৰ পৰিশুদ্ধতা। ৰায়চৌধুৰীয়ে ভগবানৰ অন্বেষণত সংসাৰ ত্যাগ কৰি ব্ৰহ্মচৰ্য্য পালন কৰিব বিচৰা নাই। তেওঁ নিজৰ ভিতৰতে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিব বিচাৰিছে।

ৰবীন্দ্ৰনাথে গাইছে "তোমাৰি ইচ্ছা কৰো হে পূৰ্ণ আমাৰি জীৱন মাঝে।" এই কথা সৰ্বান্তকৰণে সহজ ভাৱে মানিলেও ৰায়চৌধুৰীয়ে ইয়াৰ প্ৰতিকাৰ বিচাৰি পাইছে: 'নিজক বিলাই দিব তাতেহে নিজক পাব।' ৰবীন্দ্ৰনাথে নিজ ভক্তিৰ বলত সসীমৰ মাজত অসীমক লাভ কৰাৰ আনন্দ পাব বিচাৰিছে:

"সীমাৰ মাঝে অসীম তুমি
বাজাও আপন সুৰ
আমাৰ মাঝে তোমাৰ প্ৰকাশ
তাই এত মধুৰ।' (গীতাঞ্জলি)

ভগবানক লাভ কৰাৰ আনন্দ ৰায়চৌধুৰী-য়েও অন্তৰেৰে উপলব্ধি কৰিব পাৰিছে। কবি আৰু ভগবানৰ মাজত যেন কোনো পাৰ্থক্য নাইকিয়া হৈ পৰিছে:

"আজি মোৰ সাধনা ফুলনি
কাৰ কিনো পাই উদগনি
পোহৰাই মহা বিশ্বখনি
উলাহেৰে হাঁহিছে।" (তুমি)

ৰহস্যবাদী (চুফী) কবিৰ কথাৰ সত্যতা এই ক্ষেত্ৰত প্ৰমাণিত হৈছে—দুয়োজনা কবিৰ লেখনীত। চুফী কবিৰ লেখনীৰ প্ৰিয়াই বিশ্বকবি আৰু অসম কেশৰীৰ লেখনীত পৰমজনত পৰিণত হৈছে।

কিন্তু ধন-জন, বিষয়-বৈভৱ যে পৰম-জনক লাভ কৰাৰ ক্ষেত্ৰত অন্তৰায় স্বৰূপ; দুয়োজনা কবিয়ে মুক্তকণ্ঠে তাক স্বীকাৰ কৰি গৈছে। পাৰ্থিৱ সম্পদে মানৱ মন সদায় সংসাৰৰ প্ৰতি আকৃষ্ট কৰি ৰাখে। সেইবাবে দুয়োজনা কবিয়ে একেলগে একেই সুৰে ভগবানৰ ওচৰত আক্ষেপ কৰিছে এইদৰে:

"কৃপা কৰে ৰেখেছ নাথ
অনেক ব্যৱধান
দুঃখ সুখৰ অনেক বেড়া
ধন-জন মান।" (গীতাঞ্জলি)

এই সুৰ অসম কেশৰীৰ লেখনীত ব্যক্ত হৈছে এইদৰে:

"তুমি আছা সিপাৰত
মই বাসনা আঁৰত,
কৈ দিয়া কেনেদৰে পাম
তোমাৰ পোহৰ।"

হীৰেণ গোহাঁয়েও অম্বিকাগিৰীৰ ৰহস্যবাদী কাব্যৰ ৰবীন্দ্ৰনাথৰ কাব্যৰ সৈতে সাদৃশ্য আছে বুলি কৈছে। সেই বুলি ইয়াকো ভাবিব নোৱাৰি যে অম্বিকাগিৰীৰ কবিতাবোৰ

'গীতাঞ্জলি'ৰ অনুকৰণত ৰচি অথবা 'গীতাঞ্জলি'ৰ কবিতাৰ দ্বাৰা প্ৰত্যক্ষ ভাৱে প্ৰভাৱিত; তথাপি অসম-কেশৰীক ৰবীন্দ্ৰ-গীতিৰ সৌন্দৰ্য্যই বিশেষ ভাৱে আকৃষ্ট কৰিছিল বুলি কলে অসঙ্গত নহ'ব।

ৰায়চৌধুৰীৰ 'তুমি' কাব্য আত্মাৰ আধ্যাত্মিক প্ৰগতিৰ কাব্যিক অভিব্যক্তি। 'অহং মমঃ' ভাবটো পৰিত্যাগ কৰি ৰায়চৌধুৰীয়ে সেই বিৰাট প্ৰেমিকাৰ সৈতে একাত্ম হৈ যাব বিচাৰিছে। মই, মোৰ অহংকাৰ ত্যাগ কৰি কবিয়ে ক্ষুদ্ৰ প্ৰেমিকাক বিৰাট বিশ্বৰ মাজত অন্বেষণ কৰিছে। ইয়াত নীচতা নাই। তেওঁৰ প্ৰেম বিৰাট বিশ্বত বিয়পি পৰিছে। বিশ্বৰ প্ৰতিটো বস্তুৰ মাজতে তেওঁ 'তুমিময়' সত্তা অনুভৱ কৰিছে। তেওঁৰ এই স্বৰ্গীয় প্ৰেমৰ মুক্ত প্ৰৱাহেৰে অন্তৰ মন্দিৰ ধুই নিকা কৰি জগতৰ প্ৰতি বস্তুৰ মাজত নিজ অস্তিত্ব বিচাৰি ফুৰিছে :

"হ'ল নে এতিয়া হেৰা
ক্ষুদ্ৰ মোৰ হিয়া ফেৰা
বান্ধহীন প্ৰেমৰ ফুলনি
পুণ্য সৌৰভৰ ?"

কবিৰ এই মহান্ প্ৰেমৰ লক্ষ্য তেওঁৰ ঈপ্সিত জনৰ সৈতে একাত্মবোধ। কবিৰ 'তুমি' কাব্য এই একাত্মবোধৰেই অন্য এক নাম। তেওঁ আকৌ লিখিছে :

"যেতিয়া যিফালে চাওঁ
প্ৰেমকেহে দেখা পাওঁ
অসীমৰ বিৰাট অঞ্চল
ৰঞ্জিত প্ৰেমত।"

এই একাত্ম বোধৰ অনুভূতিয়েই পবিত্ৰ প্ৰেমৰ গতিপথ, পবিত্ৰ প্ৰেমৰ লক্ষ্য। প্ৰকৃত প্ৰেমে প্ৰতিদান নিবিচাৰে। কবিৰ প্ৰেমেও প্ৰতিদান বিচৰা নাই। 'মই' ৰূপ ক্ষুদ্ৰ নাওঁখনিক 'তুমি' ৰূপ সিন্ধুত নিমগন কৰি 'তুমি'ৰ মাজত 'মই'ৰ সত্তা অনুভৱ কৰিছে। এয়ে তেওঁৰ সাধনাৰ চৰম সাৰ্থকতা। এই সুৰ ৰবীন্দ্ৰ কাব্যতো প্ৰতিধ্বনিত হৈছে :

"প্ৰেমে টেনে আনে প্ৰেম, সে প্ৰেমেৰ
পাথাৰ কোথা ৰে ?
প্ৰাণ দিলে প্ৰাণ আসে, কোথা সেই
অনন্ত জীৱন
ক্ষুদ্ৰ আপনাৰে দিলে কোথা পাই অসীম
আপন—
সেকি ওই প্ৰাণহীন প্ৰেমহীন অন্ধ
অন্ধকাৰে।"

'অহং মমঃ' ভাব এৰি অহঙ্কাৰ আৰু অন্ধকাৰ কাৰাগাৰ নিঃশেষ কৰিব পাৰিলেহে 'তুমি'ৰ দীপ্তিয়ে জীৱন ভাস্বৰ কৰে। 'সত্য' কবিতাত কবিগুৰুৱে লেখিছে :

"বজ্ৰেৰ আলোক দিয়ে ভাঙ্গা অন্ধকাৰ,
হৃদি যদি ভেঙে যায় সেও তবু ভালো।
যে গৃহে জানালা নাই সে তো কাৰাগাৰ
ভেঙো ফেলো, আসিবেক সৰগেৰ
আলো।"

অসম-কেশৰীৰ 'তুমি' কাব্যতো 'মই'ৰ ক্ষুদ্ৰ কাৰাগাৰ ভাঙি হৃদয়-আকাশ স্বৰ্গীয় আভাৰে আভাময় কৰা হৈছে :

"মোৰ ভিতৰেদি দেখোঁ
ফুলি উঠে তব নাম



ব্ৰহ্মাণ্ড বিদাৰি।"

ৰহস্যবাদী কবিসকলে বিভিন্ন বৰ্ণালীৰ মাজত সৰ্বশক্তিমান ভগৱানৰ ৰূপছটা উপলব্ধি কৰিব পাৰি। ব্ৰহ্ম লাভ আৰু আত্মদৰ্শন পূৰ্ণ হলে প্ৰেম-জোৱাৰৰ প্ৰৱাহত প্ৰেম-যমুনাই উজাই বোৱা সম্ভৱপৰ। 'তুমি মই'ৰ পূৰ্ণ মিলনত ৰহস্যবাদী কবিৰ সাৰ্থকতা। সেয়ে কবিয়ে লেখিছে :

"জীৱনৰ ছিদ্ৰ চাই চাই
মিলনৰ মাধুৰী ভৰাই
প্ৰাণভৰা প্ৰেমেৰে পমাই
বাজে বিশ্ব বেণুৱা।"

এই ভূমা-স্বৰূপ ৰবীন্দ্ৰ-কাব্যতো প্ৰবাহিত—

"জলে স্থলে আমি যত দূৰে চাই
আপনাৰে হাৰাবাৰ নাই কোনো ঠাঁই।
জল-স্থল দূৰ কৰি ব্ৰহ্ম অন্তৰ্য্যামী,
হেৰিলাম তাৰ মাঝে স্পন্দমান আমি।"

"কবিৰ লেখনিত 'তুমি' কাব্যৰ বায়ুমণ্ডল এক পৰিশুদ্ধ ভগৱৎ প্ৰেমৰ বায়ুমণ্ডল।" 'তুমি' কাব্যত ব্যক্তি প্ৰেম ভগৱৎ প্ৰেমত আৰু পাৰ্থিৱ প্ৰেমক অপাৰ্থিৱ প্ৰেমত ৰূপ দিব পাৰিছে। সুখ-দুখ, আনন্দ-বেদনা ভৰা পাৰ্থিৱ জগতত থাকিয়েই ভূমাৰ সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰিছে। এইদৰেই বিশ্ব-প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু প্ৰেমৰ অনাস্বাদনীয় আবেশত কবিয়ে গাই গ'ল :

"নিজক বিলাই দিব
তাতেহে নিজক পাব
প্ৰাণৰ মাজত
নিজক দিলেহে এৰি
প্ৰাণৰ আপোন হ'ব
সকলো বিশ্বত।"

ৰবীন্দ্ৰ নাথৰ লেখনীত ঝঙ্কাৰিত হৈছে—

"...... আমাৰে আড়াল কৰিয়া দাড়াও
হৃদয় পদ্মদলে।"

অম্বিকাগিৰীয়ে তেনেকুৱা আত্ম-বিলুপ্তি নিবিচাৰে। ইয়াতেই ৰবীন্দ্ৰনাথৰ সৈতে তেওঁৰ যথাৰ্থ পাৰ্থক্য। ইয়াৰ মূল কাৰণ হয়তো ৰবীন্দ্ৰনাথৰ ৰহস্যবাদৰ উৎস হ'ল 'তত্ত্ব-দৰ্শী' উপনিষদ, আনহাতে ৰায়চৌধুৰীৰ ৰহস্যবাদত নামঘোষাই যোগাইছিল— 'সেৱাৰ আদৰ্শ।' গতিকে আমি দেখোঁ যে দুয়োজন কবি মুখ্যতঃ ৰহস্যবাদী হ'লেও দুয়োজনৰ ৰহস্যবাদ দুটা বিপৰীত ফালে গতি কৰিছে। দুয়োৰো চিন্তা শক্তিও স্বাধীন, প্ৰেৰণাৰ উৎসও স্বাধীন। ড° মহেশ্বৰ নেওগৰ মতেও : "অম্বিকাগিৰী ৰবীন্দ্ৰ প্ৰভাৱমুক্ত : অসমীয়া কাব্য-সাহিত্যত অম্বিকাগিৰী ৰায়চৌধুৰী এজন বিশিষ্ট আৰু বহু পৰিমানে স্বীয় বৈশিষ্ট্যৰে অকলশৰীয়া কবি। উপনিষদ, কালিদাস, ৰবীন্দ্ৰনাথ, চেক্সপীয়েৰ, মিলটন বা শ্বেলী, কীটছৰ কাব্যৰ সংস্পৰ্শ আৰু প্ৰভাৱৰ ভিতৰত থাকিও ৰায়চৌধুৰীয়ে নিজা ভাৱে টাইটনৰ দৰে কাব্য-ক্ষেত্ৰত থিয় দি নিজ গীত অকলই গাব লাগিছে।"

এই মনোভাৱেৰেই 'ক্ষুদ্ৰ আৰু বিৰাট', সসীম আৰু অসীম, নাই আৰু আছে'ৰ উপলব্ধিৰ ভিতৰেদি কবিৰ অন্তৰ তত্ত্বজ্ঞানেৰে পূৰ্ণ কৰিছে :

[ ৭ পৃষ্ঠাত চাওক ]

# অসমীয়া সাহিত্যত বিহুগীত

ৰাণু হাজৰিকা
প্ৰাকবিশ্ববিদ্যালয় ঃ প্ৰথম বাৰ্ষিক

স্বাধীনেই হওক বা পৰাধীনেই হওঁক প্ৰত্যেক জাতিৰে একোটা স্বকীয় ভাষা আছে। বিজ্ঞানৰ উন্নতি যেনেকৈ বৈজ্ঞানিকৰ ওপৰত নিৰ্ভৰশীল, তদ্ৰূপ জাতিৰ উন্নতিও নিজৰ ভাষাৰ ওপৰত অত্যন্ত ভাৱে নিৰ্ভৰ কৰে। কিন্তু ভাষাৰ উন্নতি নিৰ্ভৰ কৰে ইয়াৰ সাহিত্যৰ ওপৰত। এই ক্ষেত্ৰত সাহিত্যক জাতীয় উন্নতিৰ অগ্ৰদূত বুলি আখ্যা দিলে বঢ়াই কোৱা নহ'ব। ভাষা হৈছে প্ৰকৃতিজাত বস্তু আৰু ব্যাকৰণ হৈছে তাৰ ৰূপান্তৰ। ডঃ বাণীকান্ত কাকতিদেৱে লিখিছে যে— "ইংলেণ্ড, আমেৰিকা আদিত প্ৰত্যেক নাগৰিকেই বহুল ভাবেৰে সমগ্ৰ মহাদেশৰেই সাহিত্য, কলা-কৃষ্টিক নিজ নিজ জাতিৰ সাধনাৰ সামগ্ৰী বুলি ভাবে। এই কাৰণেই ইংলণ্ডত ইংৰাজী ভাষাৰ ওপৰিও ফৰাচী, লেটিন আদি ভাষা শিকোৱা হয়। কিন্তু ভাৰতত অৱশ্যে ইংৰাজৰ ব্যৱধানৰ কাৰণে সমগ্ৰ ভাৰতবৰ্ষৰে ভাষা আৰু সাহিত্য আৰু কলা-কৃষ্টিক ভাৰতবাসীয়ে আজি নিজৰ বস্তু বুলি ভাবি ল'ব পৰা নাই। ইয়াৰ ফলতেই আজি অসমীয়া সাহিত্য স্বহীদৰ কেচা তেজেৰে ৰাঙলি।

আমি অসমীয়া জাতি। আমাৰ নিজা ঐতিহ্য-মণ্ডিত ভাষা আৰু সাহিত্য, ব্যাকৰণ আৰু অভিধান আছে। লক্ষ্মীনাথে লিখি থৈ গৈছে যে—

"আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম ?
বাজক দবা বাজক শঙ্খ, বাজক মৃদঙ্গ খোল।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল ॥"

ইয়াৰ ব্যক্তিৰেক হ'ল আমি সেই মনীষীলৈ পাহৰি যোৱা যেন হ'ব। জগতে অসমীয়া সাহিত্য আৰু অসমীয়া জাতিয়ে নেতাহীন আৰু নিৰাশ্ৰয় অনুভৱ কৰিব। C. E. M. Joad য়ে লিখিছে—

"Where there are no records and literature there would be no progress. Every civlization depends largly upon its national character and literature."

এই ক্ষেত্ৰত অসমীয়া জাতিৰ উন্নতিও ইয়াৰ সাহিত্যৰ ওপৰতে নিৰ্ভৰ কৰে।



অসমীয়া ভাষাৰ জন্ম আৰ্য্য-ভাষা সংস্কৃতৰ পৰা। কিন্তু ইয়াৰ গুৰিধৰোতাসকলৰ কথা কবলৈ গ'লে প্ৰথমেই শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ, অনন্তকন্দলী, মাধৱকন্দলী, ৰাম-সৰস্বতী আদি মহানলোকসকলৰ নাম স্মৰণ কৰিব লাগিব। তাৰ পিছতে লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁইবৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদি লোকৰ ঐকান্তিক চেষ্টাত অসমীয়া সাহিত্যৰ স্ৰোতটি পূৰ্ণ প্ৰবাহ বিশিষ্ট হৈ পৰিল।

"কলা হৈছে চৌষষ্টিবিধ।" এই শিষ্ট-বাক্য আৰ্য্যঋষিসকলৰ। এই চৌষষ্টি কলাৰ এটি কণিকা হ'লেও শ্ৰেষ্ঠ জীৱ মানুহৰ গাত থাকিবই লাগিব। তাকে নহ'লে মানুহ পশু-তুল্য। এই কথাষাৰৰ অস্তিত্ব ৰক্ষা কৰিছে শ্ৰীমন্তভৃহৰিদেৱে এটা সুন্দৰ উপমাৰে—

"সাহিত্যসঙ্গীত কলাবিহীনঃ সাক্ষাৎ পশুপুচ্ছ-বিষানহীনঃ।
তৃণং ন খাদান্নপি জীৱমানস্তদ্ভাগধেয়ং পৰমং পশুনাম ॥"

অৰ্থাৎ সাহিত্য, সঙ্গীত, কলাবিহীন লোক সাক্ষাৎ পশুতুল্য। অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য আৰু অসমীয়া জাতিৰ উন্নতি হ'ব যদিহে অসমীয়া কলা-কৃষ্টি নিখুট আৰু পূৰ্ণ বিকাশৰ আধাৰ হয়। শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া লোকক কলা-কৃষ্টি সকলোবোৰ নিখুট ভাৱে আৰু বিনামূল্যে দি গৈছে।

যি ভাষাত কোনো এটা শব্দক লিখিত ভাৱে উচ্চাৰণ কৰিব নোৱাৰি, তেন্তে সেই ভাষাৰ বৰ্ণমালা অসম্পূৰ্ণ বুলি ধৰিব লাগিব। কিয়নো পৃথিবীৰ সকলোবোৰ চহকী ভাষাতেই লিখিতভাৱেই হওঁক বা কথিত ভাবেই হওঁক যি কোনো এটা শব্দকে উচ্চাৰণ কৰিব পাৰি। তদ্ৰূপ যদি এটা ভাষাৰ সাহিত্যত হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, ক্ৰোধ-ক্ষমা সম্বলিত সকলো ভাবধাৰাই ঠাই নেপায়— তেন্তে যি কেতিয়াও সাহিত্য হ'ব নোৱাৰে। কিয়নো "বাক্যম্ ৰসাত্মকং কাব্যম্।"

অৰ্থাৎ ৰসযুক্ত বাক্যই কাব্য। ৰস হৈছে ন বিধ— শৃঙ্গাৰ, বীৰ, ভয়ানক, বীভৎস, হাস্য শান্ত, অদ্ভুত, কৰুণ আৰু ৰৌদ্ৰ। এই নব-ৰসত হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, ক্ৰোধ-ক্ষমা পঞ্জীভূত হৈ আছে। এই কাৰণেহে ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন, দশম আদি গ্ৰন্থ কাব্যৰ শাৰীত পৰিগণত হৈছে।

অসমীয়া সাহিত্যতো উপৰোক্ত আটাইকেইটা ভাবেই সন্নিবিষ্ট। ইয়াৰ ওপৰি, অসমীয়া সাহিত্য জীৱন-বুৰঞ্জী, সমালোচনা, সঙ্গীত আদিৰেও চহকী। এই ক্ষেত্ৰত বিহুগীতেও অসমীয়া সাহিত্যৰ অক্ষয় ভাণ্ডাৰৰ এটা অংশ পূৰণ কৰি ৰাখিছে। অসমীয়া সঙ্গীত ভাৱানুসাৰে কেইবা প্ৰকাৰৰ। তাৰে ভিতৰত বৰ-

---

( ৫ পৃষ্ঠাৰ পিছৰ পৰা )

"বিৰাট মধুৰ এটি ভাব নিৰ্মল
দগ্ধ জীৱনত ঢালে শান্তি সুশীতল।"

আকৌ—

"মিছাতে ভৱমি মৰে অনন্ত জগত
পূৰ্ণ ৰূপে আছে কিন্তু হিয়াৰ মাজত।"

এয়েই 'অসম কেশৰী'ৰ ৰহস্যবাদৰ সৰ্বোৎকৃষ্ট ৰূপ। ০০০

গীত, লোকগীত, টোকাৰীগীত, ধোৰা, বনগীত, বিহুগীত, আধুনীক গীত ইত্যাদি।

বিহুগীতৰ সম্যক্ পৰিচয় দিবলৈ হ'লে বিহুগীতৰ বিষয়ে সমালোচনা কৰাৰ লগতে বিহুগীতৰ আদি বুৰঞ্জী লুটিয়াব লাগিব।

ইউৰোপ মহাদেশত "হাৰ্ভেষ্ট হ'ম" (খেতি চপোৱা উৎসৱ) "বন ফায়াৰ" আদি জাতীয় উৎসৱ আছে, আৰু প্ৰতি উৎসৱৰে একোটা নিজস্ব প্ৰতীক আছে। ভাৰতবৰ্ষতো বিভিন্ন উৎসৱ আছে। তাৰে ভিতৰত দোলযাত্ৰা, ৰাস-যাত্ৰা, দুৰ্গাপূজা ইত্যাদি। কিন্তু বিহু হৈছে কেৱলমাত্ৰ অসমীয়াৰহে জাতীয় উৎসৱ আৰু বিহুগীত হৈছে ইয়াৰ ঐতিহ্য-বাঞ্জিত প্ৰতীক, যত প্ৰতি অসমীয়াৰে আশা-আকাঙ্ক্ষা সন্নিবিষ্ট। গতিকে এইকালৰ পৰা বিহু আৰু অসমীয়া লোকৰ মাজত এটা ঘনিষ্ঠ সম্বন্ধ বৰ্তমান। অৱশ্যে বহল ভাৱেৰে চাবলৈ গ'লে বিহু উৎ-সৱ সমগ্ৰ ভাৰতবৰ্ষৰে জাতীয় উৎসৱ হ'বগৈ পাৰে।

বিহু তিনিটা—তাৰে ভিতৰত ৰঙালী বিহু বছৰ মাজেৰে সঞ্চাৰিত হৈ অসমীয়াৰ মাজলৈ আহে বহাগত। আমগছত কুলি আৰু কেতে-কীৰ কলকণ্ঠৰ ঝঙ্কাৰত প্ৰকৃতিও জাগ্ৰত হৈ পৰে; পূৰ্ণ বিকাশ লাভ কৰে নতুন জীৱনৰ। বসন্তৰ মলয়াই শিমলুৰ তুলা উৰুৱাদি অস-মীয়া ডেকা-গাভৰু, লৰা-বুঢ়া সকলোৰে মন প্ৰফুল্ল কৰি তোলে আৰু ইয়াতেই সৃষ্টি হৈছে অসমীয়াৰ জাতীয় একতা, মৰম-স্নেহ। অস-মীয়াই এই অনিন্দ্য পৰিবেশত নিজকে হেৰুৱাই পেলাবৰ উপক্ৰম হ'বলৈ ধৰে, আৰু এই খিনি-তেই সৃষ্টি হৈছে বিহুগীত অসমীয়াৰ কণ্ঠমুক-লীত। আহোম স্বৰ্গদেউসকলৰ ৰাজত্বতে বিহু গীতে অসমীয়া সাহিত্যত শ্ৰেষ্ঠ আসন লাভ কৰিলে। সেইহে অতীত অসমৰ সামাজিক বুৰঞ্জীত বিহুগীতৰ অসীম প্ৰভাৱ পৰিলক্ষিত হয়। আহোম স্বৰ্গদেউসকলে বিহুগীতক অস মীয়া সাহিত্যত স্থান দি বিহুগীতেৰে বহাগত বহুৰ খেলা খেলিছিল ৰঙঘৰৰ চোতালত। লগতে তেওঁলোকে বহুৰ খেলাত অসমীয়াৰ সাহিত্যৰ চৰ্চা কৰা বুলিয়েই ধৰিছিল। কিয়নো ইয়ো অসমীয়া সাহিত্যৰ এটা পূৰ্ণাঙ্গ ঠাল। স্বৰ্গদেউ সকলো অসমীয়া-ভাষী।

এই বহাগৰ বং-ৰহস্যতে অসমীয়াৰ অন্তৰত যি অফুৰন্ত আনন্দৰ শিহৰণ জাগি উঠিছিল; সিয়েই হৈছে বিহুগীত, যাৰ নেকি অসমীয়াৰ ওপৰত অতুলনীয় প্ৰভাৱ। বৰ্ত্তমানৰ বাহ্যিক দৃষ্টিত বিহুগীত যদিও প্ৰেমৰ গীত যেন লাগে, অতীতত সি এনেকুৱা লোৱা নাছিল। অৱশ্যে বিহুগীতৰ সেইটো উদ্দেশ্যও নহয়। অতীতত অসমৰ মুক্ত আকাশৰ তলৰ শান্তিৰ প্ৰতীক আহত গছৰ তলত অসমীয়া ডেকা-গাভৰুৱে মূৰত ফুলবচা মুগা-পাটৰ গামোচা বান্ধিলৈ ঢোল, পেঁপা, শিঙা, টোকাৰি আদিৰে বিহুগীত গাই হৰ্ষোৎফুল্লিত মনৰ ভাৱ প্ৰকাশ কৰিছিল আৰু বিহুগীতেৰে আনন্দৰ বহঘৰা, অসমীয়া জাতিৰ প্ৰতীক বিহুৰ সম্বৰ্দ্ধনা জনাইছিল পৰস্পৰে পৰস্পৰক। এই বিহুগীতত সজীৱ হৈ উঠিছিল প্ৰকৃতিৰ সৌন্দৰ্য্য সুষমা আৰু নতুন বছৰৰ ওলগনী। কিয়নো বিহুগীত আনন্দৰহে বোহ ধৰ। ইয়াত দুখ-দৈন্য,



শোক-তাপ তাৰ উপৰি ইন্দ্ৰিয়াসক্ত কথাই ঠাই নেপায়। বিহুগীতৰ উদ্দেশ্য এইটো হোৱা উচিত যে ই অসমীয়াৰ জাতীয় একতা ৰক্ষা কৰিব-আৰু অসমীয়া জনগণৰ অন্তৰত অতী-ন্দ্ৰিয় অনুভূতি জগাই তুলিব।

বঢ়াই নকলেও কবলৈ বাধ্য হ'ব লাগিব যে বিহুগীতে গোটেই অসমতে প্ৰভাৱ বিস্তাৰ কৰিছে। অসমত ইমূৰৰ পৰা সিমূৰলৈকে এনে এজন লোক হয়তো নোলাব যি নেকি বিহুগীতৰ প্ৰভাৱত পৰা নাই। এই ক্ষেত্ৰত বিহুগীতে প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে প্ৰত্যেক অসমীয়া লোকক সাহিত্য চৰ্চা কৰি-বলৈ উদ্গনি দিছে। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত সাহিত্যৰ আটাইকেউটা বিষয়ে ই মানুহৰ লেখ-নীত সজীৱ হৈ উঠিব লাগিব; নহ'লে সাহিত্য আধ ডুৰবীয়া হৈ ৰ'ব আৰু জাতীয় উন্নতিত বাধা জন্মাব। অসমীয়া সাহিত্যৰ উন্নতি হ'ব যদিহে অসমীয়া সাহিত্যৰ কেউতা বিষয়ৰ একেলগে উন্নতি হয়।

গতিকে অসমীয়া সাহিত্যৰ উন্নতি কৰি-বলৈ হ'লে আন আন বিষয় কেইটাৰ প্ৰতি চকু দিয়াৰ উপৰিও বিহুগীতৰ উন্নতিৰ প্ৰতিও প্ৰত্যেক অসমীয়াই চকু দিয়াটো নিতান্ত প্ৰয়োজন।

বোলছবি বৰ্ত্তমান মানৱ সভ্যতাৰ এটা সংস্কৰণ। এই মাধ্যমৰ দ্বাৰাই মানৱ সভ্যতাই পূৰ্ণ বিকাশ লাভ কৰিছে আৰু একেভাৱেই আধুনিক যুগৰ সাহিত্যৰ নাওখনৰ গুৰি বঠা ধৰিছে। এই কাৰণে অসমীয়া সাহিত্যও অসমীয়া বোলছবিৰ সহায়ত আগ বাঢ়িব পাৰিব তাত কোনো সন্দেহ নাই। তাৰ উপৰি অসমীয়া বোলছবিৰ সন্দৰ্ভত অসমীয়া সাংস্কৃতিক জীৱনো সোমাই আছে। ইয়াৰ আঁহে আঁহে অসমীয়া সাহিত্যৰ লক্ষ্য আৰু আকাঙ্ক্ষা মূৰ্ত্তিমন্ত হৈ আছে। সেইহেতু বিহুগীত আৰু অসমীয়া সাহিত্যৰ উন্নতি সাধিবলৈ হ'লে আমি বোলছবিৰ সহায় লবই লাগিব। অসমীয়া বোলছবিত বিহুগীতৰ স্থান নিকশকপীয়া কৰিলে ৺ব্ৰজেন বৰুৱাই। আধুনিক বিহুগীতৰ সোঁতটি পূৰ্ণ প্ৰবাহবিশিষ্ট কৰিলে ৺ব্ৰজেন বৰুৱাই। এই ক্ষেত্ৰত বৰুৱাদেৱ অগ্ৰণী। এই বোলছবিৰ সহায়তেই বিহুগীত অসমীয়া সাহিত্যৰ সংক্ষিপ্ত সংস্কৰণ ( An epitone of Assamese literature ) হৈ ৰ'ল।

অসমীয়া সাহিত্যৰ সম্যক্ পৰিচয় নাজানি অসমবাসীয়ে অসমীয়া সাহিত্যৰ চৰ্চা কৰিবলৈ প্ৰয়াস কৰিলে যি পৰিস্থিতি হ'ব পাৰে, ঠিক তেনেকৈ বিহুগীতৰ তত্ত্ব নুবুজি অসমীয়া সাহিত্যৰ চৰ্চা কৰিবলৈ গ'লে সেই একেই পৰিস্থিতিয়ে দেখা দিব। তাৰ উপৰিও অস-মীয়া সাহিত্যই পৰ্বতীয়া জুৰিৰ সদৃশে ক'ৰবালৈ ঢাল ল'ব। গতিকে অসমীয়া সাহিত্যও নিৰ্ভৰ কৰে অসমৰ জনগণৰ ওপৰত, অসমীয়া সাংস্কৃতিক জীৱনৰ ওপৰত। বিহু আৰু বিহুগীতক বাদ দিলে অসমীয়া সাংস্কৃতিক জীৱন কৃষ্ণপক্ষৰ চন্দ্ৰৰ সদৃশে দিনে দিনে মৰহি যোৱাৰ পূৰ্ণ সম্ভাৱনা। অসমীয়া সাংস্কৃতিক জীৱন যাতে এনে অৱস্থা প্ৰাপ্ত নহয়, তাৰ কাৰণে প্ৰতি অসমীয়াই

( ১১ পৃষ্ঠাত চাওক )

# গীতি সাহিত্যিক জ্যোতিপ্ৰসাদ আগৰৱালা

মালাশ্ৰী লস্কৰ
স্নাতক : দ্বিতীয় বাৰ্ষিক

লুইতৰ পাৰতে আমি ডেকা লৰা মৰিবলৈ ভয় নাই …… …

এয়া জ্যোতিৰ হৃদয়স্পৰ্শী ধ্বনি, এয়া সাহসৰ অপূৰ্ব নিদৰ্শন :

"মুকুতি মেঘৰ মহানমেজিত
নেজাল ফিৰিঙতি ছাই
পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়,
আমি আগবাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলাই ।"

এই লুইতৰ পাৰত থিয় হৈয়েই অসমীয়া ভাৰতীয় নবীনৰ দলে অসমী মাটিৰ সৃষ্টিৰ মন্ত্ৰলৈ কাণ পাতি নিখিল আহ্বান কৰে, নৱ মানবীয় সাংস্কৃতিলৈ। অজ্ঞান অসমীয়া লোক-সঙ্গীতৰ পুনৰুদ্ধাৰৰ প্ৰথম পথ প্ৰদৰ্শক হ'ল জ্যোতিপ্ৰসাদ। অসমীয়া কৃষ্টি হেজাৰ হেজাৰ, লাখ বিলাখ বছৰৰ সাধনাৰে পৰিপুষ্ট, এই অসমীয়া সংস্কৃতি ব্ৰহ্মপুত্ৰ, ( লুইতৰ ) দৰেই, বিশাল গভীৰ। যেনেকৈ কোনো দুৰ্বাৰ শক্তিয়ে বিশাল গভীৰ ব্ৰহ্মপুত্ৰক ভেটা দি হেঙাৰ দিব নোৱাৰে, বিশাল গভীৰ অসমীয়া সংস্কৃতিৰ কোবাল সোঁতকো কোনেও বাধা দিব নোৱাৰে। ই আগবাঢ়ি গৈয়ে থাকিব । এই অগ্ৰগতিয়েই হৈছে প্ৰগতি— অসমীয়া কৃষ্টি-সংস্কৃতিও প্ৰগতি-শীল, ইয়াৰ কোনো বাধা নাই, বিৰাম নাই হেঙাৰ নাই, ৰোধ নাই— আছে দুৰ্বাৰ, বিৰাম-হীন গতিশীল প্ৰগতি। অসমৰ বুকুৰেদি দুৰ্বাৰ গতিত বৈ থকা লুইতৰ দেশৰ সন্তান, লুইতৰ সংস্কৃতি, মৃত্যুৰ মুখৰ পৰাও নতুনকৈ ঠন ধৰি উঠে ন ৰূপত ন সাজেৰে ।

এইজন অসমীয়া সংস্কৃতিৰ বাস্তুকৰ ৰূপ-কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ জন্ম হয় ১৯০৩ চনত ডিব্ৰুগড়ত। দেউতাক আছিল পৰমানন্দ আগৰৱালা। অসমীয়া সাহিত্য-জগতত জ্যোতিপ্ৰসাদ আছিল এটি ক্ষণজন্মা উজ্জ্বল জ্যোতিষ্ক। সেই উজ্জ্বল জ্যোতিয়েই পোহৰাই তুলিছিল, আমাৰ সাহিত্য আৰু সং-স্কৃতিৰ ৰবঘৰৰ কেইবাটাও খোটালী ।

সৰ্ব সাধাৰণ ৰাইজে যদিও জ্যোতিপ্ৰসা-দক থাইকৈ নাট্যকাৰ আৰু সঙ্গীত লিখক বুলিহে জানে তথাপি জ্যোতিপ্ৰসাদ অকল নাট্য-কাৰ আৰু সঙ্গীত শিল্পীয়েই নাছিল। জ্যোতিৰ প্ৰতিভা বহুমুখী, জ্যোতিপ্ৰসাদ আছিল নাট্য-কাৰ, সঙ্গীতজ্ঞ, কবি, শিশু সাহিত্যক, চুটি গল্প লিখক, জীৱনী লিখক, তদুপৰি তেওঁ আছিল সাংবাদিক, দাৰ্শনিক, চিত্ৰকৰ, চিত্ৰ প্ৰযোজক অভিনয় শিল্পী। একেষাৰ কথাত জ্যোতিপ্ৰসাদ আছিল অসমীয়া সাহিত্য সংস্কৃতিৰ এজন নিপুণ খনিকৰ ।

জ্যোতিপ্ৰসাদৰ জীৱন দৰ্শন এক অদ্ভুত সংমিশ্ৰণ আৰু সমন্বয়ৰ জীৱন । জীৱনৰ অন্তৰালত ঐতিহ্য আৰু আভিজাত্যৰ প্ৰতি সুতীক্ষ্ণ দৃষ্টি । আমি গীতৰ কথা আলোচনা কৰিলেই জ্যোতি-সঙ্গীতৰ কথা মনলৈ আহে। গীতি সাহিত্যত জ্যোতি-সঙ্গীতৰ স্থান সুকীয়া। সঙ্গীত সাহিত্যত তেখেতে প্ৰাচ্য আৰু পাশ্চাত্য ভাবৰ সংমিশ্ৰণ ঘটাইছে। তেখেতে পাশ্চাত্য সুৰ, ভাৰতীয় ৰাগ-সঙ্গীত আৰু অসমীয়া লোক-সঙ্গীতৰ মাজত এক সাৰ্থক সমন্বয় সাধন কৰিছে; যাৰ মৌলিক অসমীয়া বৈশিষ্ট্যই কতো বাট হেৰুৱা নাই। এই নিজা বিশেষ ভঙ্গীৰ সৃষ্টিৰ বাবে এই গীতবোৰক অসমস্ত জ্যোতি-সঙ্গীত আখ্যা দিয়া হৈছিল ।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ শেৰ চাপিলে নাটক কেইখনক এৰি যাব নোৱাৰি। তেখেতৰ জীৱন দৰ্শনৰ উজ্জ্বল স্বাক্ষৰ নাটক-বাজি। তেওঁৰ নাট্য পৰিক্ৰমাত শোণিতকুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম আৰু লভিতা, ক্ৰমে পৌৰাণিক, কাল্পনিক আৰু আধুনিক ভাবৰ সং-মিশ্ৰণ। তেখেতৰ নাটকতেই পোন পহিলা 'ইবচেনৰ' বাস্তৱবাদৰ ( Realism ) লক্ষণ পৰিস্ফুট ।

তেখেতৰ কিশোৰ বয়সত লিখা 'শোণিত-কুঁৱৰী' অসমীয়া নাট্য সাহিত্যৰ যুগ প্ৰবৰ্ত্তক এক অভিনৱ বৰঙনি। যদিও অতি কম বয়-সতে ছাত্ৰাৱস্থাতে লিখা তথাপি এই নাটকখনত পাতে পাতে এটি কবি মনৰ কল্পনা বিলাস আৰু অসমীয়া ভাষাৰ মোহলগা শব্দৰাশিৰ এখন ইন্দ্ৰজাল যুগমীয়া হৈ জিলিকি আছে। শোণিতকুঁৱৰীৰ এটি গীতত আছে :

"ৰূপহ কোঁৱৰৰ চুমা পৰশত
লাজুকী কুঁৱৰী মৰহি যায়,

---

( ৯ পৃষ্ঠাৰ পৰা )

যৎপৰোনাস্তি চেষ্টা কৰিবই লাগিব। বিহু আৰু বিহুগীতেৰে ৰঙ্গমঞ্চত অসমীয়া সাংস্কৃতিক জীৱনক জীয়াই ৰাখিবলৈ চেষ্টা কৰাৰ আগতে অসমীয়া সাংস্কৃতিক জীৱন বা সামাজিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰিবলৈ লক্ষ্য ৰাখিব লাগিব ।

যি লোকৰ মন নিজৰ ভাষা সাহিত্যৰ চৰ্চাৰ কমে জাগ্ৰত হৈ উঠে, তেনেলোকক মানুহৰ শাৰীৰ পৰা বাদ দিলে বৰ বেছি বেয়া নহ'ব'।" এতিয়া অনুতাপ নকৰিলেও আশ্ৰয়-হীন বুলি এসময়ত অনুভৱ কৰিব লাগিব । অসমীয়া বিহু গীতক বাদ দিলে অসমীয়া সাং-স্কৃতিক জীৱনৰ বহুখৰা বিহু জড়পদাৰ্থৰ সদৃশে জৰ্জৰিত হৈ পৰিব, আৰু লগতে অসমীয়া সাহি-ত্যই আন্ধাৰৰ পথত আগবাঢ়ি যাবলৈ ধৰিব। এই ক্ষেত্ৰত বিহুগীতক অসমীয়া সাহিত্যৰ পৰা বাদ দিলে অসমীয়া জনগণৰ মুখত "তমসো-মাৰ্জ্যোতিগময়ঃ ।" –

এই শিষ্ট বাক্যৰ অৰ্থ নাইকিয়া হৈ যাব। গতিকে বিহুগীতক অসমীয়া সাহিত্যৰ সঞ্জী-ৱনী বুলি ক'ব পাৰি । ০০০

সোণত সুৰগা আহি সানি দিলে
গোলাপী গালতে ৰঙে চৰাই
সপোনৰে সখা আহি দিলে দেখা
দিয়া সখি দিয়া হিয়া বিলাই।"

সৌন্দৰ্য্য পিয়াসী জ্যোতিৰ মনত এই আবেগৰ সোঁত অভিনৱ সঙ্গীতৰ সুৰেৰে সঞ্চিয়া লুইতৰ সোণোৱালী পানীত তিৰবিৰণি তুলি ৰৈ আছে—জ্যোতিয়ে এদিন নিজে গাই অসমবাসীৰ অন্তৰত খলক লগাইছিল :

"লুইতৰে পানী যাবি ঐ বৈ
লুইতৰে পানী যাবি ঐ বৈ
সঞ্চিয়া লুইতৰ পানী সোণোৱালী
সাগৰে নগৰে যাবি ঐ বৈ।"

কল্পনাত উদ্বুদ্ধ জ্যোতিপ্ৰসাদে যেন নিজেই চিত্ৰলেখাৰ ৰূপ লৈ শোণিত কুঁৱৰীত গাইছিল : অসমৰ বিশাল, অসমৰ বাপতি সাহোন লুইতৰ বুকুৰ তিৰবিৰণি জ্যোতিৰ সঙ্গীতৰ তিৰবিৰণি। সেই তিৰবিৰণি যেন কঁপি কঁপি সাগৰৰ ফালে প্ৰবাহিত হৈছে। সেইখন লুইত বিখনৰ প্ৰচণ্ড ঢৌৰ কোবত অসমীয়া ডেকাৰ হৃদয়ত শক্তি সঞ্চয় হৈছিল, নিস্তেজ মনত অদ্ভুত বল সঞ্চাৰিত কৰি বিজয়-গৌৰৱত উৎফুল্লিত হৈছিল, যিখন লুইতৰ পাৰৰ মলয়া বতাহে অসমীয়া ডেকাক হাড়ে হিমজুৰে পুষ্ট কৰিছিল, সেইখন লুইতক লৈ সদায় অসমীয়াই গৌৰবান্বিত হব পাৰিব।

জ্যোতিপ্ৰসাদ আগৰৱালাই সঙ্গীতৰ ক্ষেত্ৰত প্ৰেৰণা লাভ কৰিছিল তেওঁৰ পিতৃ পৰমানন্দ আগৰৱালাৰ পৰা। এদিন সন্ধ্যা দেউতাকে অৰ্গেনত আঙুলি বুলাই গাই আছিল :

"তুলসীৰ তলে
মৃগপহু চৰে
তাকে দেখি ৰামচন্দ্ৰ
শৰ ধনু ধৰে।"

জ্যোতিপ্ৰসাদে নিজেই কৈছিল : সেই দিনা হেনো ৰাতি টোপনী অহা নাছিল। অসমীয়া আইনাম, বিয়ানাম, বনগীত আদিৰ সুৰদি সুৰবোৰে তেওঁৰ মনত বিপ্লৱ সৃষ্টি কৰিলে। তেখেতে দেউতাকৰ পৰা এক অভিনৱ প্ৰেৰণা লাভ কৰিলে। নিভাঁজ অসমীয়া বাঞ্জনা, ৰচনা মধুৰ, ভাব মধুৰ, অসমীয়া প্ৰকাশ ৰীতি আলফুল, মৌ-মিঠা সঙ্গীত ৰচনা কৰি জ্যোতিপ্ৰসাদে নদাই, ভদাইৰ পৰা আৰম্ভ কৰি স্বৰ্গীয় বাণীকান্ত কাকতিলৈকে সকলোৰে অন্তৰত প্ৰবেশ কৰিব পাৰিছিল।

আধুনিক অৰ্কেষ্টাৰ লগত খলুৱা গীতমাতৰ সুৰ মিলাই অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদে সাহসেৰে যুগান্তৰ আনি দি গল। অসমীয়া সঙ্গীতৰ জনপ্ৰিয়তাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ এই বলিষ্ঠ মনোভাবৰ অবিহনা অনুকৰণীয়।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতসমূহ আছিল প্ৰবল দেশাত্মবোধৰ উজ্জ্বল স্বাক্ষৰ। এহাতে পুৰণি আবৰ্জনা গ্লানিৰ বিপক্ষে সংস্কাৰকামী দৃঢ় অন্তৰৰ দুৰ্ঘোৰ সংগ্ৰাম আৰু আনহাতে উষাৰ সোণোৱালী পোহৰত নতুন ৰচাৰ নব পাতনি।

"বিজুলি ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ
ৰচিম নতুন মানৱ তন্ত্ৰ





বিজ্ঞানৰ স্বৰ্গজিৎ
জ্ঞানৰ ইন্দ্ৰজিৎ।"

অতীত কীৰ্ত্তিৰ কথা অসমীয়া ডেকাক সোঁৱৰাই দি দ্বিগুণে উৎসাহিত কৰি অসমীয়া ডেকাক মাতৃসেৱাৰ বাবে দুৱাৰ মুকলি কৰিবলৈ আহ্বান কৰিছে। তেখেতৰ অন্তৰত বিদ্ৰোহৰ অগ্নি জ্বলি উঠিছিল। সেই বিদ্ৰোহৰ জুই কেৱল বিদেশী শাসকৰ বিৰুদ্ধেই নহয়, সমাজক নিষ্পেষিত কৰি থকা মধ্যযুগীয় দুৰ্বল নেতৃত্ব আৰু আৱৰ্জ্জনাপূৰ্ণ সমাজ বন্ধনৰ বিৰুদ্ধেও থিয় দিব বিচাৰিছিল। তেখেতৰ গীতসমূহ গতানুগতিকতাৰ পৰা আঁতৰি অহা।

জ্যোতিপ্ৰসাদ আগৰৱালা জন্মলাভ কৰিছিল শিল্পী মন এটা লৈয়ে নহয়, জন্ম লাভ কৰিছিল বহুমুখী প্ৰতিভা লৈ। তেখেতে সাহিত্য সভাৰ এক অধিৱেশনত কৈছিল : "পৃথিৱী যিদিনা শিল্পীৰ পৃথিৱী হ'ব, মুক কন্যা 'শান্তি' যিদিনা মুখৰ হ'ব, সিদিনা বিশ্বজনতা ৰূপকোঁৱৰ হৈ জাগি উঠিব।" সুন্দৰৰ সৈনিক ৰূপকোঁৱৰৰ এই অভিব্যক্তিৰ বিৱৰণ অনুসৰি অসমৰ জনতাই তেখেতৰ মৃত্যুৰ পাচত তেখেতক "ৰূপকোঁৱৰ" উপাধি দিয়ে। জ্যোতিৰ জ্যোতি আছিল বিপ্লৱী মনিষাৰ প্ৰতীক। চিন্তা আছিল নৱ নৱ সৃষ্টিৰ পাতনি মেলা; বিশ্বৰ বুকুত দম্ভ ধুলিসাৎ কৰি সংস্কাৰকামী সমাজ গঢ়ি তোলা, সংসাৰৰ কদৰ্য্যতা জয়ী নবীনতা প্ৰিয় কল্যাণকামী অন্তৰে বিচাৰিছিল পৃথিৱীৰ অস্পৃশ্য ক্ৰূৰতাক অতিক্ৰমি নতুন সৃষ্টিৰ অমোঘ মন্ত্ৰ ৰচিবলৈ তেখেতে গাইছিল :

"বিশ্ব বিজয়ী ন জোৱান
বিশ্ব বিজয়ী ন জোৱান
শক্তিশালিনী ভাৰতৰ
ওলাই আহা
ওলাই আহা
সন্তান তুমি বিপ্লৱৰ।"

শিল্পী জ্যোতিপ্ৰসাদৰ মন আৰু বলিষ্ঠ কণ্ঠস্বৰৰ মুহু মূৰ্চ্ছনাত লুকাই আছিল সংস্কৃতি গঢ়ি তোলাৰ প্ৰয়াস।

"আজি শিল্পী মনৰ প্ৰণতি
আজি শিল্পী প্ৰাণৰ ভকতি।"

যেতিয়া জ্যোতিপ্ৰসাদ আগৰৱালা বিলাতত আছিল তাৰপৰাই তেখেতে গীত ৰচনা কৰি সুৰ চানেকিৰে সৈতে পঠিয়াই দিছিল। নিৰ্ভয় নকৰা লুইতৰ পাৰৰ ডেকা লৰাক সাজু কৰিবলৈ আৰু কেইবাটাও জাতীয় ভাবাপন্ন গীত ৰচনা কৰি প্ৰচাৰ কৰিছিল। "পৰ্বতৰ টেকীয়া লিহিৰি পতীয়া" গীতত অসমীয়া সুৰ দি গাবলৈ শিকাইছিল জ্যোতিপ্ৰসাদেই। ইয়াৰ উপৰি ৰেজৰৰুৱাৰ "চক্ৰধ্বজ সিংহ" আৰু "জয়মতী কুঁৱৰী" নাটৰ গীতবোৰতো ন-সুৰ দি তেওঁ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল।

তেখেতৰ বেছি ভাগ গীতেই আছিল জাতীয় ভাবোদ্দীপক আৰু স্বদেশপ্ৰেমমূলক। প্ৰতিটো গীত বা কবিতাই আছিল অগ্নিমন্ত্ৰেৰে ৰচিত। চূড়ান্ত জাতীয় ভাবাপন্ন গানবোৰ— টলমলীয়া ডেকাৰ ভক ভকীয়া ভাবৰ গান। তেজাল, তেজাল সুৰেৰে গান গাই ভাল লাগে। গা গৰম হৈ উঠে, মন উতলে, পৰাণ উথলে, হিয়া ন পোহৰে জিলিকি উঠে :

"সাজু হ ন-যোৱান
সাজু হ ন-জোৱান
তই কৰিব লাগিব অগ্নিস্নান
বজ্ৰ কণ্ঠৰে বিশ্বক শুনা
সত্যৰ জয় গান
বুকুৰ তেজেৰে ধুই দে আজি
ভাৰতৰ অপমান
সাজু হ ন-জোৱান, ন-জোৱান"...... ইত্যাদি।

এই গানবোৰ যেন একুৰা একুৰা অঙঠা হৈ ছিটিকি বিয়াব আকাশত ছাব খাই সুৰৰ কঁপ-নিৰে তিৰবিৰাই তৰাৰলীৰ দৰে জিলিকি জিলিকি উঠে। জাতীয় আন্দোলনৰ মূলমন্ত্ৰ এই গানবোৰৰ মাজেদি ফুল-বগৰিৰ দৰে বিৰিঙি ওলাই চাৰিওফালে বিয়পি পোৰবাই তোলে।

নতুন যুগৰ বন্তি অগাওতা জ্যোতিৰ মন আছিল বিপ্লৱী। জ্যোতিয়ে আবেগময়ী সপোনৰ মাজেদিয়েই নহয়, নিৰ্মম বাস্তৱ আৰু কৰ্ত্তব্যৰ মাজেদিয়েই উপলব্ধি কৰিছিল - অসমীয়া সংস্কৃতিৰ ভয়াবহ ৰূপটো দেখি, আকৌ ধ্বংসমুখী, মৃত্যুমুখী সংস্কৃতিৰ মাজত নতুন ৰূপেৰে উপলব্ধি কৰিলে— পথত স্তূপীকৃত হোৱা দুৰ্গন্ধ দূৰীকৰণ কৰিব পাৰিলেহে সৃজন আৰু নিয়ন্ত্ৰণ ৰক্ষা পৰিব। তেখেতে কৈছিল : "যি সময়ত যি ক্ষণত কোটি কোটি জনতাই উপলব্ধি কৰিব পাৰিব যে সুন্দৰৰ উপাসনাইহে মানৱ সভ্যতাৰ পূৰ্ণ পৰিচয়, সংস্কৃতিৰ পূৰ্ণ বিকাশ, যি সংস্কৃতিয়ে অকল জাতিকে নহয় দেশক আৰু বিশ্বক শুদ্ধ কৰি চিৰ সুন্দৰৰ বেদীৰ ওচৰলৈ নিব পাৰে— তেতিয়া জিলিকি উঠিব বিশ্বশান্তি আৰু মৈত্ৰীৰ সপোন, সেয়েহে তেখেতে নিষ্পেষিত নিৰ্য্যাতিত কোটি কোটি জনতাক কৈছিল :

"সাজু হবৰ হ'ল ডেকা সৰা
সাজু হ'বৰ হ'ল।"

সুৰৰ জিঞ্জিৰি পিন্ধা জ্যোতিপ্ৰসাদৰ অন্তৰাত্মাই গৰ্জি উঠিছিল, জনতাৰ পৰা কোনো দিন আঁতৰি থকা নাছিল, জনতাৰ মাজত আস্থা ৰাখি, জনতাৰ মাজত নিজক বিলাই মহা-প্ৰয়াণৰ তাণ্ডৱ নৃত্যক মধিমুৰ কৰিবলৈ জনতাক আহ্বান জনাইছিল, গীতৰ মাজেৰে তেখেতে প্ৰেৰণা যোগাইছিল— তেখেতে গাইছিল :

"গাৱঁৰ লৰা আগবাঢ়ি যাম
হাবি কাটি আগবাঢ়ি যাম
পৰ্বত ভাঙি আগবাঢ়ি গৈ বাট উলিয়াম
নিতউ নতুন পাম।"

জ্যোতিপ্ৰসাদৰ দেশপ্ৰেমৰ তেজেৰে ৰাঙলী হিয়াখনি তেওঁৰ গীতি-কাব্যৰ মধু ৰচনাত চিৰদিন জ্যোতিৰে জ্যোতিষ্মান হৈ থাকিব আৰু অসমীয়া কৃষ্টি ৰক্ষক দুইতৰ প্ৰতি চোৰে যুগে যুগে জ্যোতিৰ সুৰৰ কথা সোঁৰৰাই থাকিব, অসমীয়া কবি শিল্পীয়ে যুগে যুগে ৰূপকোঁৱৰৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাৰ অঞ্জলি দি সোঁৱৰিয়েই থাকিব।

০০০

# জিকিৰৰ তাৎপৰ্য আৰু আজান পীৰৰ জিকিৰ

চেলিমা আহমেদ
স্নাতক : দ্বিতীয় বাৰ্ষিক

নেৰিবা কলিমা জিকিৰ ঐ লইবা বুকুত ৰাখি
নেৰিবা কলিমা ধৰিবা কলিমা, কলিমা ধৰমৰ গুৰি
একেটি কলিমাই ব্ৰহ্মাণ্ড ভেদিছে চৰাই হৈ উৰিছে ফুৰি
কলিমাৰ নাম সাৰথি নাম জীউৰ লগে লগে যায়
যি ঠাইত চিজদা কৰা সেই ঠাইতে খোদায়।

( অৰ্থাৎ- মুছলিমসকলৰ বাবে কলিম এনে এটি বস্তু যিটো মানুহে সদায় পঢ়িব লাগে আৰু মৃত্যুৰ পাছতো, সেই কলিমায়ে মানুহক শান্তিৰ পৰা ৰক্ষা কৰে। কাৰণ যি ঠাইতে কলিমা পঢ়ি চিজদা ( সেৱা ) কৰা হয়, সেই ঠাইতে আল্লাক পোৱা যায়।

আল্লাৰ বিনে কেউ নাই আন ঐ আল্লাই
হৰুৰ বিনে চকৰ নাই, আল্লাৰ বিনে নাই ঐ গতি
পানীৰ বিনে নাই নিৰ্মল।
আল্লাৰ বিনে গতি নাই, নবীৰ বিনে নাই নিস্তাৰ

অৰ্থাৎ- আল্লাহ তালাৰ বাহিৰে কোনো ৰক্ষা কৰোতা নাই। কাৰণ পৰিষ্কাৰ পানীত যিদৰে নিৰ্মলতা পাব পাৰি, সেই দৰে ভগৱানৰ উপাসনাৰ বাহিৰে কতো নিৰ্মলতা পোৱা নেযায়।)

এয়েই হৈছে অতীতৰে পৰা মুছলিম সমাজত প্ৰচলিত হৈ থকা জিকিৰ বা গীতি কবিতা। জিকিৰৰ অৰ্থ হৈছে— স্মৰণ কৰা। আল্লাৰ নাম বা গুণাৱলী বাৰে বাৰে স্মৰণ কৰা। মুছলিম সমাজত উপাসনাৰ ক্ষেত্ৰত জিকিৰৰ মাহাত্ম্য খুব বেছি। জিকিৰৰ মাহাত্ম্য সম্পৰ্কে মুছলিমসকলৰ ধৰ্মপুথি কোৰাণতো উল্লেখ আছে। অসমৰ মুছলিম সমাজত এই জিকিৰ প্ৰথমে প্ৰচাৰ কৰে আজান ফকিৰ বুলি খ্যাত পীৰ চাহাবে।

পৰম কৰুণাময় আল্লাই মানৱ জাতিক সৰ্বশ্ৰেষ্ঠ জাতি হিচাবে পয়দা ( সৃষ্টি ) কৰিছে আৰু এই জাতিটোক এটা অমূল্য বস্তু দান কৰিছে। সেইটো হৈছে ইলিম বা বিদ্যা। এই ইলিমৰ দ্বাৰাই মানৱে অসাধ্য সাধন কৰিব পাৰিছে আৰু খোদাৰ মহিমাৰ তত্ব ভেদ কৰিব পাৰিছে। পৰম কৰুণাময়ৰ দান অফুৰন্ত, তেওঁৰ ৰহমত ( কৃপা ) আৰু দয়া অপৰিসীম। এনেকুৱা দাতা, কৃপাবৰ্ষণকাৰী, কৰুণাময়ৰ বাবে

তেওঁৰ নাম স্মৰণ আৰু জিকিৰ কৰি তেওঁৰ প্ৰতি সন্তুষ্ট আৰু কৃতজ্ঞতা প্ৰকাশ কৰা স্বাভাৱিক কৰ্ত্তব্য।

জিকিৰৰ মাহাত্ম্য সম্পৰ্কে কোৰাণত বৰ্ণিত আছে যে— "তোমাৰ প্ৰভুক অতি মাত্ৰাই স্মৰণ কৰা, জিকিৰ কৰা, তেতিয়াহে মই (আল্লাই) তোমালোকক স্মৰণ কৰিম।

২) জিকিৰৰ ৰহমতত (সহায়ত) চয়তান, মদ, জুৱা আদি বেয়া কামৰ পৰা আঁতৰত থাকিব পাৰিব, কাৰণ যি সদায় নম্ৰভাৱে, সৰল অন্তৰেৰে নিভৃতত নামাজৰ পাছত সকলো সময়ত খোদাক মাতে।

৩) আন এটি চুৰাত আছে যে— আল্লাহ তালাৰ জিকিৰ অতি ডাঙৰ আৰু প্ৰিয় বস্তু। নবী হজৰত মোহাম্মদ (দঃ)ৰ মাজতেই মানুহৰ বাবে সুন্দৰ আদৰ্শ আছে। তেওঁ কৈছে যে তেৱেঁই প্ৰকৃত মানৱ যিজনে নিজৰ অন্তৰ সদায় ভীত অৱস্থাত ৰাখি খোদাক আৰু শেষ দিনলৈ [মহাপ্ৰলয়ত] ভয় কৰে। তেওঁলোকক মহান আল্লাই বৃহত্তৰ দান আৰু পুৰস্কাৰ দিবলৈ স্বীকাৰ কৰিছে। কোনেও নাজানে তেওঁলোকৰ কৰ্মফল আৰু তৃপ্তিৰ বাবে কি লাভ কৰিব।

৪) যি ব্যক্তি নিজৰ প্ৰভুৰ জিকিৰৰ প্ৰতি বিৰাগ থাকিব তেওঁৰ প্ৰতি আল্লাই কঠোৰ শাস্তি বিহিব আৰু তেওঁ হ'ব মৃত্যুতুল্য।

৫) হজৰত মোহাম্মদৰ [দঃ] [ছঃ] ওচৰলৈ এদিন এজন মানুহ আহি সুধিলে যে— হে আল্লাহৰ ৰছুল [প্ৰেৰিত দূত] আপুনিতো এবাদত [উপাসনা]ৰ বিষয়ে বহু কথাই জানে। তাৰ ভিতৰত এনেকুৱা এটা এবাদতৰ বিষয়ে মোক কওঁক যিটো মই সকলো সময়তেই কৰিব পাৰোঁ। তেতিয়া মোহাম্মদে তেখেতক উত্তৰ দিলে যে: "খোদাতালাৰ জিকিৰেৰে তোমাৰ জিভা ব্যস্ত ৰাখা। ইয়েই সকলো সময়ৰ বাবে সৰ্বোত্তম এবাদত। তেতিয়াই আল্লাই তোমাক ধন-মান, শান্তি-নিৰাপত্তা প্ৰদান কৰিব আৰু তুমি আল্লাহৰ প্যাৰা (মৰমৰ) আদমত (মানুহ)-ত পৰিণত হ'বা।"

মুঠতে আল্লাৰ বাবে জিকিৰেই কম সময়ৰ ভিতৰত কৰিব পৰা এটা উৎকৃষ্ট আৰু স্থায়ী এবাদত (উপাসনা) আৰু জীৱনৰ সকলো সময়তেই ইয়াক জপিব পাৰি। যিদৰে লেতেৰা বস্তু ধুলে চাফা হয়, সেইদৰে জিকিৰে অন্তৰৰ ময়লা ধুই পবিত্ৰ আৰু পৰিষ্কাৰ কৰি তোলে। জিকিৰ হৈছে হৃদয়ৰ অনুভূতি।

এই জিকিৰেই অতীতৰ অসমত এসময়ত অসমীয়া ভাষাত সৃষ্টি হৈ আজিও অসমী আইৰ সতি-সন্ততিৰ মাজত বিৰাজমান হৈ আছে। আমাৰ অসমত শুদ্ধ অসমীয়া ভাষাত এই জিকিৰৰ সৃষ্টি কৰি থৈ যায় পীৰ বাবা ছৈয়দ শাহমীৰণ ওৰফে আজান পীৰ বাবাই।

আজান পীৰ বাবাৰ প্ৰকৃত ঘৰ অসমত নহয়, কিয়নো ইতিহাসৰ পাত লুটিয়াই বিচাৰিলে আমি পাওঁ যে দোত্তৰ শতিকাত কোনো এক শুভক্ষণত তেওঁ বাগদাদৰ পৰা অসমলৈ প্ৰবেশ কৰে হয়তো আল্লাৰ ইচ্ছাতেই। তেতিয়াই তেওঁ দেখিছিল অসমত যি লঘু সংখ্যক ইচলাম সম্প্ৰদায়ৰ মানুহ আছিল, সেইখিনিয়েও নিজৰ ধৰ্ম-কৰ্ম পাহৰিছে। মাথোন ইছলাম



নামৰ বস্তিগছ টিমিক টামাককৈ জলি আছে। তেতিয়াই তেওঁ সেই মানুহবোৰৰ মাজত ইছলাম ধৰ্মৰ নীতি নিয়ম সম্পৰ্কে বুজাই ইচলাম ধৰ্ম প্ৰচাৰৰ বাবে চেষ্টা চলায়। কাৰণ অধৰ্মী হৈ সত্যক যেতিয়া মানুহে পাহৰি যায়, তেতিয়াই একোজন জ্ঞানী মহাপুৰুষৰ আবিৰ্ভাৱ হয়।

আজান পীৰৰ প্ৰকৃত নাম শাহমীৰণ বুলি কৈ অহা হৈছে। কিন্তু তেওঁ অসমলৈ আহি প্ৰথমে ইছলামৰ নীতি অনুসৰি মুছলিমসকলক আজান দি নামাজ পঢ়িবলৈ আহ্বান কৰা বাবে তেওঁৰ নাম আজান পীৰ বা ফকিৰ হ'ল। তেৱেঁই আজি গোটেই অসমত আজান পীৰ বুলি খ্যাত।

তেখেতৰ দৰগাহ বা মাজাৰ (সমাধিস্থল) শিৱসাগৰৰ পৰা চৈধ্য মাইলমান দূৰত ৰুকাইচুক মৌজাৰ দিখৌমুখ অঞ্চলৰ সৰাগুৰি চাপৰি নামৰ ঠাইত আছে বুলি অনুমান কৰি তাৰ কিছু প্ৰমাণ পাই অসমৰ প্ৰায় ঠাইৰ মানুহ তেওঁৰ মাজাৰলৈ গৈ জিয়াৰত [মৃতকৰ সদগতিৰ বাবে কৰা প্ৰাৰ্থনা] কৰেহি। সৰাগুৰি চাপৰিত থকা সমাধিস্থল শিৱসাগৰৰ হিন্দু-মুছলিম উভয়ে মনা দেখা যায়। সেই ঠাইত তেওঁৰ আশ্ৰম আছিল, তাক আমি তেওঁৰ তলৰ জিকিৰটোৰ পৰা প্ৰমাণ পাওঁ।

সৰাগুৰি চাপৰি দিখৌ নৈ কাষৰি ৰজাই
বান্ধি দিয়া মঠ
ছকুৰি ভকতে লয় আল্লাৰ নাম মাদুৰী
বননে কঠ।

এই জিকিৰৰ পৰা বুজা যায় যে সেই সময়ত আহোম ৰজাই আজান পীৰক ভকতবে নৈতে থাকিবলৈ দিখৌ নৈৰ কাষত সৰাগুৰি চাপৰি বোলা ঠাইত এটা মঠ সজাই দিছিল।

পীৰ-ৰজী আদি আধ্যাত্মিক ভাৱেৰে পৰিপুষ্ট লোকে সদায় নিজৰ গুণ আৰু আত্ম-পৰিচয় গোপন ৰাখিবলৈ চেষ্টা কৰে, সেয়েহে পীৰজনাক সৰ্বসাধাৰণ মানুহে ফকিৰ বুলি জানে। আজান পীৰেও এটা জিকিৰত নিজক ফকিৰ বুলি পৰিচয় দিছে:

সকলে পৰা বুঢ়ালৈ জন্মালে নিশ্চয়কৈ
জানিবি তই
ভিক্ষাৰী আজানে আছে হাত পাতি যদি
ৰজী ফকিৰ হয়।
মনিছ জনম পায় আল্লাক নিচিন কিনো
নিদাৰুণ চিত্ত
হৱে চহৰতে থাওঁ ভিক্ষা কৰি নামৰো
পায় আছো বিত।

আজান পীৰ চাহাবে যেতিয়া মুছলিমসকলক ইছলাম সম্পৰ্কে সজাগ কৰি তুলিব বিছাৰিলে, তেতিয়া অসমত আহোম ৰজা আছিল প্ৰতাপ সিংহ। বুৰঞ্জীমতে যদিও ৰজাই মুছলিমসকলৰ লগত ভাল ব্যৱহাৰ কৰিছিল, কিন্তু ইছলাম ধৰ্মৰ মুঠতে পক্ষপাতী নাছিল। গতিকে ৰজাই প্ৰকাশ্য ভাৱে পীৰক আজান দি নামাজ আদি পঢ়োৱাত বাধা দিয়াটো স্বাভাৱিক। এই বিষয়ে অসম বুৰঞ্জীত খেইট চাহাবেও লিখি থৈ গৈছে।

আজান পীৰৰ ওপৰত ৰজা এনেই অসন্তুষ্ট হৈ আছিল, তাতে আকৌ সেই সময়ৰ বাসিন্দা দাধৰা ফজুলা আৰু ৰূপাই দা ধৰাই সামান্য কথাত মনোমালিন্য হৈ ৰজাক পীৰজনা মোগলৰ

গুপ্তচৰ বুলি গোচৰ দিয়ে। ৰজাই পীৰক বন্দী কৰি ৰাজসভালৈ নি শাস্তি হিচাবে চকু দুটা কাঢ়িব দিলে। ৰজাৰ কথাত পীৰজনাই কোনো আপত্তি নকৰি দুটা নতুন চক আনিবলৈ দিলে আৰু চক দুটা হাতত লৈ আল্লাৰ্লৈ প্ৰাৰ্থনা কৰাত নিজে নিজে চকু দুটা খুলি আহি চকত পৰিছিলহি বুলি প্ৰবাদ আছে। তেওঁ চকু দুটা মাটিত পেলাবলৈ মানা কৰিলে, কাৰণ মাটিত পেলালে ৰাজ্যৰ সকলো মানুহ অলি পুৱি মৰিব, সেয়েহে দিখৌ নৈত উটাই দিবলৈ কোৱাত, দিখৌ নৈখন ওলোটাই বৈ গোটেই নগৰ, ৰাজকাৰেং পানীৰে বুৰ গ'ল আৰু প্ৰজা-সকলৰ কষ্টৰ সীমা নোহোৱা হ'ল। এই সম্বন্ধে এটা জিকিৰত পোৱা যায়ঃ

"যেতিয়া নজৰক দিখৌত পেলালে উভতি
নবিয়া বয় হে
যেতিয়া নজৰক দিখৌত পেলালে নগৰত
চৰা খেলাই হে।"

পাছত ৰজাই হাতীৰুৱাৰ হতুৱাই অনু-সন্ধান কৰি জানিব পাৰিলে যে পীৰ বাবাৰ ওপৰত অত্যাচাৰ চলোৱা বাবে এইবোৰ অঘ-ন্তৰ ঘটিছে। তেতিয়া ৰজাই ফকিৰৰ মাহাত্ম্য বুজিব পাৰি আৰু তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা খোজাত দিখৌ নৈয়ে আগৰ ৰূপ লয়। এই বানপানীৰ কথাও অসম বুৰঞ্জীত উল্লেখ আছে। তেতিয়াই ৰজাই তেওঁক দিখৌ নৈৰ পাৰত সৰাগুৰি চাপৰিত তেওঁৰ বাবে আৰু শিষ্যসক-লৰ বাবে মঠ নিৰ্মাণ কৰি দিয়ে। ইফালে হাতীৰুৱাই পীৰজনাৰ দুখত দুখী হৈ নিজৰ পাগুৰীৰে পীৰ বাবাৰ চকুপানী মচি দিয়াত তেওঁক তেওঁৰ ভবিষ্যত বংশধৰলৈকে আশীৰ্বাদ দিয়ে।

আজান পীৰে দেখিলে যে ৰজাৰ খাম-খেয়ালিতে হওঁক বা প্ৰজাৰ অমনোযোগিতাৰ ফলতেই এনেকৈ নামাজ, ৰোজা আদি ইছলামৰ কৰ্মসমূহ মানুহে পালন নকৰিব। সেয়েহে তেওঁ এটা পন্থা উলিয়ালে। অসমত বহুত দিন থকাত তেওঁ দেখিছিল সেই সময়ত শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতি মানুহৰ মন সহজে আকৰ্ষিত হৈছিল। কাৰণ তেওঁ দেখিছিল যে নাম গাই তেওঁলোকে ঈশ্বৰৰ নাম লয় যাক কীৰ্ত্তন বুলি কোৱা হয়। সেয়েহে তেওঁ মুছলিমসকলক বুজাবৰ বাবে মহাপুৰুষীয়া ধৰ্মৰ আলমত নাম-কীৰ্ত্তনৰ সুৰ আৰু ভাষাত মিল ৰাখি জিকিৰ ৰচনা কৰিলে। ইছলামৰ মূল কথাখিনি জিকি-ৰত সুমুৱাই জিকিৰবিলাক অসমীয়া নামৰ সুৰত সুৰ ৰাখি অসমত আজান পীৰ চাহাবে ইছলাম ধৰ্ম প্ৰচাৰ কৰে।

এনেদৰে জিকিৰ গোৱাত প্ৰথমে মুছলিম-সকলে অৱহেলা কৰাত তেওঁ নামঘৰত নাম কীৰ্ত্তন গোৱাৰ পিছত মাহ প্ৰসাদ বিতৰণ কৰাৰ দৰে চিৰ্নী বিতৰণ প্ৰথাৰ সৃষ্টি কৰে। কাৰণ বহুতো এনে মানুহ আছে যি খোৱাৰ লোভতো এই অনুষ্ঠানবোৰত যোগ দিয়ে। আগতে কিছুমান ফকিৰী লাইনৰ মানুহে হাত চাপৰি আৰু বীণ বজাই জিকিৰ গাইছিল। ইছলামত যদিও যি কোনো ধৰণৰ বাদ্য নিষেধ তথাপি আজান পীৰে ভাবিছিল যে নাম গায়েই হওঁক বা নামৰ লগত হাত চাপৰি বা বীণ বজায়েই হওঁক যি কোনো উপায়েৰে অসমত ইছলাম





প্ৰচাৰ কৰিব লাগিব। সৰ্ব সাধাৰণে চলি থকা নিয়মক অগ্ৰাহ্য নকৰে; কিন্তু কিছুমান বাধ্য-বাধ্যকতা সুমুৱাই দিলে মানিবলৈ টান পায় আৰু অৱহেলা কৰি বাদ দিয়ে। সেই উদ্দেশ্যে আজান ফকিৰে শুৱলা ভাষাত কীৰ্ত্তনৰ সুৰত সুৰ মিলাই জিকিৰ ৰচনা কৰি গাইছিল। এই জিকিৰবিলাকত নিভাঁজ অসমীয়া সংস্কৃতি-মূলক, আৰবী, পাৰ্চী আদি শব্দৰে সানমিহলি কৰি জিকিৰবিলাক এধাৰি মণিৰ দৰে ফকিৰে গাইছিল। জিকিৰ ৰচনা হোৱাত অকল যে মুছলিমসকলেই ইয়াত যোগ দিছিল এনে নহয় বহুতো আন জাতিৰ লোকেও যোগ দিছিল বুলি আমি জানিবলৈ পাওঁ। আজান পীৰৰ জিকিৰ সমূহে সমাজত উচ্চস্থান লাভ কৰিব ধৰিলে আৰু লগে লগে প্ৰচলনৰ মাত্ৰাও বাঢ়ি গ'ল। আজান পীৰে জিকিৰ ৰচনা কৰি ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ আন এটা কাৰণ এয়ে যে, সেই সময়ত প্ৰায়ভাগ মানুহ অসমৰ অশিক্ষিত আছিল। তাৰ উপৰি পীৰ চাহাবেও স্থানীয় ভাষা লিখিব আৰু পঢ়িব নাজানিছিল। সেয়েহে তেখেতে মুখে মুখে জিকিৰ ৰচনা কৰি নিজেও গাইছিল আৰু আনকো মুখে মুখে শিকাইছিল। এই জিকিৰবিলাক আজিলৈকে গাওঁবোৰত মুখে মুখে চলি আছে।

জিকিৰসমূহ মুখে মুখে গাই মুখস্থ কৰাৰ বাবে এজনৰ পৰা আন এজনে শিকোঁতে বহুতো বঢ়া-টুটা হৈছে আৰু বহুতো শব্দও লোপ পাইছে। সেই সময়ত মুছলমান সমাজত লিখা-পঢ়া চৰ্চা থকা হ'লে নিশ্চয় আমি সেইবোৰ অক্ষয় আৰু লিখিত অৱস্থাত পালোঁহেঁতেন। আজানপীৰে যে জিকিৰ ৰচনা কৰিছিল আৰু লিখা-পঢ়া জনা নাছিল, তাক আমি তলৰ জিকিৰ দুটাৰ পৰা ক'ব পাৰোঁ:

"দহশ ছুকুৰী নবীচন হিজৰী আৰু পাচে
বছৰ যায়
শাহ মিলনে এই জিকিৰ কোৰাণ
কিতাবে পায়।"

আৰো —

"মুমিনে মুমিনে চেনেহা চেনেহী চকুৱে
চকুৱে বেঠা
নপঢ়া ফকিৰে কৰ যে ধৰিছে আনি
কলমৰে কথা।"

আজান পীৰ যে বিদেশৰ পৰা অসমলৈ আহিছিল তাক তেওঁ নিজেই কৈছে আৰু গুৰু নধৰিলে যে আল্লাৰ ভেদ নাপায় তাকো উল্লেখ কৰিছে:

"ভিক্ষাৰী আজানে কয় আহো পৰদেশ
বিনা গুৰুৰ নাপায় নামৰ ভেদ।"

যিসকলে তেওঁৰ ওচৰত আৰু ইছলামৰ মূল জিকিৰ বুলি ধৰি লৈছিল, সেইসকলক মুৰিদ বা ভকত বোলা হৈছিল। পীৰ-সাধক-সকলৰ যিমানে মুৰিদ বেছি হয়, সিমানে ধৰ্ম প্ৰচাৰৰ সুবিধা হয়। এইটোও সত্য যে গুৰুৰ মুৰিদ (ভকত বা শিষ্য) যিমানে বেছি কৰিব পাৰে, আৰু যিমান মানুহ ভালৰ ফাললৈ আনিব পাৰে, তেওঁলোক সিমানেই খোদাপ্ৰিয় হ'ব আৰু আল্লায়ো তেওঁলোকক যিমান কষ্টকৰ কাম হওঁক, সকলোতে সহায় কৰে।

আজান ফকিৰে ৰচনা কৰা আঠ কুৰি জিকিৰৰ মাজেদি তেখেতে অসমৰ অবোধ

মুছলিমসকলৰ মাজত ইছলাম ধৰ্ম প্ৰচাৰ কৰে। তেওঁ ইছলামৰ সাৰ মৰ্মখিনি জিকিৰৰ মাজত সুমুৱাই তাৰ দ্বাৰা জনসাধাৰণক অনুপ্ৰাণিত কৰিছিল। সেয়েহে জিকিৰসমূহ আধ্যাত্মিক তত্ত্বেৰে ভৰপুৰ। আজান পীৰক পিছলৈ আহোম স্বৰ্গদেৱে বাসৰ পাতিবলৈ সুবিধা দান কৰি মাটি দি মঠ নিৰ্মাণ কৰি দিয়াত তেওঁকো আশীৰ্বাদ দিছিল বুলি তলৰ জিকিৰটোত পাওঁ :

"গড়গাঁও নগৰখন আহোম ৰজাৰ ৰাজ্যত
জিকিৰ তৰ্জমা হল অসমীয়া মাতত
ৰজা হওঁক চিৰজীৱি প্ৰজাৰ হওঁক মঙ্গল
শিল নোপৰে নাও নাযায় মানে তল।"

হজৰত আজান পীৰে অসমতে থাকি অসমৰ মানুহৰ লগত মিলি-জুলি অসমীয়া ভাষাত জিকিৰ ৰচনা কৰি, লগতে দুই চাৰিটা আৰবী-পাৰ্চী ভাষা ব্যৱহাৰ কৰি জিকিৰৰ গাম্ভীৰ্য্যতা বঢ়াই থৈ গ'ল। আজান পীৰৰ প্ৰতিভাক ধন্যবাদ দিব লাগে যে তেখেতে বিদেশৰ পৰা আহি অসমত অসমীয়া ভাষা শিকি বিশুদ্ধ অসমীয়া ভাষাৰে জিকিৰ ৰচনা কৰি গ'ল। ধৰ্মৰ জটিল তত্ত্ববোৰ অবুজ আৰু অশিক্ষিত মানুহে সহজে মনত ৰাখিব আৰু কণ্ঠস্থ কৰিব পৰাকৈ আজান পীৰে তাক উক্ত পদেৰে সুৰ দি গাবলৈ আৰু শুনিবলৈ সুমধুৰ হোৱাকৈ কবিতা ৰচনা কৰি মুছলিম সমাজত প্ৰচাৰ কৰিলে। গতিকে আজান পীৰ আমাৰ মাজত এহাতে ধৰ্ম গুৰু আৰু আনফালেদি এজন ভাল সাহিত্যিক বুলিব পাৰি।

সেই সময়ত ৰজাৰ পৰাও বাধা পোৱাত তেনেকৈ তেওঁৰ দিনত মছজিদ আদি সজাৰ কথা নেপাওঁ, কিন্তু তেওঁ আজান দি যে মুছলিমসকলক নামাজ পঢ়িবলৈ আহ্বান কৰিছিল তাক তলৰ জিকিৰটোৰ পৰা জনা যায় :

কোকিলৰ ডাকৰ আগে সৰ্বলোক জাগে
কিবা বস্তু লৈয়া যাবা গুৰু জনৰ আগে
নামাজত তেৰ ফৰজ ছৰিয়তে কয়
ভিতৰত সাত ফৰজ বাহিৰত ছয়।

ওপৰৰ প্ৰথম দুশাৰীয়ে ফজৰ ( ৰাতিপুৱা ) নামাজৰ কথা কৈছে আৰু পিছৰ কেইশাৰীয়ে নামাজৰ নিয়ম প্ৰণালীৰ বিষয়ে কৈছে। ৰোজাৰ বিষয়ে কৈছে যে :

"নিয়ত ৰমজানৰ ৰোজা খোদায় যে থাটনি
মুমিন হৈ লৈবা জানি লৈবা বুকে বান্ধি।"

আজান পীৰে তেওঁৰ যাই উদ্দেশ্য ইছলামৰ গা-গছ ঠন ধৰি উঠাৰ বাবে প্ৰথমেই আজান পীৰে ইছলামৰ খাই শিপা কলিমাকে গুৰি ধৰি জিকিৰ ৰচনা কৰিলে। কাৰণ তেওঁ বুজিছিল শিপা মজবুত হ'লেই গছ নিজেই বঢ়াব। সেয়েহে জিকিৰত পোৱা যায় :

পূৰ্বে আয়ু পশ্চিমে বায়ু মধ্যত ব্ৰহ্মপুৰ
ক'ব লাগিছে হক্কৰ মুৰ্শিদে কলিমা
জিকিৰৰ মৰ
নেৰিবা কলিমা ধৰিবা কলিমা, কলিমা
ধৰমৰ গুৰি
একেটি কলিমাই ব্ৰহ্মাণ্ড ভেদিছে, চৰাই
হৈ উৰিছে দুৰি।
কলিমাহে ৰব কলিমাহে ভাৱ
আৰলে পয়দা হ'ল কলিমাহে আগ
( পৃথিৱীত সৃষ্টি হ'ল আগতে কলিমাহে )
কাৰণ কলিমাৰ অৰ্থ হ'ল — একমাত্ৰ আল্লাহৰ





বাহিৰে কোনো উপাস্য নাই আৰু হজৰত মোহাম্মদ আল্লাৰ প্ৰেৰিত ৰছুল ( দূত )। এই কলিমাৰ লগত মহাপুৰুষীয়া বা বৈষ্ণৱ ধৰ্মৰ মূল মন্ত্ৰও একে— 'এক দেৱ, এক সেৱ, এক বিনে নাই কেও।'

হজৰত আজান পীৰৰ যেতিয়া ইন্তেকাল হয়, তেতিয়া সবাগুৰি চাপৰিতে যে কবৰ দিয়া হৈছিল তাৰ কোনো প্ৰমাণ পোৱা নাই। কিন্তু ঠাইখিনিৰ মাহাত্ম্য আৰু কবৰ থকাত সেই ঠাইখিনিৰ ওচৰৰ মানুহৰ কোনো বিপদ-আপদ হ'লে চাকি, মম আদি জ্বলাই মানস কৰিলে ভাল ফল পায় বুলি সকলোৱে কয়। শিৱসাগৰত আজিও হজৰত আজান পীৰৰ দৰ্গাহলৈ যোৱা মানুহবিলাকৰ হাতত নানা বস্তু লৈ যোৱা দেখিবলৈ পোৱা যায়। তাত জাত ভেদৰ কথা নাই। সকলো ধৰ্মৰ মানুহেই মানিছে আৰু বিপদৰ পৰা মুক্ত হোৱাৰ কামনা কৰিছে।

জিকিৰৰ পদবিলাকৰ পৰা আজান চাহেবৰ কবিত্ব প্ৰতিভা, উচ্চ ধৰণৰ দাৰ্শনিক ভাৱ; ভাষাৰ গঢ় আদি সঁচাকৈয়ে শলাগিব লগীয়া। যদিও তেওঁৰ জিকিৰত ছন্দদোষ আছে, তথাপি সেইখিনি দোষিব নোৱাৰি— কাৰণ আন এখন দেশৰ পৰা আহি অসমত ভাষা আয়ত্ব কৰি; সেই ভাষাৰে জিকিৰ ৰচনা কৰোঁতে দোষ-ত্ৰুটি থকাটো একো আচৰিত নহয়। মাথোন তেওঁ সময় উপযোগীকৈ ৰচি গ'ল।

তেখেতে সকলো ধৰণৰ বিপদ-আপদ, শাস্তি আদিক আওকাণ কৰি জিকিৰৰ জৰিয়তে ইছলামৰ নাম গোন্ধ নথকা ঠাইত ইছলাম প্ৰচাৰ কৰিলে আৰু অসমীয়া সাহিত্য ভঁৰালৈ যাইকৈ অসমীয়া মুছলিম সমাজলৈ হজৰত আজান পীৰে যি দান দি থৈ গ'ল; তাৰ বাবে তেখেতৰ ওচৰত আমি সকলো ঋণী। অসমীয়া সাহিত্যত তেখেতে যি বন্তি জ্বলাই থৈ গ'ল, সি টিমিক-টামাককৈ হ'লেও চন্দ্ৰ-দিবাকৰ থাকে মানে থাকিব।

তলৰ জিকিৰটি আজান পীৰৰ :

মনুৱাই দূৰ কথা মনৰে বঢ়াই
একেজুপি বৃক্ষ দুনিয়া আলম জুৰিছে
চাৰিও ফালে চাৰিটা ডালহে
দৰখতৰ সৰু পাত অন্তু দোৱা লিখা তাত
বান্দাৰ নাম লিখি দিলে তাতহে
ভো-নদীৰ সাগৰতে পৰি তলে গলো
মাণিক পাবৰ আশাৰেহে
সাগৰো শুকাল মাণিকো লুকাল
মোৰ কপালৰ দোষহে
লৰালি কাল গ'ল হাঁহোতে ডেকা কালতে
ভাৰ্য্যাৰ সঙ্গতে
ভকতি কৰ কোন কালে হে খোদালৈ মনতে
নাইহে
সাগৰৰ জলতে কেনাই বন্দী হ'ল ধৰত বন্দি
হ'ল জীউহে
মাছক মাছে কৰে নিন্দা, ৰবালি হৈ
নিন্দিলে মোৰাকহে
পাটিৰ ভাৰ্য্যা হৈ স্বামীক নিন্দিলে, চৰাই
হৈ নিন্দা কৰে সজাহে
কোৰাণৰ সাৰ আনি এই জিকিৰ কৰিলে
কলিমাৰ নামত গুজিহে
এই জিকিৰ কৰিলে আজান নবীয়ে
আল্লালৈ ভৰসা কৰিছে। ০০০

# ॥ সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান ॥

স্বৰ্ণপ্ৰভা মহন্ত
স্নাতক ঃ প্ৰথম বাৰ্ষিক

পদ্মনাথ গোহাঞিবৰুৱা অসমীয়া সাহিত্য আকাশৰ উজ্জ্বল ভোটা তৰা। তেওঁৰ পদ্ম স্বৰূপ সাহিত্যৰাজিয়ে আজিও অসমীয়া সাহিত্য আৰু জাতিৰ মাজত সৌৰভ বিতৰণ কৰি আছে। পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ জন্ম হয় ১৮৭১ খৃষ্টাব্দত, উত্তৰ লক্ষীমপুৰৰ নকাৰী গাঁৱত। উত্তৰ লক্ষীমপুৰতে শিক্ষা জীৱন আৰম্ভ কৰি শিৱসাগৰৰ পৰা প্ৰৱেশিকা পৰীক্ষা কৃতিত্বৰে পাৰ হৈ কলিকতালৈ উচ্চ শিক্ষাৰ কাৰণে যায়। কলিকতাত থকা অৱস্থাত নিজৰ অধ্যয়নৰ উপৰিও 'আসাম বিলাসিনী', 'আসাম নিউচ' আৰু 'জোনাকী'ত বিভিন্ন প্ৰবন্ধ-পাতি লিখি প্ৰকাশ কৰিছিল। 'জোনাকী'ৰ পাছতে 'বিজুলী' কাকতৰ জন্ম হয়। ইয়াতেই তেওঁৰ পোন প্ৰথম উপন্যাস 'ভানুমতী' ছোৱা-ছোৱাকৈ প্ৰকাশ পায়। তেওঁৰ দ্বিতীয় উপন্যাস 'লাহৰী'ও প্ৰায় একে সময়তেই লিখি উলিয়াইছিল। নায়িকা প্ৰধান দুয়োখন উপন্যাসেই আহোম ৰাজত্বৰ শেষ স্তৰৰ ঐতিহাসিক ঘটনাৰ ওপৰত অৱলম্বন কৰি ৰচিত হ'লেও, ই সামাজিক উপন্যাসৰহে ৰূপ লৈছে। এই দুয়োখন উপন্যাসতেই পৱিত্ৰ প্ৰেমৰ আদৰ্শ ডাঙি ধৰা হৈছে। উপন্যাসৰ সৰল-সহজ ভাষা, বৰ্ণনা-ৰীতি, নাটকীয় সংলাপ আদিয়ে দুয়োখন উপন্যাসকেই অনুপম কৰি তুলিছে।

পদ্মনাথ গোহাঞিবৰুৱা এজন সু-প্ৰসিদ্ধ নাট্যকাৰ। গোহাঞিবৰুৱাদেৱে তিনি প্ৰকাৰৰ নাটক ৰচনা কৰিছিল। প্ৰথমবিধ হৈছে, বুৰঞ্জীমূলক। জয়মতী ( ১৯০০ ), গদাধৰ (১৯০৭ ), সাধনী ( ১৯১১ ) আৰু লাচিত বৰফুকন ( ১৯১৫ ) এই চাৰিখন নাটকেই হৈছে বুৰঞ্জী মূলক। যদিও নাটক কেইখন ঐতিহাসিক ঘটনাৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে, তথাপি ইয়াৰ মাজেদি গ্ৰাম্য জীৱন আৰু চৰিত্ৰাঙ্কন আদিৰ প্ৰকাশতহে নাট্যকাৰ সফল হৈছে। মহাসতী জয়মতীৰ পতি-ভক্তি আৰু ৰাজ্যৰ মঙ্গলৰ কাৰণে অসাধাৰণ আত্মত্যাগৰ কাহিনীকে কেন্দ্ৰ কৰি নাট্যকাৰে 'জয়মতী' নাটক লিখে। জয়মতীৰ আত্মদানৰ ফল স্বৰূপে তেওঁৰ স্বামী গদাপাণিয়ে গদাধৰ সিংহ নাম লৈ অসমৰ ৰাজ সিংহাসনত আৰোহন কৰে। ৰজা হৈ গদাধৰে সকলোবোৰ অন্যায়-অত্যাচাৰৰ অৱসান ঘটোৱাৰ সুফল ৰূপায়ণ কৰিছে গোহাঞিদেৱে তেওঁৰ 'গদাধৰ' নাটকত। চুতীয়া ৰজা নীতিপালৰ মহিষী সাধনী মহাসতীৰ অসামান্য পতিভক্তি, আত্মত্যাগ আৰু মনোবল সুন্দৰ ভাবে পৰিস্ফুটিত হৈছে নাট্যকাৰৰ 'সাধনী' নাটকত। 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি কৈ যি লাচিতে তৰোৱালেৰে মোমায়েকক দুছোৱা কৰিছিল, যি লাচিতে শৰাইঘাটৰ যুদ্ধত অসীম বীৰত্বৰে মোগল সেনাপতি ৰামসিংহক পৰাজিত কৰিছিল, সেই লাচিতৰ বীৰত্বপূৰ্ণ কাহিনীৰে গোহাঞিবৰুৱাদেৱে ১৯১৫ চনত 'লাচিত বৰফুকন' নাটক লিখে। তেওঁৰ 'বাণ ৰজা' নাটকখন পৌৰাণিক নাটক। ইয়াৰ আখ্যান ভাগ পুৰাণত আছে। ১৯৩২ চনত গোহাঞি বৰুৱাদেৱে পুৰাণত থকা কাহিনী ভাগৰ পৰাই 'বান ৰজা' নাটকখন ৰচনা কৰে।

গোহাঞিবৰুৱাদেৱৰ ধেমেলীয়া নাটক 'গাঁওবুঢ়া', 'টেটোন তামুলি' আৰু 'ভূত নে ভ্ৰমৰ' ভিতৰত 'গাঁওবুঢ়া'ই হৈছে উল্লেখযোগ্য। 'গাঁওবুঢ়া'ৰ চৰিত্ৰসমূহে বাস্তৱ আৰু জীৱন্ত ৰূপ লাভ কৰিছে। এই নাটকেইখনৰ মাজেদি নাট্যকাৰে গ্ৰাম্য জীৱনৰ চিত্ৰ আৰু গাৱঁলীয়া পৰিবেশ সুন্দৰ ভাৱে অঙ্কন কৰিছে। গোহাঞিবৰুৱাদেৱে কেৱল নাটক ৰচনা কৰিয়েই ক্ষান্ত নাছিল। তেওঁৰ অভিনয় প্ৰতিভাও আছিল। তেওঁ নিজে অভিনয় কৰাৰ উপৰিও আনকো অভিনয় কৰিবলৈ শিকাইছিল। তেজপুৰত থকা 'বাণ ৰঙ্গমঞ্চ' সাজি তাত আগ ভাগ লৈছিল।



সেই কাৰণেই তেওঁক নাট্য জগতৰ কৰ্ণধাৰ বুলি কোৱা হয়। তেজপুৰ বাসীয়ে আজিও তেওঁক 'নাট্য গুৰু' বুলি শ্ৰদ্ধা কৰি আছে।

গোহাঞিবৰুৱাদেৱ এগৰাকী বিশিষ্ট কবি। তেওঁৰ কবিতাৰ পুথি তিনিখন— 'লীলা', 'জুৰণি' আৰু 'ফুলৰ চানেকী'। প্ৰথম গৰাকী ভাৰ্য্যা লীলাৱতীৰ মৃত্যুৰ পাছত সাংসাৰিক, আধ্যাত্মিক, দাৰ্শনিক কাব্য কল্পনাৰ অনুপম সমাবেশৰে অমিত্ৰাক্ষৰ ছন্দত 'লীলা' নাম দি অসমীয়া খণ্ড কাব্য ৰচনা কৰে। তাৰ পাছত সন্তাপিত প্ৰাণ জুৰ কৰাৰ অভিপ্ৰায়েৰে অসমীয়া 'গীতি কবিতা' 'জুৰণি' লিখে। গোহাঞিবৰুৱা যে কবিত্ব প্ৰতিভাৰো অধিকাৰী, সেইটো গীতি-কবিতাই পৰিচয় ডাঙি ধৰে।

অসমীয়া সাহিত্যত তেওঁৰ আটাইতকৈ মূল্যৱান বৰঙনি হৈছে গদ্যৰাজি। অসমীয়া ভাষাৰ দুৰৱস্থাৰ সময়ত 'অসমত অসমীয়াহে দেশী ভাষা' সঙ্কল্প লৈ অসম বাসীৰ মাজত সেই ভাৱ দৃঢ়কৈ থাপিবলৈ অহোপুৰোষাৰ্থ কৰিছিল গোহাঞিদেৱে। তাৰ জলন্ত উদাহৰণ হৈছে বিভিন্ন বিষয়ত লিখা পঢ়াশলীয়া পাঠ্যপুথিসমূহ। ইয়াৰ দ্বাৰা 'অসমীয়া সাহিত্যত ওথ খাপৰ সাহিত্য নাই' বোলা অপবাদটো তেৱেঁই খণ্ডন কৰিবলৈ সক্ষম হৈছিল। গোহাঞিবৰুৱাদেৱে ইয়াৰ বাহিৰেও অসম বুৰঞ্জী, নীতি শিক্ষা আদি কিতাপো ৰচনা কৰে।

ভাটীবয়সত প্ৰণয়ন কৰা 'শ্ৰীকৃষ্ণ' আৰু 'গীতাসাৰ' দুয়োখন পুথিয়েই অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ। 'শ্ৰীকৃষ্ণ'ত শ্ৰীকৃষ্ণক লৌকিক ৰূপে পাঠকৰ হৃদয়গ্ৰাহী কৰি বৰ্ণোৱা

হৈছে। আনখন পুথি হৈছে— 'গীতাসাৰ'। 'গীতা'ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া নানান উপদেশ আছে। এই 'গীতা'ৰ পৰাই সাৰ কথা কিছুমান গোটাই 'গীতাসাৰ' ৰচনা কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে 'গীতাসাৰ' সম্পৰ্কে কৈছিল: "গোহাঞিবৰুৱাৰ এইটি মৌচাক। অসমীয়াই ইয়াৰ পৰা আনন্দৰে মৌ পান কৰক। গোহাঞিবৰুৱা 'শ্ৰীকৃষ্ণ' কিতাপ প্ৰণেতা। শ্ৰীকৃষ্ণৰ মুখৰ বাণী, গীতাসাৰ গোটাই তেওঁ 'গীতাসাৰ' ৰচনা কৰিছে। সুবুদ্ধিসকলে সন্তোষে পান কৰক! গোহাঞিবৰুৱাৰ ভাষা বিতোপন, পাঠ সুশোভন, ব্যাখ্যা সুগম, প্ৰণালী সুঠাম।"

গোহাঞিবৰুৱাদেৱে কেইবাখনো আলোচনী প্ৰকাশ কৰে। এই আলোচনীসমূহত প্ৰকাশিত হোৱা তেওঁৰ বিভিন্ন লিখনি আৰু অসম সাহিত্য সভাৰ সভাপতি পদৰ পৰা দিয়া অভিভাষণসমূহ অসমীয়া সাহিত্যৰ বহু মূল্যবান সম্পদ। ১৯ বছৰ বয়সৰে পৰা ৭৫ বছৰ বয়সলৈকে একেৰাহে প্ৰায় তিনিকুৰি বছৰে গোহাঞিবৰুৱাই কাব্য, উপন্যাস, কবিতা আদিৰে অসমীয়া সাহিত্যৰ ভাণ্ডাৰ পৰিপুষ্ট কৰি থৈ গ'ল। গোহাঞিবৰুৱাদেৱৰ ৰচনাৱলীৰ ভাষা মধুৰ আৰু প্ৰাঞ্জল, প্ৰকাশ-ভঙ্গী নিৰ্ভীক, বিষয় চিত্তাকৰ্ষক আৰু দিগন্ত ব্যাপি ভাৱৰ বুৰ-বুৰণি। তেওঁ প্ৰায় ৪৮ খন জ্ঞান বসেৰে ভৰপূৰ সৰু বৰ কিতাপ লিখে। তেওঁ আছিল একাধাৰে শিক্ষক, সুবক্তা, স্বদেশপ্ৰেমিক, সাংবাদিক, কবি, নাট্যকাৰ আৰু যে কত কি! একেজন লোকৰ গাতেই ইমানবোৰ গুণ থকাটো সঁচাকৈ যুগৰ এজন মহাপুৰুষ বুলি ক'ব পাৰি। এনে এজন মহাপুৰুষৰে জীৱন শলিতা চিৰকাললৈ নিৰ্বাপিত হ'ল ১৯৪৬ চনৰ ২১ আগষ্টৰ দিনা। থাকি গ'ল অসমৰ চৌপাশে তেওঁৰ বহুমূলীয়া সম্পদৰাজি। সেই সম্পদ স্বৰূপ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যৰ ভাণ্ডাৰ বহু পৰিমাণে সমৃদ্ধিশালী কৰি তুলিছে। তেওঁ অসমী আইৰ সু-সন্তান। ভাষা-জননীৰ এজন অক্লান্ত সেৱক।

গোহাঞিবৰুৱা আজি আমাৰ মাজত নাই। নিষ্ঠুৰ কালে তেওঁক আমাৰ পৰা কাঢ়ি লৈ গ'ল। তেওঁৰ অমৰ লিখনিসমূহ অসম বাসীৰ গৌৰৱৰ বস্তু। যি লিখনিৰ আদৰ্শৰে অসমসন্তানসকল সাহিত্যৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। গোহাঞিবৰুৱাৰ আদৰ্শৰে আমিও যাতে ভাষা-জননীৰ পূজাৰী হ'ব পাৰোঁ!

"চিৰ চেনেহী মোৰ ভাষা জননী
হে আই ধন্যে পুন্য হৃৎ পাৱনী।" ০০০

( প্ৰবন্ধটি যুগুত কৰোতে 'জীৱনী সংগ্ৰহ' আৰু 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সহায় লোৱা হৈছে। )

# কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ অঙ্কিত ছবি

দীপিকা বেজবৰুৱা
প্ৰাক বিশ্ববিদ্যালয় : দ্বিতীয় বাৰ্ষিক

ছবিঅঁকাৰ ক্ষেত্ৰত ৰবীন্দ্ৰনাথ ঠাকুৰে যি কয় তাৰে কেইটামান অংশ ইয়াত সঙ্কলন কৰিলে, তেখেতৰ ছবিসমূহ বুজিবলৈ যে সুবিধা হ'ব, তাত সন্দেহ নাই। তেখেতে কৈছিল:

"People often ask me about the meaning of my pictures are. It is for them to express, and not to explain. They have nothing ulterior behind their own appearace carries its ultimate worth-ther they remain, otherwise they are rejected and forgotten even though they may have some scientific truth or ethical justification."

( অৰ্থ— "মোৰ ছবিসমূহৰ অৰ্থ কি বহুতে প্ৰায়েই মোক সোধে। মোৰ ছবি যি দৰে নীৰৱ, মইও তেনে। ভাৱ ব্যক্ত কৰাই হ'ল তেওঁলোকৰ কাম, ব্যাখ্যা নহয়। অভিব্যক্ত ৰূপৰ পাছত কি আছে যে, চিন্তাৰে বিচাৰিব লাগিব, ভাষাৰে ক'ব লাগিব। ৰূপৰ সাৰ্থকতা যদি ৰূপত ফুটি উঠে, তেন্তে ছবিসমূহ থাকিব, নহ'লে বিজ্ঞানৰ কোনো তথ্য বা সত্য নিহিত, নৈতিক কোনো যুক্তি-যুক্ততা, একে কোনো কাৰণেই এওঁলোকৰ ( ছবিসমূহৰ ) স্থায়ীত্বৰ কথা নাই।"

ৰবীন্দ্ৰনাথৰ ছবি অঁকাৰ সন্ধানত দেখিবলৈ পোৱা যায় যে— ডেকা বয়সৰ পৰাই এইদিশত তেখেতৰ আগ্ৰহ আৰু কৌতূহল আছিল যদিও প্ৰায় সত্তৰ বছৰ বয়সৰ পৰা তেখেতৰ একাগ্ৰ চেষ্টাৰ সূচনা হয়।

কবিতাৰ বহীত বৰ্জিত ছত্ৰ বা স্তবকসমূহ নানাৰূপত অঁাকি বাকি ৰেখাত নানা ধৰণে চিঁয়াহী বুলাই বিলুপ্ত বা অৱগুণ্ঠিত কৰা তেখেতৰ অভ্যাস আছিল। এসময়ত তেখেতৰ ভাব হ'ল বহীৰ পাতত এনে ধৰণৰ বৰ্জিত অংশসমূহ বেলেগ বেলেগ অথবা সংযুক্ত ভাৱে বা অলপ কাৰুকাৰ্য্য কৰিলেই কোনোটোৱে ফুল, কোনোটোৱেই চৰাই, বা অপৰিচিত অদ্ভুত প্ৰাণীৰ ৰূপ যেন জীৱন্ত হৈ উঠিব খুজিছে। এই অস্পষ্ট ভাৱসমূহ স্পষ্ট নোহোৱালৈকে শিল্পী হিচাবে, তেখেতৰ বেহাই নাছিল। ভাৱৰ প্ৰকাশ সাধন, তেখেতৰ গোটেই জীৱনৰ সাধনা আৰু সিদ্ধি। এই ক্ষেত্ৰতো অপৰিচ্ছন্ন অসম্পূৰ্ণতা তেখেতৰ পক্ষে সহ্যাতীত। ইয়াৰ ফলস্বৰূপে অস্পষ্ট ৰূপ নিৰূপণত ক্ৰমে ৰবীন্দ্ৰনাথ ঠাকুৰ

আকৃষ্ট হ'ল আৰু ৰঙ, তুলিকাৰে ছবিআঁকা আৰম্ভ কৰে।

**বৈশিষ্ট্য :** অব্যৰ্থ ছন্দৰ নিজস্ব প্ৰাণ আছে। ৰবীন্দ্ৰনাথ ঠাকুৰে যিবোৰ ছবি আঁকিছে তাৰ ছন্দ, প্ৰাণ স্পন্দন এনে প্ৰবল আৰু আকৰ্ষণীয় যে— এই যুগৰ খ্যাতিমন্ত শ্ৰেষ্ঠ শিল্পীসকলৰ ৰূপকীৰ্তিও তেখেতৰ কাষৰ নিষ্প্ৰভ নিষ্প্ৰাণ যেন ভাৱ হয়।

ৰবীন্দ্ৰ চিত্ৰকলাত যদি আন কোনো গুণ নাথাকিলহেঁতেন, কেৱল এই প্ৰাণ শক্তিৰ বাবেই এই চিত্ৰসমূহৰ পৰা চকু আঁতৰোৱা অসম্ভৱ।

যেতিয়াই তেখেতে ছবি আঁকিব বহিছিল, বিমূৰ্ত ভাৱৰ অনুভূতি মনত জাগৃত হৈছে আৰু অনুভূতিৰ প্ৰকাশে আপোনা-আপোনি ৰূপ লৈছে কাগজৰ বুকুত।

পাঁচোটা উপায় আৰু উপলক্ষৰ ফলত ছবি হয়। প্ৰথম— বিষয়-বস্তু। দ্বিতীয়— কৰ্ম-কৌশল। তৃতীয়— চিত্ৰৰ অংশ সংযোজন তথা ভাৰসাম্য। চতুৰ্থ— ছবিৰ বৈশিষ্ট্য উদ্ভূত বিশেষ সুষমা আৰু পঞ্চমত— প্ৰাণছন্দ।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ বৈশিষ্ট্য হ'ল— মনত ধাৰণাই গঢ় নো লওঁতেই কাৰ্যত তাৰেই ৰূপ ৰচনা আৰম্ভ হয়। ছবিৰ ক্ষেত্ৰত যি পাঁচোটা উপাদানৰ প্ৰয়োজন তেখেতৰ সকলো ছবিত উপাদানসমূহ অঙ্গীকৃত, সমন্বিত আৰু অদ্ভুত ভাৱে প্ৰাণস্পন্দিত।

জাৰ্মানিত প্ৰস্তুত বিচিত্ৰ ৰঙৰ এক প্ৰকাৰৰ চিয়াহী তেখেতৰ প্ৰিয় আছিল। ইউৰোপত প্ৰথম ৰবীন্দ্ৰ চিত্ৰ প্ৰদৰ্শনীৰ ব্যৱস্থা হওঁতে এই বিচিত্ৰ আৰু উজ্জ্বল ৰঙৰ ব্যৱস্থাৰ এক বিমুগ্ধ বিষয় হৈ উঠিছিল।

তাৰউপৰি ৰবীন্দ্ৰনাথ ঠাকুৰৰ বৰ্ণ ৰুচি এনে অভ্ৰান্ত আছিল যে— তাৰ প্ৰতি দুৰ্বলতা দেখা নাযায়।

বিভিন্ন ছবিত কোনো কোনো ক্ষেত্ৰত দুটা উগ্ৰ ৰঙ তেখেতে ব্যৱহাৰ কৰিছে। যেনে— অতি উজ্জ্বল নীল ৰঙৰ কাষত গভীৰ ক'লা। অথচ প্ৰয়োগ নৈপুণ্যৰ ফলত প্ৰতিখনেই অপূৰ্ব।

(প্ৰবন্ধ-পাতিৰ সহায়ত।)

> "যদি আমি সঁচাকৈয়ে অসমীয়া ভাষাৰ উন্নতি কৰিব খুজিছোঁ, তেনেহ'লে তাৰ বৰ্তমান হীন অৱস্থা দূৰ কৰিব লাগিব। তাকে কৰিবলৈ হ'লে আমাৰ দেশত শিক্ষিতলোকসকলে কোনো লাভৰ আশা নকৰাকৈ মাতৃভাষাৰ সেৱা ব্ৰত কৰিব লাগিব। জাতীয় স্বাৰ্থৰ ওচৰত নিজৰ স্বাৰ্থ বলিদান কৰিব লাগিব। বলিদানৰ বাহিৰে কেতিয়াও কোনো যজ্ঞ সম্পাদন কৰিব নোৱাৰি।"
>
> —শ্ৰীহেমচন্দ্ৰ গোস্বামী

# বিহুগীতত সামাজিক সংহতি

বেণু শৰ্মা
স্নাতক : দ্বিতীয় বাৰ্ষিক

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎস। অতি চেনেহৰ বহাগৰ বিহুটি অসমীয়াৰ মনৰ, প্ৰাণৰ, হেঁপাহৰ, আদৰৰ উৎসৱ। ভেবেলি লতা ফুলা বতৰ পালে গাত বিহুৰ দেওধ্বনি উঠে, উজুটিত যঁতৰ ভাঙি গাভৰু গৈ ফুলপানী ছিগা পায়গৈ। গীত আৰু বাদ্যৰ মূৰ্ছনাত প্ৰকৃতিও চঞ্চল হৈ উঠে। কৃষিজীৱি সমাজৰ মানুহে বসন্ত কালৰ সময়ছোৱাত ঢোল, পেঁপা, টকা, গগণা লৈ হিয়াভৰি উদিয়াই আনন্দ প্ৰকাশ কৰে — সেয়ে বিহু।

প্ৰকৃতিৰ চক্ৰ চিৰদিন ঘূৰি আছে আৰু তাত আমি সামাজিক মানুহ চিৰদিন ঘূৰি আছো। অসমৰ বিশাল মুকলি পথাৰত থকা বৰগছৰ তলত প্ৰাকৃতিক সৌন্দৰ্য্যৰ নিজান ঠাইত অনন্ত আকাশৰ তলত বিহুতলী। ব্ৰহ্মপুত্ৰৰ বালি চাপৰিৰ বিৰিণাৰ আঁৰত বিহু নাচৰ লুইত পৰীয়া অসমীয়াৰ বিহু। এই লুইতপৰীয়া বিহু উৎসৱৰ মাজতে আছে আবেগ-অনুভূতি, বিৰহ-মিলন, হাবি-বননিৰ বনৰীয়া ফুলৰ বৰ্ণনা, লুইতৰ পাৰ ভাঙি অহা প্ৰলয়ঙ্কৰ বানপানীৰ আৰু অসমৰ মাজত ধৰ্মৰ, জনশ্ৰুতি কাহিনীৰে পৰিপূৰ্ণ সৰ্বজন বিদিত বিহুগীত।

বিহুগীত উদ্দাম যৌৱনৰ গীতিব্যঞ্জক অভিব্যক্তিযুক্ত পৰিবেশ, উন্মুক্ত আবেগ আৰু বহল উকঙা পথাৰখনৰ প্ৰতিধ্বনিবোৰতেই বিহু-গীতৰ জন্ম। যৌৱন জীৱনৰ কঠিয়াতলী অযুত আশাৰ নিযুত বাসনাই ভুমুকি মাৰে যৌৱনৰ দুৱাৰদলিত। ফাগুনৰ ফাগুনী পছোৱা আহি শীতৰ শেতেলিত শুই থকা প্ৰকৃতিক জগাই দিয়ে, লগে লগে সাৰ পাই উঠে জনজীৱনৰ আদিম প্ৰবৃত্তিটো। লগে লগে ন-পানী বাঢ়ে, পুথিমাছেও সেন্দুৰ পিন্ধে। এইদৰে পৰিবেশ আৰু প্ৰকৃতিয়ে সন্ধান দিয়ে এখন নতুন পৃথিবীৰ তেতিয়াই ভাবাবেগ অনুভূতিসমূহ কাব্যিক ৰূপত প্ৰকাশ পায়।

তিনিহাজাৰতকৈও অধিক হুলভৰী ছন্দত ৰচিত চাৰিশৰীয়া আদি ৰসাত্মক, প্ৰকৃতিৰ বৰ্ণনামূলক আৰু আনন্দ প্ৰকাশক 'বিহুগীত' ৰঙালী বিহুত পৰিবেশন কৰা হয়। সাহিত্যিক মূল্যৰ ফালৰ পৰাও বিহুগীতবিলাক অনবদ্য। বিভিন্ন প্ৰতীক, উপমা, ৰূপক, কল্পচিত্ৰ আৰু অন্যান্য অলঙ্কাৰেৰে বিহুগীতবিলাক সমৃদ্ধ। এই বিহুগীতেই লুইতপৰীয় অসমীয়াৰ হৃদয়তন্ত্ৰীত

আলোড়ন তোলা বিহুগীত ভৌগোলিক সীমা চেৰাই যোৱাত বাহিৰৰ মানুহক প্ৰমাণ কৰি দেখুৱাই দিলে যে চাহ, তেল আৰু এৰিণ্ডীয়া গড়ৰ বাবেই অসম দেশখন লৱলগীয়া নহয়।

ৰঙালী বিহুৱেই উত্তৰ-পূব ভাৰতৰ একমাত্ৰ বৃহৎ উৎসৱ, য'ত জাতি-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে বিনা দ্বিধাই অংশ গ্ৰহণ কৰিব পাৰে। আমাৰ দেশৰ ধৰ্মনিৰপেক্ষতাৰ আদৰ্শৰ সফল ৰূপায়ণত ৰঙালী বিহুৰ ৰৰঙনি অপৰিসীম। সেয়েহে :

"চ'তে গ'ই গ'ই বহাগে পালেহি
ফুলিলে ভেবেলি লতা ;
কৈনো কৈ থাকিলে গুৰুকে নপৰে
বহাগৰ বিহুৰে কথা।"

সময়ৰ চকৰি ঘূৰে, সমাজৰ পৰিৱেশো সলনি হয়। এশ বছৰ বা তাতোকৈ আগৰ সমাজত শিক্ষাৰ চকাচন্দা পোহৰ পোৱা আভিজাত্য বা আঁৰ-বেৰ নাছিল। 'চ'ত গ'ল জীয়ৰী মুকলি হ'ল।' বছৰেকত বিহুত শালৰ হাতীও মুকলি হয়; ডেকা গাভৰুৰ কথাই নাই। যৌৱনৰ বিহু আছিল চিৰ জীৱনৰ বাবে— জাত-পাতৰ বিচাৰ নোহোৱাকৈ লগৰী বিচাৰি লোৱাৰ উপযুক্ত সময়।

তোমাৰ বাৰীতে কলপাত কাটিলোঁ
আগলি আগলি চাই ;
বিহুৰ তলিতে তোমাক বাছি ললোঁ
কৰকাল খামুচীয়া পাই।

বিহু গণতান্ত্ৰিক উৎসৱ। উত্তৰ-পূব ভাৰতৰ জাতি-ধৰ্ম নিৰ্বিশেষে পালন কৰা ই এটা সৰলতা আৰু স্বচ্ছতা পূৰ্ণ উৎসৱ। বিহু অহাৰ লগে লগে গা সাতখন আঠখন নকৰা অসমীয়া নাই। বৰ্তমান যুগত গছৰ তলৰ বিহু মঞ্চ উঠিল। কৃষিকেন্দ্ৰিক বিহুত শিল্পৰ বোল লাগিল। প্ৰেম-পীৰিতিৰ আবেগ উচ্ছ্বাসেৰে ভাৱাক্ৰান্ত বিহুৰ গীত-মাতত লুইত পৰীয়া জনজীৱনৰ ৰাজহাড় কঁপোৱা ঘটনাবোৰৰ চাপ পৰা স্বত্তেও আজিৰ প্ৰগতিৰ ৰাজআলীত থিয় দিয়া অসমীয়াই বিহু উৎসৱক উলাই কৰিব পৰা নাই আৰু নোৱাৰেও, কিয়নো :

ধাননি ধাননি নেযাবি কাঞ্চনী
ধানৰ পাতে কাটিব গা ;
বড়ৰে তলতে বিহুতলী পাতিছে
বিহু মাৰিবলৈ যা।

আদিম কৃষিজীৱি সমাজৰ লোকবিশ্বাস আজিৰ বৈজ্ঞানিক প্ৰমাণিত। সঙ্গীতৰ প্ৰভাৱত ধান খেতিৰ উৎপাদন বৃদ্ধি পায়। এইটো কৃষি শক্তিকাৰ পৰীক্ষালব্ধ বৈজ্ঞানিক সত্য। আদিম কৃষিজীৱি মানুহে এই তথ্য প্ৰকৃতিৰ পৰা পাইছিল আৰু আহুধানৰ বতৰটোত ঢোল-পেপা-গগনাৰে বিহু পাতি আহুধানৰ উৎপাদন বৃদ্ধি কৰিছিল। বসন্তৰ পৰশ লাগি উন্মনা হোৱা প্ৰাকৃতিক পৰিৱেশৰ লগত সুৰ মিলাই হিয়া উদিয়াই আনন্দ প্ৰকাশ কৰিছিল— ডেকা-গাভৰুৰ নাচোনেৰে পৃথিৱী শস্যসম্ভৰা হৈ উঠিছিল আৰু খেতিয়কৰ আশাৰ, হেঁপাহৰ ধানমুঠি সোণ জিলিকাদি জিলিকি উঠিছিল :

তুমি কৰি যোৱা খোৱনী দাৱনী
মইনো বাই যাম হাল ;
তুমি লগাই যাবা বিতলৈ বিহুৱান
মইনো পাতি দিম শাল।



ৰঙালী বিহুৰ আগমনৰ লগে লগে প্ৰকৃতিও মতলীয়া হয়। মতলীয়া প্ৰকৃতিক অভিবাদন জনাবৰ উদ্দেশ্যেই মানৱ সমাজ হৈ পৰে বিহুৱলীয়া। আনন্দ প্ৰকাশ কৰি নিজ আশীৰ্বাদ হিয়া উদিয়াই দিয়ে আৰু খুজিও লয়। হুঁচৰি আহিলে গৃহস্থই শ্ৰদ্ধা আৰু ভক্তিৰে হিয়াঁ উদিয়াই দিয়া শৰাইখন গ্ৰহণ কৰি হুঁচৰিয়ে 'কুশল কামনা'ৰে আশীৰ্বাদ দিয়ে :

এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতৰিয়া শাক;
মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ
চেনাই তই কুশলে থাক।

সংস্কৃতিৰ পৰিবৰ্তন আৱশ্যম্ভাৱী। কিন্তু সভ্যতাই হওঁক বা সংস্কৃতিয়েই হওঁক ই অৰ্থনীতিৰ প্ৰভাৱৰ দ্বাৰাও অনুভূত হয়। আমাৰ অসমত নতুন ধৰণৰ অৰ্থনীতি, শিল্প, বাণিজ্যৰ, যোগাযোগ ইত্যাদিৰ পোখা মেলে বৃটিছ যুগৰ আৰম্ভণিৰ পৰা। এইবোৰৰ প্ৰভাৱত সৃষ্টি হ'ল বিহুগীতৰ; তাৰ ফলত প্ৰভাৱ পৰিল জাতীয় সংস্কৃতিত। লুইতৰ বুকুৰেদি ধোঁৱা উৰুৱাই বৃটিছৰ জাহাজ শব্দ কৰি আহিবলৈ ধৰিলে। সেয়েহে বিহুগীতটো আমি পাওঁ :

"উজাই গুমে গুমাই
কোম্পানীৰ জাহাজ ঐ
উজাই গুমে গুমাই গোৱা
বুকু চমে চমায়, মন কুকলিয়াই
গাভৰু হ'বৰে পৰা।"

অসমৰ প্ৰকৃতিয়ে তেল আৰু কয়লা গোপনে ৰাখিলে। তাকো উদ্ধাৰ কৰিবৰ বাবে উকিয়াই উকিয়াই ৰেলগাড়ী আহিল। তেনে সময়তে কোনোবা প্ৰেমিকে খেতি পথাৰৰ বুকু ফালি যোৱা লোৰ চিৰিপতা আলিবাট গছকি যাওঁতে গাইছিল :

ৰেলৰ আলি ছুৱৰি বন ঐ লাহৰী
ৰেলৰ আলিৰ ছুৱৰি বন ;
ৰাখিব পাৰোঁ মই, হাতেৰে পানী চলু
ৰাখিব নোৱাৰোঁ মন।

হাবিয়নি অসমত ফুলনি সদৃশ চাহ বাগিচাই ঠন ধৰি উঠিল। তাৰ লগে লগে চিচিমুখৰ কলঘৰৰ দুৱাৰ মুকলি হ'ল। চাহ বাগিচাৰ বনুৱাসকলৰ মন বিহুৰ লগে লগে আনন্দত উত্ৰাৱল। প্ৰকৃতিৰ লগত ফেৰ মাৰি চাহ বাগিচাৰ মজদুৰ ভাইসকলেও আৰম্ভ কৰিলে :

উজাই আহিলে বাগিচাৰ চাহাবটি
চেৰাপ খাই পেলালে চিচা;
অনেক ধন-বস্তু কেলেই লাগিছে
ছোৱালী নহ'লে মিছা।

কানি ৰৰবিহে একালত অসমৰ ৰাইজক তিল তিলকৈ মৃত্যুৰ গৰাহলৈ ঠেলি দিছিল। কানি পাণ কৰা মানুহৰ প্ৰতি কোনো লোকৰে শ্ৰদ্ধা থাকিব নোৱাৰে। এনে বদ অভ্যাসক শুভাকাংক্ষীসকলে বিহুগীতৰ দ্বাৰাই তৎকালেই সঁকিয়াই দিয়ে :

কানিয়ালৈ নাযাবি, কানি দিব লাগিব
বাতি দিব লাগিব সাজি ;
কানি তিতা মাৰোঁতে, পিঠা দিব লাগিব
তাকো দিব লাগিব ভাজি।

অসমৰ সমাজক কানিয়ে ৰৰবিহৰ দৰে যদিও খুলি খুলি খাইছিল, তথাপি এই বিহুগীতৰ দ্বাৰাই মনৰ দুৰ্বলতাক প্ৰশ্ৰয় দিয়া

নাছিল।

দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। ভাৰতীয় মুক্তি সংগ্ৰামে নিষ্ঠুৰ সাম্ৰাজ্যবাদী স্বামীৰ সৈতে আৰম্ভ কৰিলে গুপ্ত প্ৰণয়, কোনোৱে কৰিলে অধীনতামূলক সন্ধি। কিন্তু অহিংসাৰ ভিত্তিত মুক্তি সংগ্ৰামত ঢোলত চাপৰ মাৰি গাইছিল :

মুকুতি মহাৰণ, বাপুজীয়ে কৰে পণ ;
সুতা কাটি আনি দিব, স্বাধীনতা মহাধন।

বছৰে বাগৰ সলালে। তাৰ লগে লগে বিহুৰ গীত-মাতবোৰে আহিল নতুনৰ পৰশ। যিহেতু, অলক্ষিতে ইয়াৰ মাজত তেল-গেচৰ গোন্ধও সোমাই পৰিল, তথাপি বিহুগীতৰ সামাজিক সংহতিত 'গণতান্ত্ৰিক' ভাব নিশ্চয় আছে। যিহেতু স্বৰ্গদেওসকলৰ পৃষ্ঠপোষকতাত সম্ভৱতঃ বিহু উৎসৱে নগা, ডফলা, মিৰি, মিকিৰ জাতিৰ মাজতো বিস্তৃতি লাভ কৰি পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ যোগসূত্ৰৰূপে পৰিগণিত হয় :

নগাৰ চাঙতে পেঁপাটি বাজিলে
ডফলাই ধৰিলে টকা ;
লৰা বুঢ়া ডেকা ৰঙতে বলিয়া
অসমৰ বিহুৱা ডেকা।

প্ৰকৃতাৰ্থত সাহিত্যই যদি মনৰ দাপোণ হয়, তেন্তে বিহুগীতবোৰত আদিম সমাজৰ মুক্ত মননশীলতাৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। চেনেৰি-বেনেৰি হৈ থকা বিহুগীতবোৰ লেচেৰি বুটলি আনি পুঁপাই থোৱা হৈছে, ইয়াৰ সহায়ত ব্যাপক গৱেষণাৰ বাট মুকলি হয়। জৱহৰলাল নেহেৰুৱে কৈছিল : "মাজনিশাৰ লগে লগে পৃথিৱীয়ে যেতিয়া নিতাল মাৰিব, তেতিয়াই ভাৰতবৰ্ষৰ স্বাধীনতাই সাৰ পাই সঞ্জীৱিত হৈ উঠিব।" ঠিক সেই একে ভাষাত বাস্তৱতাৰ ফালৰ পৰা আমিও ক'ব খোজো যে যেতিয়াই আমাৰ জাতীয় সংহতিত বাধা উপজিব, তেতিয়াই উন্মুক্ত আবেগ আৰু বহল উকণ্ঠা পথাৰৰ প্ৰতিধ্বনিৰ স্বাক্ষৰ বহন কৰোঁতা এই বিহুগীতবোৰেই স্বভাৱ কবি অসমীয়া ডেকা-গাভৰুৰ স্বতঃস্ফুৰ্ত্ত অভিব্যক্তিৰূপে সোঁৱৰাই দিব। ০০০

> "ব্যাকৰণ অভিধান নাথাকিলে, ভাষা আৰু সাহিত্য হেঙাৰডি মেলা গৰুৰ দৰে হ'ব আৰু সেই ভাষাৰ উপদ্ৰৱত কাৰো টাটি-চকোৱা এখনো নাথাকিব। সকলোতে এটা বিবেচনাৰে সৈতে, সংযম আৰু বিচাৰেৰে সৈতে বিধি-নিষেধৰ নিয়ম থকা ভাল, সাহিত্য আৰু ভাষাতো। .........কিন্তু সেই বুলি সেই নিয়ম কটকটীয়া ডাঙৰ শিকলি কোৰাটো অযুগুত, হলেই মৰণ। সাহিত্যত উচ্ছৃঙ্খলতা যেনেকৈ দোষৰ কথা, "মোক নুছুবি মোক নুছুবি" কৰাটো দোষৰ কথা।"
>
> —লক্ষ্মীনাথ বেজবৰুৱা

# প্ৰকৃত মিত্ৰতা

সন্ধ্যা শৰ্মা
স্নাতক : প্ৰথম বাৰ্ষিক

"একাকী বাদল বো জেতে
একাকী ৰবি জলতে ৰহতে।

বাস্তৱতে অকলশৰীয়া জীৱন হৈছে বিধাতাৰ অভিশাপ। এই অভিশাপৰ দ্বাৰা বিকল হৈ মনুষ্যে কেতিয়াবা আত্মহত্যা কৰিবলৈকো প্ৰস্তুত হয়। সামাজিক প্ৰাণী বাবে তেওঁলোকে সমাজত থাকিব বিচাৰে, ভাৱনাৰ আদান-প্ৰদান কৰিব বিচাৰে। নিজৰ সুখ-দুখৰ সমভাগী কৰিবলৈ বিচাৰে। পৰিয়ালৰ সকলো সম্বন্ধীয় থকা স্বত্বেও তেওঁলোকক এজন ব্যক্তিৰ আৱশ্যক হয়, যাক হিয়া উবুৰিয়াই সকলো কথা ক'ব পাৰে। পৰিয়ালৰ সদস্যসকলৰ মাজতো সীমা আছে। কিছুমান এনে কথা যি কেৱল পিতৃক ক'ব পাৰি, কিছুমান এনে কথা যি কেৱল মাতৃক ক'ব পাৰি, কিছুমান কথা ভাই-ভনীক ক'ব পৰা যায়, কিছুমান কথা পত্নীৰ পৰা পৰামৰ্শ ল'ব পাৰি আৰু কিছুমান কথা আন বয়োবৃদ্ধ সদস্যক। কিন্তু এই সকলোবোৰ কথা লাগিলে ভালেই হওঁক বা বেয়াই হওঁক, গুণ হওঁক বা অৱগুণ হওঁক, হিত হওঁক বা অহিত হওঁক, কল্যাণৰ হওঁক বা বিনাশৰ হওঁক, উত্থানৰ হওঁক বা পতনৰ হওঁক, উৎকৰ্ষৰ হওঁক বা অপকৰ্ষৰ হওঁক, যদি কোনো ব্যক্তিক অন্তৰ খুলি ক'ব পৰা যায় তেন্তে কেৱল মিত্ৰকহে। মিত্ৰৰ অভাৱত মনুষ্যই কিবা হেৰোৱা যেন অনুভৱ কৰে, কাক নিজৰ সুখ-দুখৰ কথা ক'ব, কাৰ ওচৰত তেওঁ হৃদয়ৰ বাৰ্দ্ধোন মোকলাব ? নিজৰ মনোবিনোদ আৰু হাস-পৰিহাসৰ সময়ক তেওঁ কাৰ লগত কটাব, বিপত্তিৰ সময়ত তেওঁ কাৰ সহায়ত সত্য পৰামৰ্শ ল'ব আৰু সহানুভূতি প্ৰাপ্ত কৰিব ? নিজক ৰক্ষাৰ বোজা তেওঁ কাৰ ওপৰত জাপিব ? কাৰণ মিত্ৰৰ ৰক্ষা, উন্নতি-উত্থান এই সকলোবিলাক এজন সন্মিত্ৰৰ ওপৰত আধাৰিত। যিদৰে মনুষ্যৰ দুয়োখন হাতে শৰীৰক সকলো সময়তে ৰক্ষা কৰি আছে ; তাক কোৱাৰ কোনো প্ৰয়োজন নাই আৰু শৰীৰেও ক'ব নালাগে যে— মই যেতিয়া পৃথিৱীত পৰিমগৈ, তুমি মোৰ আগত যাবা আৰু মোক ৰক্ষা কৰিবা ; তথাপিও ই এটা সৎ মিত্ৰৰ দৰে শৰীৰৰ ৰক্ষাৰ বাবে সদায় সংলগ্ন হৈ থাকে। এইদৰে যদি আমি চকুৰ পটালৈ লক্ষ্য কৰোঁ, তেন্তে দেখা পাওঁ যে— চকুত এটা ধূলিকণাও সোমালে ই তৎক্ষণাত চকু জপাই মিত্ৰক ৰক্ষা

ক্ষা কৰে। প্ৰত্যেক বিপদৰ পৰা নিজৰ মিত্ৰ চকুক ৰক্ষা কৰে। এইদৰে এজন প্ৰকৃত মিত্ৰও নোকোৱাকৈ মিত্ৰৰ সদায় হিত চিন্তা কৰে। কোৱা হয় যে:

"কৰাবিৱ শৰীৰস্য নেত্ৰয়োৰিৱ পক্ষ্মাণি,
অবিচাৰ্য্য প্ৰিয়ং কুৰ্য্যাত্ তন্মিত্ৰং,
মিত্ৰমুচ্যতে।"

যি ব্যক্তি জীৱনৰ ইমান মহান হিতসাধক তেওঁৰ আৱশ্যকতা আৰু মহত্বৰ বিষয়ে কি কোৱা যাব? তেওঁৰ জীৱন এনে অমূল্য নিধি যাৰ অবিহনে মনুষ্যৰ জীৱন যাপনো দুষ্কৰ হৈ পৰে। তেওঁৰ দ্বাৰা বিপৰীত ব্যক্তিৰ সমাজতো প্ৰসংশাৰ স্থানত নিন্দা হ'বলৈ ধৰে— যে এই মানুহজনো এনে নীচ যে পৃথিৱীত তেওঁৰ আপোন এজনো নাই।

প্ৰকৃততে মিত্ৰই সদায় মিত্ৰক সন্মাৰ্গত চলাবলৈ প্ৰেৰণা দিয়ে। তেওঁ কেতিয়াও চাই থাকিব নোৱাৰে যে তেওঁৰ চকুৰ আগত তেওঁৰ মিত্ৰৰ ঘৰ ধ্বংস হৈ যাওঁক, তেওঁৰ মিত্ৰ পতনৰ পথত অগ্ৰসৰ হওঁক, কু-বাসনাই আৰু দুৰ্বাসনে তেওঁক নিজৰ চিকাৰ কৰি লওঁক, কুৰীতিয়ে তেওঁক শোষণ কৰক, কু-বিচাৰে তেওঁক কু-মাৰ্গগামী কৰি লওঁক- এইবিলাক তেওঁ কেতিয়াও চাই থাকিব নোৱাৰে; যদি তেওঁ প্ৰকৃত বন্ধু হয়। তেওঁ নিজক মিত্ৰক বুজাই-বঢ়াই মৰমেৰে আৰু আকৌ গৰমেৰে আৰু শাস্তিৰ দ্বাৰা কোনো প্ৰকাৰে তেওঁ মিত্ৰক সেই মাৰ্গ এৰিবলৈ বিব্ৰত কৰিবই। তুলসী দাসে মিত্ৰৰ এটা চিন দেখুৱাইছে:

'কুপথং নিবাৰি সুপথং চলাবা।'

তাৎপৰ্য এইটোৱেই যে যদি মিছা কথা কয়, চোৰ কৰে, ধোখা দিয়ে বা আমাৰ মাজৰ এনে ধৰণৰ অনেক কু-অভ্যাস আছে, তেনেস্থলত এজন শ্ৰেষ্ঠ মিত্ৰৰ কৰ্ত্তব্য যে তেওঁ মিত্ৰক সন্মাৰ্গত চলিবলৈ প্ৰেৰণা দিয়ে। আমাৰ দোষৰ প্ৰতি সচেতন তথা তাক ত্যাগ কৰিবলৈ প্ৰয়াস কৰে তেতিয়াহে তেওঁৰ 'যোজয়তে হিতায়'ৰ সংকল্প সম্পৰ্ক হ'ব।

যেতিয়া মনুষ্যৰ ওপৰত বিপদৰ মেঘ ঘনীভূত আন্ধাৰৰ দৰে আগুৰি ধৰে আৰু চাৰিও দিশত কেৱল নিৰাশাৰ অন্ধকাৰৰ বাহিৰে আৰু একো দেখিবলৈ নাপায়, তেতিয়া একমাত্ৰ প্ৰকৃত মিত্ৰইহে এক আশাৰ কিৰণৰ ৰূপত সন্মুখলৈ আহে। শৰীৰেৰে, মনেৰে, ধনেৰে সেই মিত্ৰই সহায় কৰে আৰু বিপদৰ গহন গাতত ডুবিব ধৰা নিজৰ মিত্ৰক তুলি আনে। বাস্তৱিক মিত্ৰৰ বুনিয়াদ হৈছে একমাত্ৰ বিপত্তিহে। বিপদৰ সময়ত ডাঙৰ ডাঙৰ মিত্ৰও মিত্ৰক এৰি দিব বিচাৰে; যদি তেওঁৰ পৰা সহায় বিচাৰে বুলি গা এৰাব বিচাৰে। কিন্তু যিবিলাক প্ৰকৃত মিত্ৰ তেওঁলোক সুখৰ সময়ত ওচৰত নাথাকিলে, বিপদৰ সময়ত বাহুৰে বাহুৰে লগাই পাৰে মানে সহায় কৰে। ৰহীমে লিখিছিল:

"ৰহীমন সোইমীত হৈ, ভীৰ পৰে ঠহৰাই
, ... ... দহী মহী বিলগাই।"

মিত্ৰতা হোৱা উচিত মীন আৰু নীৰৰ দৰে। সৰোৱৰত যেতিয়া পানী আছিল, তেতিয়া মাছো ক্ৰীড়া তথা মনোবিনোদ কৰিছিল। কিন্তু যেতিয়া পুখুৰীৰ পানীৰ ওপৰত বিপদ আহিল, মাছবিলাক উদাস হ'বলৈ ধৰিলে, কিন্তু



অন্তলৈকে পানীৰ লগ নেৰিলে; তাৰ লগত সংঘৰ্ষত ৰত হৈ থাকিল, কিন্তু যেতিয়া মিত্ৰ শেষ হৈ গ'ল, তেতিয়া স্বয়ং প্ৰাণ ত্যাগ কৰিলে; কিন্তু মিত্ৰৰ জলৰ বিপদৰ অন্ত সময়লৈকে একেলগে থাকিল। মিত্ৰতা গাখীৰ আৰু পানীৰ দৰে হোৱা অনুচিত। যেতিয়া গাখীৰৰ বিপদ আহিল আৰু পুৰিবলৈ ধৰিলে আৰু পানী নিজে এফালে বেলেগ হৈ গ'ল অৰ্থাৎ বাষ্প হৈ গুচি গ'ল; বেচেৰা গাখীৰ অকলে অন্তিম সময়লৈকে দহিপুৰি শেষ হ'ল। স্বাৰ্থপৰ মিত্ৰই সদায় বিশ্বাসঘাটকতা কৰে, তেওঁৰ মিত্ৰতা সদায় পুষ্প আৰু ভ্ৰমৰৰ দৰে। ভোমোৰাই যিদৰে ৰস থকা ফুলৰ লগত বন্ধুত্ব স্থাপন কৰে আৰু ইয়াৰ অভাৱৰ ফলত কেৰাহিকৈয়ো নাচায়। সেইদৰে স্বাৰ্থপৰ মিত্ৰ বিপদৰ সময়ত মিত্ৰৰ সহায়ক সিদ্ধ নহয়। সেইবাবে গোস্বামী তুলসীদাসে প্ৰকৃত মিত্ৰৰ বুনিয়াদ বিপত্তি বুলি কৈছে:

"ধীৰজ, ধৰ্ম মিত্ৰ আৰু নাৰী,
আপদি কাল পৰখিয়ে চাৰি
জেন মিত্ৰ দুখ হোহি দুখাৰী
তিনহি বিলোকত পাতক ভাৰী।"

সেইবাবে সংস্কৃতত কোৱা হয় যে "আপদ সতং চ দদানি ন জহতি কালে।" অৰ্থাৎ বিপদৰ সময়ত প্ৰকৃত মিত্ৰই মিত্ৰক কেতিয়াও ত্যাগ নকৰে বৰং সহায়কাৰী ৰূপত কিছু সহাবিহে দিয়ে। যিদৰে স্বৰ্ণৰ পৰীক্ষাত সৰ্বপ্ৰথম কসৌটিত ঘঁহিলে হয়, সেইদৰে মিত্ৰৰ বিপদৰ সময় ত্যাগৰ দ্বাৰা হয়। ইতিহাস সাক্ষী যে এনে মিত্ৰও আছিল; যি মিত্ৰৰ ৰক্ষাৰ বাবে নিজৰ প্ৰাণ আহুতিও দিছিল।

মিত্ৰৰ কৰ্ত্তব্য যে তেওঁৰ মিত্ৰৰ গুণক প্ৰকাশ কৰে যাৰ পৰা নেকি মিত্ৰৰ সমাজত মান আৰু প্ৰতিষ্ঠা বাঢ়ে। প্ৰকৃত মিত্ৰই মিত্ৰৰ মানক নিজৰ মান বুলি ভাবে, তেওঁৰ প্ৰতিষ্ঠা আৰু খ্যাতিক নিজৰ প্ৰতিষ্ঠা আৰু খ্যাতি বুলি ভাবে। সেইবাবে তেওঁ মিত্ৰৰ গুণক নেগেড়াৰ আঘাতত গান গায় আৰু অৱগুণক দূৰ কৰিবলৈকো প্ৰয়াস কৰে। .তেওঁৰ 'ছিদ্ৰান্বেষণৰ প্ৰকৃতি' নহয়, অৰ্থাৎ তেওঁ নিজৰ মিত্ৰৰ অভাৱক বিচাৰি প্ৰকাশ কৰিবলৈ দু-সাহস নকৰে। তেওঁ জানে যে এইটো কাৰণে তেওঁৰ মিত্ৰৰ সমাজত অপমান আৰু অপযশ হ'ব পাৰে। তুলসীদাসে কৈছে:

"গুণ প্ৰকটহিং, অৱগুণহিং দুৰাৱা।" বা
"গুহ্যানি গুহতি গুণান্ প্ৰকটি কৰোতি।"

জীৱনৰ কোনো ক্ষেত্ৰ, কোনো কাৰ্য্য বা বেপাৰ, কোনো প্ৰকাৰৰ সমস্যা বা বিষম পৰিস্থিতি হওঁক, মিত্ৰই মিত্ৰৰ লগত সহানুভূতি ৰাখিব লাগে। হয়তো একো নিদিয়ক বা নলওঁক কিন্তু সহানুভূতি এনে বস্তু, যাৰ দ্বাৰা মনুষ্যই ডাঙৰ ডাঙৰ বিপদো হাঁহি মুখে আলিঙ্গন কৰে, বিপদতো হাঁহে। সহানুভূতি আৰু সম্বেদনাৰ অভাৱত মানৱ জীৱন এক নৈৰাশ্যপূৰ্ণ নাৰকীয় জীৱন হৈ পৰে আৰু জীৱন এক বোজা যেন অনুভৱ হয়। সেইবাবে গুপ্তজীয়ে লিখিছে:

"সহানুভূতি চাহিয়ে, মহাবিভূতি হে য়হী।"

যদি আপোনাৰ মিত্ৰৰ প্ৰতি সহানুভূতি নাই, তেওঁ যি অনুভৱ কৰিছে; যদি আপুনিও অনুভৱ নকৰে, তেতিয়া আপোনাক মিত্ৰ কোৱা'ব কোনো অধিকাৰ নাই। আমি আমাৰ

মিত্ৰৰ সুখত সুখ আৰু দুখত দুখ অনুভৱ কৰিব লাগে।

নিঃস্বাৰ্থ হিত চিন্তন সাধাৰণ কথা নহয়। পত্নী-পতিৰ, মাক-পুত্ৰৰ, পিতা-পুত্ৰৰ হিত চিন্তন প্ৰত্যেক সম্বন্ধীয়, প্ৰত্যেক পৰিয়ালৰ সদস্য আপোনাৰ হিত চিন্তন কৰিব, কিন্তু তাৰ পৰিবৰ্ত্তে নিশ্চয় কিবা বিচাৰিব, কিন্তু প্ৰকৃত মিত্ৰ যি সহায় কৰিব তাৰ বিনিময়ত একো নিবিচাৰে। তেওঁ এইটোৱে ক'ব যে— "মই এনেকুৱা কৰিলোঁ, কিয় কৰিলোঁ ? কিয়নো মোৰ কৰ্ত্তব্য আছিল ।" মিত্ৰৰ কৰ্ত্তব্য যে— তেওঁ মিত্ৰৰ নিস্বাৰ্থ ভাৱনাৰে প্ৰেৰিত হিত-চিন্তন কৰে। আগতে এটা শ্লোকত দিয়া হৈছে, তাৰ তাৎপৰ্য্য হৈছে— যেনেকৈ হাত আৰু চকুৰ পটাই, শৰীৰ আৰু নেত্ৰৰ হিত-চিন্তন কৰে, কিন্তু তাৰ পৰিবৰ্ত্তে একো নিবিচাৰে আৰু সিবিলাকক কোৱাও নহয় যে তোমালোকে আমাক ৰক্ষা কৰা, তথাপিও নিজৰ কৰ্ত্তব্য বুলি ভাবি কৰে। এইদৰে মিত্ৰয়ো নিজৰ কৰ্ত্তব্য পালন কৰিব লাগে।

বৰ্ত্তমানৰ মিত্ৰক মিত্ৰ বুলি কোৱাৰ আপেক্ষত যদি শত্ৰু কোৱা যায় তেন্তে অধিক উচিত হ'ব। সাধাৰণতঃ আজিৰ মিত্ৰ স্বাৰ্থপৰ, তেওঁলোক আপোনাৰ সন্মুখত মিঠাহৈ থাকি আপোনাৰ অহিত চিন্তিব পাৰে; কৰে। যেতিয়ালৈকে তেওঁৰ স্বাৰ্থ সিদ্ধি, তেওঁৰ বাসনাৰ শান্তি, তেওঁৰ তৃষ্ণাৰ সম্পূৰ্ণতা আপোনাৰ দ্বাৰা হৈ থাকে, আপোনাৰ সহযোগী হ'ব, আপোনাৰ লগত সহানুভূতি ৰাখিব, আপোনাৰ প্ৰশংসক হৈ থাকিব আৰু যেতিয়াই তেওঁৰ স্বাৰ্থ পূৰণ হ'ল বা সেই পূৰ্ণতাত যদি বিঘ্নতা দেখা গ'ল তেওঁ আপোনাৰ ওচৰলৈকে আহিব নোৱাৰা হ'ব। এনে মিত্ৰক যদি 'চাপলুস শত্ৰুৰ' সংজ্ঞা দিয়া যায় তেতিয়াহে ভাল হ'ব। কিছুমান এনেকুৱাও প্ৰমাণ আছে যে আজিলৈকে যদি কোনো বীৰৰ মৃত্যু হ'ল বা হয় বন্ধনত পৰিল তেন্তে সেই মিত্ৰৰ দ্বাৰাই। ডাঙৰ ডাঙৰ ক্ৰান্তিকাৰী বিদেশীৰ হাতত আহিল, কিন্তু কেৱল নিজৰ মিত্ৰৰ কৃপাৰ ফলস্বৰূপেহে। উৰ্দুৰ এটা শেৰ আছে, যি এই প্ৰসঙ্গত প্ৰকাশ কৰিছে :

"থাকে রো তীৰ দেখাজো কমীগাহকী তৰফ,
অপনে দোস্তো সে মুলাকাত হো গই।"

কমীগাহ সেই স্থানক কোৱা হয় যি ঠাইৰ আঁৰত লুকাই কাঁড় মৰা হয়। পিছফালৰ পৰা কোনো এজনে কাঁড় মাৰিলে, পিঠিত আহি লাগিল, বিষো হ'ল, কিন্তু ঘূৰি যেতিয়া কমীগাহৰফালে লক্ষ্য কৰা হ'ল, তেতিয়া তাত নিজৰেই মিত্ৰৰ বাহিৰে আন কোনো নাছিল। আজিৰ মিত্ৰৰ চিত্ৰণ এই শেষতকৈ অধিক আৰু কি হ'ব পাৰে ? কৃষ্ণ আৰু সুদামৰ মিত্ৰতাৰ উদাহৰণ আজিৰ যুগত দেখা এটা কাল্পনিক চিত্ৰ দিয়াৰ দৰে। আজিৰ দিনত কিছুমান এনে মিত্ৰ আছে যি মুখত কয় যে : "আপুনি বৰ ভাল মানুহ। আপোনাৰ নিচিনা মিত্ৰক পাই মই সৌভাগ্যশালী হৈছোঁ।" আৰু যেতিয়া নেকি পিঠি ঘূৰিলে আৰু আন আন কোনো ব্যক্তিক পালে তেওঁৰ বদনাচ ক'বলৈ ধৰিলে : "দেখিছা এক নম্বৰ বদমাশ, তেওঁৰ হাজাৰটা বদ্মাচী মোৰ ডায়েৰীত নোট কৰি থোৱা আছে; আহক সুযোগ কেতিয়াবা— এনেকৈ শিকাম যেন মনত



ৰাখে। সেইবাবে সংস্কৃতৰ এজন বিদ্বানে লিখিছে :

"পৰোক্ষে কাৰ্য্যে হন্তাৰং, প্ৰত্যক্ষে প্ৰিয় বাদিনম্
বৰ্জয়েত্ তাদৃশ্যং মিত্ৰং, বিষ কুম্ভং পয়োমুখম্।"

অৰ্থাৎ যি সন্মুখত মিঠা মাতে আৰু অনুপস্থিতিত কাম নষ্ট কৰে, এনে মিত্ৰক ত্যাগ কৰাই শ্ৰেয়। সেই মিত্ৰ হৈছে বিষেৰে ভৰা কলহৰ মুখত গাখীৰ থোৱাৰ দৰে।

মিত্ৰ সহানুভূতিপূৰ্ণ; সম্বেদনশীল আৰু সহনশীল হ'ল লাগে। যদি দুজন মিত্ৰৰ মাজত সহনশীলতা নাই, তেন্তে মিত্ৰতা অধিক দিনলৈকে তিষ্ঠি থাকিব থাকিব নোৱাৰে। সেইবাবে চিৰস্থায়ী মৈত্ৰীৰ বাবে সহনশীলতাৰ পৰম আৱশ্যক। শ্ৰেষ্ঠ মিত্ৰৰ কি লক্ষণ তাক ভৰ্ত্তৃহৰিদেৱে এটা শ্লোকত লিখিছে :

"পাপন্নিবাৰয়তি, যোজয়তে হিতায়
গুহ্যাঙ্গি, গুহতি, গুণান্ প্ৰগতি কৰোতি
আপদ্ গতং ন জহতি, দদাতি কালে
সন্মিত্ৰ লক্ষণমিদম্ প্ৰবদন্তি সন্তঃ।"

অৰ্থাৎ যি অসৎ মাৰ্গত যোৱাত বাধা দিয়ে, গুপ্ত কথাক লুকাই তথা গুণবিলাকক প্ৰকট কৰে, আপত্তিৰ সময়ত ত্যাগ নকৰে, তথা সময়ত সহায় কৰে, বিদ্বানে এনে গুণক শ্ৰেষ্ঠ মিত্ৰৰ লক্ষণ আখ্যা দিছে। আমাৰ দৃষ্টিত এই শ্লোকত ভৰ্ত্তৃহৰিদেৱে মিত্ৰৰ কৰ্ত্তব্যৰ বিষয়ে সকলো কথা কৈছে। গোস্বামী তুলসীদাসে সন্মিত্ৰৰ লক্ষণ এইদৰে দিছে :

"কুপথং নিবাৰি সুপথং চলাৱা
গুণ প্ৰগটহিং অৱগুনহিং দুৰাৱা।"

মিত্ৰ যদি মৈত্ৰী সম্বন্ধৰ স্থায়িত্ব বিচাৰে তেন্তে লক্ষ্য ৰাখিব লাগে যে— তেওঁ মিত্ৰৰ লগত বাণীৰ বিবাদ নকৰে, টকা-পইচাৰ সম্বন্ধও অধিক নকৰে তথা মিত্ৰৰ পত্নীৰ লগত কেতিয়াও পৰোক্ষ ভাৱে সম্ভাষণ নকৰে, অন্যথা মৈত্ৰী সম্বন্ধ চিৰস্থায়ী হ'ব নোৱাৰে। যেনেকৈ এই শ্লোকত কোৱা হৈছে :

"যদিচ্ছেদ্ বিপুলাং প্ৰীতিং, ত্ৰীনি তত্ৰ ন কাৰয়েত্
বাক বিবাদো অৰ্থে সম্বন্ধঃ একান্তেদাৰ ভাষণম্।"

এই সন্দৰ্ভত মহাকবি বিহাৰীৰ উক্তিও প্ৰশংসনীয় :

"জো চাহোঁ চটক ন ঘটে, মৈলা হোয়ন মিত্ত।
ৰজ ৰাজস্যু ন ছুৱাইয়ে, নেহ চিনেক্ক চিত্ত॥" ০০০

"শান্তি আমাৰ কাম্য, শান্তিৰ কাৰণে আমি আপ্ৰাণ প্ৰয়াস কৰিম। কিন্তু শান্তিৰ নামত যদি লাজ-মান হেৰুৱাব লগা হয়, তেনেকুৱা শান্তি আমাক নালাগে।"

—জৱাহৰলাল নেহেৰু

( এটি ৰূপক গল্প )

# 'পাপৰি'ক মই ভাল পাওঁ কিয় ?


কুমাৰী হেনা সৰকাৰ
প্ৰাক্ বিশ্ববিদ্যালয় ঃ প্ৰথম বাৰ্ষিক
( প্ৰাতঃ শাখা )


'পাপৰি'ৰ কথা মই পূৰ্বে জনা নাছিলোঁ। জনা নাছিলোঁ ভালেই আছিল। এতিয়া জানিহে বৰ অসুবিধাত পৰিলোঁ। পাপৰিৰ লগত মোৰ পৰিচয় হোৱা খুব বেছি বছৰ হোৱা নাই। মাত্ৰ দুবছৰহে হৈছে। অনাদি কালৰ তুলনাত দুটা বছৰৰ লেখ অতি নগণ্য। কিন্তু দুবছৰ আগতেই যে মই পাপৰিক পাবলৈ আকুল হৈ পৰিছিলোঁ সেইটোহে বৰ আচৰিত যেন লাগে। পাপৰিক কেনেকৈ ক'ত লগ পালোঁ এই কথা অতদিনেও কাকো কোৱাৰ সুবিধাই হোৱা নাছিল।

পাপৰিক মই লগ পাইছিলোঁ গুৱাহাটী মহানগৰীত। অৱশ্যে পাপৰিক পোৱাৰ ইচ্ছা থাকিলেও পাপৰিক বিচাৰি যোৱা নাছিলোঁ। গৈছিলোঁ অন্য কামত। যি কামতেই নেযাওঁ মহানগৰীত মোৰ আকৰ্ষণৰ বস্তু এটাই। আৰু প্ৰাণ বজাৰতেই সেই আকৰ্ষণ আটাইতকৈ বেছি। আকৰ্ষণৰ মাজত ঘূৰি ঘূৰি হাবাথুৰি খাইছোঁ। কি বিচাৰিছোঁ মনৰ ভিতৰতো তাৰ সঠিক উত্তৰ পোৱা নাছিলোঁ। সচাকৈয়ে সেই-দিনা পাপৰিৰ কথা পাহৰি আছিলোঁ। পাহৰি-বৰ কথাও। কাৰণ পাপৰিৰ কথা মানুহৰ মুখতেই যি শুনিছিলোঁ। হ'লেও পাপৰিৰ গুণৰ কথাবোৰ লোকৰ মুখত শুনি শুনিয়েই মোৰ অন্তৰত প্ৰণয়ৰ পূৰ্বৰাগ জন্মাটো ধ্ৰুব সত্য। হঠাৎ পাপৰিৰ চিন্তা ভিতৰৰ পৰা ওলাই আহিল। ইমান দিনে অন্তৰৰ গভীৰতম কোণত থকা পাপৰিৰ অৰ্দ্ধমৃত স্মৃতি জীৱন্ত ৰূপলৈ মোৰ মগজুত প্ৰৱেশ কৰি মোৰ সমস্ত দেহ মন আকুল কৰি পেলালে। মোৰ চাৰিওফালে যেন পাপ-ৰিৰ চিন্তাবোৰে আহি মোক জুমুৰি দি ধৰিলে। পাপৰিৰ গভীৰ চিন্তাৰ মাজত মই যেন হেৰাই গলোঁ। নিজকে হেৰুৱাইও প্ৰাণে পাপৰিক বিচাৰি ফুৰিছে। প্ৰাণৰ কাতৰ উক্তি- পাপৰিক



লাগে, পাপৰি ক'ত ?

পাপৰিৰ চিন্তাত অৱশ হৈ সেইদিনাই পাপৰিক বিচাৰি উলিয়ালোঁ। মানুহে কোৱা শুনিছিলোঁ পাপৰি বৰ সৰু ( তন্বী )। লগে লগে কালিদাসৰ 'মেঘদূত'ৰ নায়িকা যক্ষ পত্নীৰ কল্পনাৰ মাজত মনটোৱে বিচৰণ কৰিবলৈ ধৰিলে :

''তন্বী শ্যামা শিখৰ দশনা পক্ক বিম্বাধৰোষ্ঠী
মধ্যে ক্ষামা চকিত হৰিণী প্ৰেক্ষণা নিম্ননাভিঃ
শ্ৰোণী ভাৰাদলাস গমনা স্তোক নম্ৰা
স্তনাভ্যাম্
যা তত্ৰ স্যাদ্ যুৱতী বিষয়ে সৃষ্টি ৰাদ্যেৱ
ধাতুঃ।"

( মেঘদূতৰ নায়িকা কৃশাঙ্গী, শ্যামলী, দশন মুকুতা পাতিৰ নিচিনা, পকাবেলৰ নিচিনা ওঠ, লাহী কঁকাল চকিতা হৰিণীৰ দৰে চাৱনি, সুগভীৰ নাভিও নিতম্বৰ ভৰত মন্দগামিনী আৰু বক্ষৰ ভৰত হালি পৰা )

মই ভাল পোৱা পাপৰিও 'মেঘদূত'ৰ নায়ি-কাৰ নিচিনা হ'লহেঁতেন যদি। পাপৰিৰ সান্নিধ্য পোৱাৰ পিছত পাপৰিৰ বিষয়ে যথেষ্ট জ্ঞান লাভ কৰিলোঁ। যক্ষ-পত্নীৰ ৰূপৰ বৰ্ণনা পাপৰিও বৰ্জিতা নাথায়। পাপৰি কোনো যক্ষ-পত্নী বা যক্ষ-কন্যা নহয়। পাপৰিৰ ভিতৰত এটি দেৱবালা আছে 'যাৰ মৌমনা সুমধুৰ গানৰ গুৱলা তানে' বিয়াকুল প্ৰাণ আকুল কৰে। সেই দেৱবালাই আকৌ 'শাৰদী জোনাক নিশা নেলেখি অলেখ তৰা ৰূপোৱালী জোন', হিয়াত জিলিকা' কোনোবা সুন্দৰ মনোহৰৰ গীত গাই গাই। অকুজিৰ 'অপৰূপ ৰূপৰাশি' পাহৰি যায়।



পাপৰিৰ কণ্ঠ কোকিলৰ কণ্ঠৰ দৰে অনাবিল, যিয়ে বসন্তৰ বা লৈ বকুল বনত অনন্ত মাধুৰী ভৰা গীত গাই শুনাইছিল। পাপৰি তেতিয়া কিশোৰী। স্বভাৱ চপলা পাপৰি নিজৰ খেলা-ধুলাতে মগ্ন। লজ্জাভৰণৰ ব্যৱহাৰ অলপ অলপ শিকিব ধৰিছে। কিন্তু পাপৰিৰ সেই কিশোৰী জীৱন বেছিদিন নাথাকিল। পাপৰিৰ জীৱনলৈ পৰিবৰ্তন আহিল। এই পৰিবৰ্তন মনৰ নহয়, দেহৰ। এই পৰিবৰ্ত্তন বয়সৰ ৰূপ যৌৱনৰ। পাপৰিৰ বিতোপন ৰূপ দেখি চকুৱে তৰধ মানিলে :

''আজি এই যৌৱনৰ ৰূপেৰে বঞ্জিত বেশ
চকুৰ আগত ই কি ছবি বিতোপন।
স্বভাৱ-চপলা বালা ষোড়শী যুৱতী হই
সানি ললে অৰুণৰ কণক কিৰণ।"

পাপৰিৰ জীৱন যৌৱনৰ বিতোপন ৰূপ দেখি ৰূপৰ জেউতিৰে স্নান কৰি পুৰণি জগত-খন নতুনকৈ চোৱাৰ এক দুৰন্ত হেঁপাহ অন্তৰত আবিৰ্ভাৱ হ'ল। পাপৰিক ভাল পোৱাৰ মূলতে আছে এক চিৰন্তন সত্য। সেই চিৰন্তন সত্য প্ৰকাশৰ বাবে পাপৰিৰ বৰ প্ৰয়োজন। সৃষ্টিৰ হেঁপাহ বুকুত বান্ধি পাপৰিকে যৌৱনৰ পূৰ্ণ অৰ্ঘ্য নিবেদন কৰিবলৈ এটি মৃদু মৃদু অনুবোধ ওলাই আছে :

"সৃষ্টিৰ বুকুত সউ নতুনৰ নৃত্য দেখি
নতুন প্ৰাণতো বাজে প্ৰণয়ৰ সুৰ,
যৌৱনৰ পূৰ্ণ অৰ্ঘ্য দিব খোজো তোমাকেই
লবানে সাদৰি সখি, আদি পূজা মোৰ।

পাপৰি নিমাত। নীৰৱে কাণ পাতি শুনিছে। 'মৌনম্ সন্মতি লক্ষণ্' দেখি ভাল

পোৱাৰ প্ৰতিদান দিবলৈ এপদ অমূল্য অলঙ্কাৰৰ কথা ভাবি এটা বিৰাট শূণ্যৰ মাজত সোমাই পৰিলোঁ। তাত একোৱেই নাই। সৰ্বশূণ্য। আনহাতে ভাবিলোঁ পাপৰিৰ নিজৰো পছন্দ-অপছন্দৰ কথা আছে। পাপৰিয়ে জানো কি অলঙ্কাৰ, কি প্ৰতিদান বিচাৰে? বিষয় সম্পদৰ দৈন্যতা স্বীকাৰ কৰিও পাপৰিক হিয়া উদঙাই অন্তৰৰ মহাৰ্ঘ্য ৰত্তন দেখুৱাই দিলোঁ:

"মাণিক মুকুতা গাঁথি নাই গঁথা গলপতা
হীৰাৰ আঙঠি মোৰ নাই দিবলই,
ভালপোৱা অন্তৰত যিকণি চেনেহ আছে
মহাৰ্ঘ্য ৰত্তন মোৰ সেয়ে তোমালই।"

ৰত্নালঙ্কাৰৰ অভাৱত পৰিও কোনো দিনে হিয়াৰ দীনতা অনুভৱ কৰা নাছিলোঁ। সযত্নে বিবিধ উপচাৰ গোটাই পূজাৰ নৈবেদ্য সজাইছিলোঁ:

"সেয়ে তুলসী মোৰ সেয়ে গঙ্গাজল
তাতেই তুবৰি আছে তাতেই বেলপাত,
তাতেই নিতউ জ্বলে প্ৰণয়ৰ ধূপদীপ
সেয়ে নৈবেদ্য মোৰ তোমাৰ পূজাত।"

ভালপোৱাৰ মাজে মাজে হঠাৎ কেতিয়াবা আশঙ্কা জন্মিছিল। ভালপোৱা কিজানি সদায় সমানে নাথাকে। মনৰ ভয় এদিন সঁচাকৈয়ে বাস্তৱত পৰিণত হ'ল। পাপৰিয়ে অভিমান কৰি জীৱনৰ শ্ৰেষ্ঠধন দূৰলৈ ঠেলি দিলে। 'যাচি দিয়া যৌৱনৰ আদি পূজাভাগ' প্ৰত্যাখ্যান কৰাত নিজৰ যোগ্যতা ও অন্তৰৰ পবিত্ৰতাৰ কথা পুনৰুক্তি হ'ল:

"অযোগ্য নাছিল মোৰ পৰাণৰ ভালপোৱা
অযোগ্য নাছিল এই পূজাৰ সম্বল,
অশুচি নাছিল সখি, অন্তৰৰো অন্তঃস্থল
ৰাখিছিলোঁ ঢালি ঢালি প্ৰেম গঙ্গা জল।"

প্ৰাণৰ স্পন্দন শুনি পাপৰিক এদিন ভাল পাইছিলোঁ। সেই পাপৰিয়ে যদি মোৰ প্ৰেমক প্ৰত্যাখ্যান কৰিলে, মই মৰ্মাহত নহওঁ। পাপৰিৰ অনুপস্থিতিয়ে মোৰ অন্তৰত বেদনাৰ এটি সামান্য আঁচো বহুৱাব নোৱাৰিব। ভয় নাই কোনো মানসিক আঘাত পোৱাৰ, ভয় নাই কৰ্ত্তব্য পথৰ পৰা বিচলিত হোৱাৰ। পাপৰিয়ে মনতে ভাবিলেও বিন্দুমাত্ৰ কৰুণ পৰিণতিৰ সম্ভাৱনা নাই:

"কি জানি ভাবিছা তুমি তুমি এৰি গুচি গ'লে
সোণৰ হৰিণী মোৰ যাব জাল ফালি,
কিজানি ভাবিছা তোমাক নাপাই মই
হেৰুৱাম জীৱনৰ সেন্দুৰীয়া আলি।"

পাপৰিয়ে মনতে ভবাৰ দৰে 'সোণৰ হৰিণী' জাল ফালি নগ'ল। যাব নোৱাৰিলে। জীৱনৰ সেন্দুৰীয়া আলিও সেন্দুৰীয়া হৈয়ে থাকিল।

পূৰ্ণ মিলনৰ আশা কৰি পাপৰিক ভাল পাইছিলোঁ। 'কল্পনাতে অলকা'ত ভাঁহি ইন্দ্ৰধনু ৰচিছিলোঁ। মিলনৰ আশা ব্যৰ্থ হলেও প্ৰণয়ৰ বাণখনি ভাঙি যোৱা নাই। সুৰ সঞ্চাৰিণীৰ অভাৱত সুৰৰ লহৰি হুঠিলেও তাঁৰৰ স্পন্দন অবিৰাম উঠি থাকিব।

পাপৰিৰ মতে মোৰ অন্তৰৰ সম্বন্ধ অতি মধুৰ – অতি পবিত্ৰ। পাপৰিৰ পৰা মই পবিত্ৰ প্ৰেমৰ জৰিয়তে সংযম শিক্ষা লাভ কৰিছোঁ। কিন্তু পাপৰি কাৰ? পাপৰি কিহৰ, ফুলৰ নে সোণ-ৰূপৰ? নে অন্য কিবা পদাৰ্থৰ?

( ৪০ পৃষ্ঠাত চাওক )

গল্প *

# অ নু ভূ তি

হাতৰ ঘড়ীটোলৈ চাই উচপ খাই উঠিল নন্দিতা, নন্দিতা কাকতি। এইয়া এক বাজিলেই, মাজত মাত্ৰ তঘণ্টা সময় আৰু পলম কৰিব নোৱাৰি। জপিয়াই বিছনাৰ পৰা নামি আহিল। সযত্নে থৈ দিয়া ডায়েৰীখোৰ উলিয়াই ললে। পাত লুটিয়াই আগতে লিখি থোৱা বিশেষ দিনকেইটাৰ কথাবোৰ কাগজখনত লিখিবলৈ বহি পৰিল নন্দিতা। প্ৰতিটো মুহূৰ্ত্ত উত্তেজনাৰে পাৰ হৈ যাবলৈ ধৰিলে।

২ মে' ১৯৬০ চন। সেইদিনা স্কুলৰ পৰা আহি অন্য দিনাৰ দৰেই মই দেউতাক স্কুলৰ কথাবোৰ বৰ উলাহেৰে কৈছিলোঁ, কিন্তু মই লক্ষ্য কৰিছিলোঁ— দেউতা দেখোন অন্যমনস্ক হৈ আছে। ভয়ত মই আঁতৰি গৈছিলোঁ মাৰ কাষলৈ। মায়ে মোক কাষলৈ টানি নি কাণে কাণে ক'লে: "নমী আজিৰ পৰা মনোদাক নামাতিবা, দেউতাই মানা কৰিছে।" মই আচৰিত হৈ চাই আছিলোঁ মাৰ মুখলৈ। পঞ্চমমানৰ ছাত্ৰী আছিলোঁ মই, গতিকে মোৰ গোটেই পৰিবেশটো সাঁথৰ যেন লাগিছিল। মাৰ লগত গুণগুণাই কথা পাতি থকা মনোদাক মাতিবলৈ নিদিয়া, দেউতাই মাক বহুদিনলৈ নমতা, প্ৰায়ে আমাৰ ঘৰৰ লগত ধেমালি কৰা মনোদা আমাৰ ঘৰলৈ নহাটো তেতিয়া একো বুজিব পৰা নাছিলোঁ।

৫ চেপ্তেম্বৰ ১৯৬২ চন। সন্ধিয়া আমাৰ সন্মুখত এখন এম্বেছেদৰ গাড়ী আহি ৰৈ গ'লহি। আমি আটাইকেইটা বাহিৰলৈ ওলাই আহিলোঁ। তিনিজন মানুহে গাড়ীখনৰ পৰা বগা কাপোৰে ঢাকি কিবা এটা নমাই আনিলে, লগে লগে মায়ে তাৰ ওপৰত উবুৰি খাই পৰি চিঞৰি অজ্ঞান হৈ গৈছিল। আমি আটাই

মনজু ফুকন
স্নাতক : দ্বিতীয় বাৰ্ষিক

কেউটাই কান্দিছিলোঁ, যেতিয়া গম পালোঁ যে বগা কাপোৰে মেৰুৱা বস্তুটো অন্য একো নহয়, সেয়া আমাৰ দেউতা। কেইজনমান মানুহে দেউতাক কান্ধত তুলি লৈ গৈছিল। আমাক বুজাই-বঢ়াই দেউতাৰ কাষৰ পৰা আঁতৰাই আনিছিল।

এবছৰমানলৈ মোৰ কিশোৰ মনটোত একো ভাৱৰ সৃষ্টি হোৱা নাছিল। লাহে লাহে দেউতাৰ মৃত্যু মোৰ বাবে জটিল আৰু সঁথৰ যেন লাগিল। এই মৃত্যুৰ অন্তৰালত সোমাই থকা ৰহস্য ভেদ কৰিবলৈ মই বৰ উৎকণ্ঠিত হৈ পৰিছিলোঁ। উপায় মোৰ নাছিল। কিছুমান চিন্তাই মোৰ মনত খোপনি পুতি লৈছিল।

১৯৬৮ চন, ২০ নবেম্বৰ। মই তেতিয়া দশম মানৰ ছাত্ৰী। পৰীক্ষা ওচৰ চপাত স্কুল সোনকালে ছুটী দিয়াত অন্য দিনাতকৈ সোনকালে ঘৰলৈ আহিছিলোঁ। সময় এক মান হ'ব। বুলুমা আৰু কবুও ঘৰত নাছিল। মই মাৰ কোঠাত গুণগুণনি শুনি গভীৰ উৎকণ্ঠাৰে মনটো ভৰি পৰিল, আৰু চাবলৈ মোক উদগ্ৰীৱ কৰি তুলিলে। মনে মনে জুমি চালোঁ। আটাইতকৈ ডাঙৰ ভুল হয়তো এইখিনিতেই কৰিলোঁ। ঘৃণাত মোৰ সমগ্ৰ আত্মসত্বা থৰথৰকৈ কঁপিবলৈ ধৰিলে। চকুৰে একো মনিব নোৱাৰিলোঁ। দৌৰিবলৈ ধৰিলোঁ। সহজ হ'ব পৰা নাছিলোঁ মাৰ আগত – মনোদাৰ আগত। ঘৃণা আৰু সংকোচত মোৰ মনটো কোঁচ খাই গ'ল। নিজকে পঢ়াত ব্যস্ত কৰি ৰাখিছিলোঁ। ব্যস্ততাৰে দিনবোৰ অতিবাহিত হৈছিল।

১৯৬৯ চন, ৪ চেপ্তেম্বৰ। তেতিয়া মই প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ছাত্ৰী। ক্লাছ সোনকালে শেষ হোৱাত ঘৰলৈ ঘূৰিছিলোঁ। কাষৰে যোৱা এজন ল'ৰাই rejected psychologist বুলি কৈ কোবেৰে পাৰ হৈ গৈছিল। আচৰিত মই হোৱা নাছিলোঁ। মই বৰ ভাবুক হৈ পৰিছিলোঁ। কলেজতো মই অন্য ছোৱালীৰ দৰে চঞ্চলা হ'ব পৰা নাছিলোঁ। কিবা এটাই মোক কোঁচ খুৱাই আনিছিল। লগৰ ছোৱালীবোৰেও মোক ভালপোৱা নাছিল। সেয়ে ৰাস্তাত শুনা— proudy, rejected psychologist আদি শব্দই মোৰ কোনো পৰিবৰ্ত্তন আনিব পৰা নাছিল। বৰঞ্চ দিনে দিনে মই আৰু বেছি চিন্তাশীল আৰু মানুহৰ পৰা আঁতৰি থাকিব বিচাৰিছিলোঁ।

Sexual আৰু Psychology-ৰ কিতাপ মই পঢ়িছিলোঁ। পঢ়াৰ লগে লগে মোৰ মনটো জটিলৰ পৰা জটিলহে হৈছিল। মই নিজেই

---

( ৩৮ পৃষ্ঠাৰ পিছৰ পৰা )

মনত এনেবোৰ প্ৰশ্ন সদায় উদয় হয় আৰু সদায় মাৰ যায়। ক্ৰৌঞ্চ বিহগীৰ বেদনাৰ্ত্ত ক্ৰন্দন শুনি আদি কবি মহৰ্ষি বাল্মীকিৰ মুখেৰে অজ্ঞাতে 'মা নিষাদ' ওলোৱাৰ নিচিনাকৈ হিয়াৰ তলিৰ পৰা কবিতাৰ এটি মধুৰ স্তৱক ওলাই আহি প্ৰশ্নবোৰৰ সমাধান দিয়ে আৰু মই তাকে গুণগুণাও:

"পদুম ফুলৰ পাপৰি নহয়
পাপৰি প্ৰাণৰ মোৰ
শোকৰ নহয় দুখৰ নহয়
প্ৰেমভৰা চকুলোৰ।"

'পাপৰি প্ৰাণৰ মোৰ'— পাপৰি জানো মোৰেই? নহয়। পাপৰি কবিৰ। পাপৰি সকলোৰে। পাপৰিৰ কবি ৺গনেশচন্দ্ৰ গগৈৰ মতে বিসকলে একাত্ম অনুভৱ কৰে, তেওঁলোকৰেই পাপৰি। ০০০



নাজানো মই কি ভাল পাওঁ? মনত এদিনো শান্তি নাই। সদায় প্ৰতি মুহূৰ্ত্ততে কিবা এটা যন্ত্ৰণাত ছটফটাই থাকো। সহজ হৈ কিবা এটা কৰিব বিচাৰিলেও পুনৰ সঙ্কুচিত হৈ পৰিছিলোঁ। সেইটো বয়সত মোৰ তেনে ব্যৱহাৰ সকলোৰে কাৰণে বেছি জটিল আৰু দুৰ্বোধ্য হৈছিল। মায়েও আজি-কালি মোৰ লগত কথা পাতিবলৈ ভয় কৰে।

১৯৭১ চন, ১৫ চেপ্তেম্বৰ। মই তেতিয়া দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। অন্য দিনাৰ দৰেই কলেজৰ পৰা আহি মোৰ কোঠাত সোমাই sexual জাতীয় ডাঙৰ ভলিউমৰ লাইব্ৰেৰীৰ পৰা অনা কিতাপখন মেলিলৈ বিছনাত বাগৰ দিছিলোঁ। মা আহি মোৰ কাষত বহি বৰ মৰমেৰে কৈছিল: "ননী, তোক এটা কথা কওঁ; তই কালিলৈ কলেজলৈ নাযাবি। তোৰ বিয়া ঠিক কৰিছোঁ। কালিলৈ দৰা ঘৰৰ মানুহ আহিব। তোক আঙঠি পিন্ধাব। বিয়া হয়তো জানুৱাৰীত হ'ব।" বিয়া শব্দটোৱে মোক যেন এটা সাপ হৈ মেৰাই ধৰিছিল। মই বৰ ভয় খাইছিলোঁ। 'বিয়া' বুলি চিঞৰি গাৰুত মুখ গুজি দিছিলোঁ। মা মোৰ কাষৰ পৰা আঁতৰি গৈছিল। ডাঙৰ শব্দ হোৱাকৈ দুৱাৰখন জপাই মই মোৰ কমত সোমাই থাকিলোঁ। মায়ে কেইবা বাৰো মাতিছে; ভাত খাবলৈ যোৱা নাই।

বুলুমা-কবুও হয়তো শুই পৰিছে। সপোন দেখিছে— বাইদেউৰ বিয়াৰ। নতুন ভিনদেউৰ লগত বাইদেউক জোকাব: বাইদেউ তুমি হ'লে আমাক নামাতা আৰু ভিনদেউ পাই বৰ স্ফূৰ্ত্তি।

কিন্তু মই ছটফটাইছিলোঁ অসহ্য যন্ত্ৰণাত। সমাজ আৰু লগৰ বন্ধু-বান্ধবীৰ লগত মই মিলিব নোৱাৰো, নোৱাৰিছিলোঁ। আঁতৰি আহিবলৈ যত্ন কৰিছিলোঁ— আহিলোঁ। তেনে ক্ষেত্ৰত বিয়া অসম্ভৱ। বিয়া মোৰ বাবে আছিল এক ৰহস্য। তপত অনুভূতিবোৰে মোৰ শৰীৰত এক হিল্লোল তুলিছিল। তেজৰ সঞ্চালন খৰ হৈছিল। সন্মুখত আছিল এটা বটল।

মৰমৰ মনু!

মৰম ল'বা। তুমি মোৰ লগত সকলো পৰা আছিলা যদিও মোক বুজিব নোৱাৰিলা। চেষ্টা কৰিছিলা, নোৱাৰিলা। সুবিধা হয়তো দিয়া নাছিলোঁ। এয়া আজি মোৰ জীৱনৰ কেইটামান বিশেষ দিনৰ বিশেষ মুহূৰ্ত্তৰ আভাস দিলোঁ। মোক ক্ষমা কৰিবা। বুলুমা আৰু কবুৰ ওচৰত ক্ষমা খোজাৰ সাহস মোৰ নাই। মাৰ ওচৰত ধৰা পৰাৰ আগতেই মই আঁতৰি আহিলোঁ।

'নন্দিতা'

ডাঙৰ ওৱাল ক্লকটোৱে তিনি বজাৰ সংকেত দিলে। ৰাতিপুৱাবলৈ বেছি দেৰি নাই। চৰাই এটাৰ বিকট চিঞৰে পৰিবেশটো গহীন কৰি তুলিছিল। এক মুহূৰ্ত্ত পলম নকৰি নন্দিতা কাকতিয়ে poison-ৰ বটলটো হাতত তুলি লৈছিল। নিয়ৰৰ টোপাল সৰিছিল। শব্দ হৈছিল। সৰি পৰিছিল নন্দিতা কাকতিৰ অনুভূতিবোৰ। ০০০

---

"প্ৰকৃত প্ৰেম মহাসাগৰৰ দৰে সীমাহীন। এই প্ৰেমে অন্তৰত উঠা-নমা কৰি, আটাইবোৰ সীমা আৰু সীমান্ত অতিক্ৰম কৰি সমগ্ৰ জগতকে আবৰি ধৰে।"

—মহাত্মা গান্ধী

# আওপকীয়া আমাৰ বাট

আমাৰ সৰু ভণ্টীয়ে গীতাৰ বজায়; সময় পালেই হ'ল ; দিন-ৰাতি নাই বুজিছ ; অনবৰত পশ্চিমীয়া সুৰৰ ঝিন-ঝাক, ঝিন-ঝাক। মোৰ হ'লে কেতিয়াবা তাইৰ হাতৰ পৰা টানি আনি তাঁৰকেইডাল চিঙি দিয়াৰ ইচ্ছা হয়, মানে মন

যায়। অৱশ্যে সেইখিনি কৰাৰ অধিকাৰ নাই ; সৰু ছোৱালী ; আঘাত দিবলৈ ইচ্ছাও নাই আৰু ; আৰু' ঘৰৰ পৰা গুলাই তোৰ ইয়ালৈ আহোঁ, তোৰো বাঁহীত শুনিব লাগে দেশী সুৰ। কৃষ্ণই বোলে বাঁহী বজাই গোপী বলিয়া কৰিছিল। তোৰ মন হৰলা কলেজ বলিয়া কৰাৰ; যাহ'ক মই বাঁহী বলিয়াও নহয়, সুৰ বলিয়াও। বৰঞ্চ সেইবোৰৰ কাষত মই নিৰ্বিকাৰ।

এই সুৰটো তুলিবলৈ তই বৰ কষ্ট কৰিছ দে পলাশ। মোৰে; অ নহয়; "আমাৰ চকুলোৰে পানী দি জীওঁৱা মাণিকী মধুৰী ধান .........।" এসময়ত ময়ো এই গানটো গালে তন্ময় হৈছিলোঁ বুজিছ। পিছে পলাশ, তোৰ জীৱনৰ কিমান টোপা চকুপানী মাণিকী মধুৰী ধানৰ পথাৰত সিঁচি দিলি কচোন? পথাৰলৈ যোৱা তোৰ ভাগে নহ'লেই ; মানে, তিনি-চাৰি মাইল আঁতৰৰ বাট ফুৰি বাই স্কুলটো শেষ কৰিয়েই গুৱাহাটিৰ কলেজলৈ চাপলি মেলিবলৈ হ'লেই।

অনিলা ডেকা
স্নাতক : দ্বিতীয় বাৰ্ষিক

তই গাঁৱৰ ল'ৰা। গাঁৱৰ কল্পনা কৰোঁতে আমাৰ চকুত মেউজী পথাৰে, সৰল উচ্ছল



হাহিঁয়ে, মুকলিমূৰীয়া মনে নাচে। আমাৰ কল্পনাত ভুল ; গীতিকাৰ জনৰো, আৰু সৰু বয়সত ময়ো একে ভুলকে কৰিছিলোঁ। আচলতে কি জান, সুন্দৰ পৰিবেশত থাকি সুন্দৰ কল্পনা কৰাটো অস্বাভাৱিক নাছিল, তেতিয়া মোৰ বাবে নহয় জানো?

সৰু বয়সৰ কিছুমান কথা মোৰ ভালকৈ মনত আছে। মই সৰু হৈ থাকোঁতে মাক কামবনৰ সহায় কৰিবলৈ, দেউতাই গাঁৱৰ পৰা এজনী ছোৱালী আনিছিল। তাই মোৰ বয়সৰে, মোৰ খেলা-ধূলাৰ লগৰীয়া; সৰু ছোৱালীজনীক কামবনৰ মাজতে কেতিয়াবা বৰ বিষণ্ণ যেন দেখিছিলোঁ। মনৰ কৌতূহল দমাব নোৱাৰি মই সুধিয়েই পেলাইছিলোঁ। সুধিলেই বৰ সহজসৰলতাৰে তাই কয় : "অহঁতৰ ইয়াত থাকিবলৈ বেয়া পাওঁ অ'। আমাৰ গাঁৱত বৰ মুকলি। নিশ্চয় আমাৰ ঘৰখন তেতিয়া তাইৰ বাবে বন্দীশাল আছিল। সৰু বয়সে, সৰু মনে সাধাৰণতে বন্দীশাল বেয়া পায় নহয় জানো? পলাশ ; মোৰ মনতো উত্তৰটোৱে ফুলৰ, কিছুমান নতুন ধাৰণা খুমুৰাই দিছিল।"

"তোক কৈছোৱেই, দেউতা গাঁৱত জন্মা দেশপ্ৰেমিক। দেশপ্ৰেমৰ বলত এতিয়া নগৰৰ গণ্য-মান্য লোক। আভিজাত্যৰ বাবে ঘৰ, গাড়ী যি লাগে, দেউতাই সব কৰিছে। ডাঙৰ ল'ৰাক পঢ়াবলৈ বিদেশলৈ পঠাইছে। সেই ঘৰৰে বিলাসিতাৰ মাজেৰে ডাঙৰ হোৱা ল'ৰা মই। কল্পনাত উটি-ভাঁহি ফুৰিবলৈ সুন্দৰ পৰিবেশ সকৰে পৰা পাইছোঁ। সেই কাৰণেই সৰু মানে, স্কুলীয়া অৱস্থাত মই সপোন বলীয়া হৈ পৰিছিলোঁ। ভাবিলে এতিয়া হাঁহি উঠে বুজিছ।"

বাঁহীৰ সুৰে কোনোবাখিনি পোৱালেগৈ। "তয়ো সৰু বয়সত বৰ জেদী আছিলি দেই ; মনে মনে লগৰীয়াৰ লগত পলাই আহি যে এদিন টাউনত 'ভেৰাইটি শ্ব' চাইছিলি ; তাতেই দেখা পালি তাঁৰৰ বাদ্যযন্ত্ৰ, বাদ্যযন্ত্ৰৰ পোক তোৰ মূৰত সোমাল। গাঁৱৰ এল, পি স্কুলৰ শিক্ষকৰ ল'ৰা। তাঁৰৰ বাদ্যযন্ত্ৰৰ কল্পনাও কৰিব নোৱাৰ। উপায় নেদেখি বাঁহৰ বাদ্যযন্ত্ৰকে বজালি। ক্ষোভে তোক সহায়হে কৰিলে পলাশ; নহ'লে এতিয়া কলেজত 'শ্ৰেষ্ঠ বংশীবাদক'ৰ সন্মান ল'ব তই নোৱাৰিলি হয় কিজানি।

পিচে এটা কথা নহয় পলাশ, মই যাবলৈ ওলাওতে তই মোক তহঁতৰ ঘৰলৈ নিবলৈ কিয় সংকোচ কৰিছিলি? ভাবিছিলি নেকি, তই নিনিলেই মই নাযাম বুলি, তোৰ এই ভয়াতুৰ স্বভাৱটোক মই বৰ বেয়া পাওঁ। আমি নিৰ্ভীক হ'ব পৰা নাই বাবেই আগলৈ যাব পৰা নাই ; কেৱল গতানুগতিকাৰ বাটেৰে গৈ আছোঁ। যাব লাগে বাবেই গৈ আছোঁ। তই বৰ নিয়ম-শৃঙ্খলা প্ৰিয় অ' পলাশ, সেইবাবেই নেকি, তোক মোৰ পুতৌ কৰিবলৈ মন যায়। মই নিজে হ'লে পুতৌ ঘৃণ কৰোঁ।

বাৰিষাৰ বোকা বাট, এঁকা-বেঁকা আলি কৈঁকুৰবোৰ পাৰ হৈ তোৰ পাচে পাচে মই আগুৱাইছোঁ। চাপৰ চাপৰ ঘৰবোৰৰ সন্মুখেৰে পাৰ হৈ গৈ আছোঁ। সৰু সৰু ল'ৰা-ছোৱালীবোৰে আনকি ভুমুকিয়াই ভুমুকিয়াই ডাঙৰ ডাঙৰ তিকতাবোৰেও মোলৈ চাইছে।

তোক চিনি পাইছে, মোক পোৱা নাই। অনু-মান কৰি লৈছে কিজানি, মই তোৰ লগৰীয়া বন্ধু বুলি। চাপৰ ঘৰবোৰৰে এটাৰ সন্মুখত বৈ তই বৌ বুলি চিঞৰি দিলি। এগৰাকী চিন্তাক্লিষ্ট তিৰোতা ওলাই আহিল, পিচে পিচে ভনীজনীও। বৌটিয়ে বাস্তৱতাৰে আমাক আদৰি নিলে। ভনীজনীয়ে তোৰ লগত অচিনাকী ল'ৰা দেখি ভিতৰলৈ দৌৰ মাৰিলে। লাহে লাহে আমাৰ সঙ্কোচবোৰ নোহোৱা হ'ল। আমি সহজ হৈ পৰিলোঁ।

তোক আঁৰ কৰি বৌটিয়ে মোক ক'লে: "বোপা, পলাশৰ বাপেক গাঁৱৰে মূৰৰ স্কুলৰ মাষ্টৰ আছিল, স্কুলৰ কামত দেহে-কেহে খাটি অকালতে বেমাৰী হ'ল। ঘৰৰ ভেটিটো, খেতি মাটি চাৰি বিঘাই আমাৰ সম্পত্তি বোপা। মৰিবৰ সময়ত আমি একো যত্ন ল'ব নোৱা-ৰিলোঁ। ভাই-ককাইৰ সহায় বিচাৰিছিলোঁ, দুখীয়া ভাই-ককাইহঁতে একো সহায় কৰিব নোৱাৰিলে। ডাক্তৰ নেদেখাকৈয়ে বাপেক মৰি থাকিল। মৰিবৰ আগতে মোক দঢ়াই দঢ়াই কৈ গৈছে: সোণটিক মানুহ কৰিবি। তাক পঢ়া-শুনা কৰাত হেলা কৰিব নিদিবি।"

মৃত্যুমুখী তোৰ দেউতাৰৰ কথা ৰাখিবলৈ বৌটিয়ে সংসাৰ যুঁজ চলাইছে। তোক নতুন ঠাইলৈ পঠাওঁতে খেতি মাটি ডুবিৰা ৰাজস্থানী দোকানীটোক বেচি দিলে। আগতে মাটি ডুবিখাত খেতি বোলে ভালেই হৈছিল। এতিয়া সেইডোখৰ চন পৰি আছে। ৰাজস্থানী দোকা-নীটোৱে খেতি-বাতি কৰাৰ প্ৰয়োজন অনুভৱ কৰা নাই। বৌটিয়ে তোলৈ আশাৰে বাট চাইছে। কষ্টৰ লাঘৱতা বিচাৰিছে। মই বৌটিক ক'ব খুজিছিলোঁ: "বৌটি, চাকৰি বিচাৰি ফুৰোঁতে যদি ভেটি মাটি ডোখৰো ৰাজস্থানীটোক দিব লগা হয়, তেতিয়া কি হ'ব? ক'ব নোৱাৰিলোঁ। কুটিলতাৰ বুজ পাবলৈ বৌটিহঁতৰ আৰু কিমান দিন লাগিব পলাশ? ভাবিলে মই কেতিয়াবা আচৰিত হওঁ।

তই চোকা মগজুৰ ল'ৰা। অভাৱ অনা-টনৰ মাজেদিও সদায় বৌটিৰ আশা পুৰাবলৈ তয়ো যত্নৰ ত্ৰুটি কৰা নাই। তোৰ ওপৰত বৌটিয়ে আশা কৰিব পাৰে। তয়ে মানুহ-গৰাকীক ইমান সকাহ দিছ, তাৰ বাবে মই তোৰ ওচৰত কৃতজ্ঞ। মাত্ৰ দুবছৰ; এই দুব-ছৰৰ ভিতৰতে তই এম, এছ, চি পাছ কৰিবি। পাছ কৰাৰ পাচত মন্ত্ৰী মহোদয়ৰ দুৱাৰে দুৱাৰে ফুৰিব লাগিব। এই সময়ছোৱাৰ ভিতৰত ভেটি মাটি এটুকুৰা ৰাজস্থানী দোকানীটোৱে পাব চাগে, তাৰ পাচতে চাকৰি এটা পাবি। ভনী-জনী আৰু বৌটিৰ বহুদিনীয়া কষ্টৰ লাঘৱ হ'ব। সিহঁতে হাঁহিব পাৰিব। তাৰ পাচত মাটি, ঘৰ এইবোৰ গতানুগতিকতাৰ মাজেদি চলি থাকিব ......

মই গণ্যমান্য দেশসেৱকৰ সন্তান। তই সংগ্ৰামী দুখীয়া মাষ্টৰৰ ল'ৰা। আমি দুয়ো-টাই দুটা বেলেগ শ্ৰেণীৰ প্ৰতিভূ। দেউতাৰ মতেৰে আভিজাত্যক ধৰি ৰাখিবলৈ ময়ো কিবা এটা হ'ব লাগে। ডাক্তৰ, ইঞ্জিনীয়াৰ এইবোৰ নোৱাৰিলে সাধাৰণ ডিগ্ৰীটো লৈ এতিয়াৰ পৰা সামাজিক কামবোৰত অলপ ঘূৰিব লাগে। দেউতাৰ মতে তেতিয়া পাছলৈ এম, এল, এ,



এম, পি হোৱাৰ চান্স থাকে। পাচে মোৰ গতিমতি বোলে ভাল নহয়। দেউতা সেই বাবে মোৰ ওপৰত ক্ষুব্ধ। মাৰ মনত বেজাৰ। তথাপি মই অমনোযোগী। অনিয়মী।

সমস্যা মোতকৈ অৰশো তোৰ বেচি। শিক্ষাৰ অনুৰাগ শিক্ষকৰ বেছি। পুৰণা চাই-কেলখনেৰে পঢ়াশালিলৈ অহা যোৱা কৰোঁতে দেউতাৰাই তোক ডাঙৰ শিক্ষাবিদ হোৱাৰ সপোন দেখিছিল। শ্ৰেণী লৈ চিন্তাৰ বিভিন্নতা স্বাভা-ৱিক ঘটনা। এইবোৰৰ পৰা ওলাই অহাৰ বাট আমাৰ নাই। মই ওলাব খুজিলে দেউ-তাৰ দেশপ্ৰেমৰ স্বৰূপ ধৰা পৰিব, আভিজা-ত্যত দাগ লাগিব। তই যদি ওলাব খোজ, সংগ্ৰামী আত্মাই শান্তি নাপাব। এনেকেই আমি আশাভঙ্গৰ ভয়ত, স্বৰূপ প্ৰকাশ হোৱাৰ সন্দেহত একেটা বাটেৰে গৈ থাকিব লাগিব।

বুজিছ পলাশ, লাহে লাহে মোৰ কল্পনাই গতি সলাইছে। যেতিয়া ঘৰটোৰ ভিতৰত সোমাই থাকোঁ, মই কেৱল দেখি থাকোঁ, চাপৰ চাপৰ ঘৰবোৰৰ ভিতৰতে আৱদ্ধ সহজ সৰল নিস্পৃহ মনবোৰৰ প্ৰতিচ্ছবি। দেউতাৰ ল'ৰা হোৱাৰ বাবেই নেকি মোৰ নিজকে আজি-কালি বৰ অপৰাধী অপৰাধী লাগে। আমি অপৰাধ কৰি বন্দীশালত আৱদ্ধ হৈ আছোঁ। ওলাবলৈ চেষ্টা কৰা নাই। চেষ্টা কৰিলেই ধৰা পৰি যোৱাৰ ভয়।

অ' আহিবৰ সময়ত তোক ভনীয়েৰাই টকা কেইটামান দিছিল, কি কৰিলি? কিতাপ কিনিলি চাগে? মোৰ স্পষ্ট মনত আছে, আহিবলৈ ওলাওঁতেই তাই কৈছিল: "ককাই-দেউ, বহুটো ভাল চাই আনিবি।" বৌটিয়েও পিচফালৰ পৰা মাত দিছিল: "শালৰ কাপোৰ কেইখন বেচি হে টকাকেইটা দিছে সোণটি। তাইৰ চখ পুৰোৱাকৈ এখন আনি দিবি।" ৰংচঙীয়া শাড়ী এখন পিন্ধাৰ বৰ ইচ্ছা তাইৰ। তই আৰু কিতাপহে কিনিলি নেকি তাৰে পলাশ?

চখ সবৰে একে। সক ভণ্টী আৰু তাইৰ চখৰ মাজত পাৰ্থক্য নাই। কিন্তু চখবোৰ কিছুমানৰ বাবে যন্ত্ৰণা। আমাৰ চখবোৰ, সক সক মানুহৰ যন্ত্ৰণা। যন্ত্ৰণাবোৰ উপশম কৰি-বলৈ যাওঁতে সিহঁতবোৰ নিঃস্বৰ পৰা নিঃস্ব হৈ গৈ আছে। তাকে চাই আমি অট্টহাস্য মাৰিছোঁ। আমি নিষ্ঠুৰ, আমাৰ নিষ্ঠুৰতাৰ উপশম নাই। তইতো নিজক অপৰাধী বুলি নাভাব; এতিয়া বাৰু কচোন আমি অপৰাধী হয়নে নহয়? কিছুদিনৰ পাচতে তহঁতৰ ঘৰ-খন পোহৰ হ'ব। ভনীজনীয়ে চখ পুৰোৱাৰ বাবে শালৰ কাপোৰ বিক্ৰী কৰিব নালাগিব। কিন্তু চাপৰ ঘৰবোৰেদি ভুমুকি মৰা অজস্ৰ গাভৰুৰ চখবোৰ পুৰাবলৈ চেষ্টা জানো তই কৰিবি পলাশ?

বাট আমাৰ সদায় আওপকীয়া। যি বাটেৰে যাব লাগিছিল, সেই বাট এৰাই ফুৰিব বিচাৰিছোঁ। যি চিন্তা কৰিব লাগিছিল, সেই চিন্তা আমি কৰা নাই; যিটো বুজাৰ প্ৰয়ো-জন আছিল, তাক বুজিবলৈ চেষ্টাও কৰা নাই। তই, মই, আমি সব পলৰীয়া— বুজিছ; পলা-বলৈ যাওঁতেও মনোকষ্ট পাইছোঁ।

( ৪৭ পৃষ্ঠাত চাওক )

# অ ভি ন য়

কুমাৰী মালা বজক
স্নাতক : দ্বিতীয় বাৰ্ষিক

হঠাৎ বেহেলাৰ করুণ সুৰ এটি শুনি টোপনি ভাঙি গ'ল। আজিয়েই নহয় যোৱা পাঁচ-ছয় মাহৰ পৰা প্ৰত্যেক অমাৱস্যাৰ ৰাতি এই করুণ সুৰ ভাঁহি আহে মোৰ বিপৰীতে থকা কোৱাৰ্টাৰৰ পৰা। নিঝুম অন্ধকাৰ ৰাতি নিস্তব্ধতাক ভঙ্গ কৰি এই সুৰটি ভাঁহি আহে। মোৰ বিপৰীতৰ কোৱাৰ্টাৰত থাকে জীতেন হুৰৰা নামৰ ৩০/৩২ বছৰৰ সুশ্ৰী, সুঠাম মানুহ এজন। তেওঁৰ মৌন, শান্ত মুখখন দেখিলে এনে লাগে যেন তেওঁ জীৱন সংগ্ৰামত পৰাজিত হৈ এই নিৰ্জন ঠাইলৈ পলাই আহিছে। মোৰো এই নতুন ঠাইলৈ অহা আজি পাঁচ-ছয় মাহৰ বেছি হোৱা নাই, আৰু এই পাঁচ-ছয় মাহৰ প্ৰত্যেক অমাৱস্যাৰ ৰাতি এই করুণ সুৰ ভাঁহি অহা শুনি আছোঁ। এনে লাগে যেন মানুহজনে আন্ধাৰক খুব ভাল পায়, নিস্তব্ধতাক ভাল পায় আৰু সেইবাবে বেহেলাৰ সহায় লৈ গোটেই ৰাতি বাহিৰত বহি নিস্তব্ধতাধিনিক, আন্ধাৰখিনিক আৰু করুণ কৰি তোলে।

অফিছৰ সকলো লোকৰ বাবে এইটো এটা গতানুগতিক ঘটনা। শুনি শুনি আজি-কালি কাৰো টোপনি নাভাঙে। কিন্তু মই নতুনকৈ ইয়ালৈ আহিছোঁ আৰু প্ৰত্যেক বাৰেই বেহেলাৰ করুণ শব্দত মোৰ টোপনি ভাঙি যায়। এই অকলশৰীয়া মানুহজনৰ প্ৰতি মোৰ কৌতূহল জন্মে। কিন্তু কাৰো পৰা একো সমিধান নাপাওঁ। বহুতৰ মতে তেওঁ ব্যৰ্থপ্ৰেমিক। এই ব্যস্ত জীৱনত কোনে কাৰ ব্যক্তিগত জীৱনৰ খবৰ ৰাখে? প্ৰত্যেকেই নিজক লৈ ব্যস্ত। অফিছৰ কামৰ বাহিৰে মানুহজনে অইন সময়ত বাৰাণ্ডাত বহি এক উদাস দৃষ্টিৰে চাই





থাকে শূণ্যতাৰ ফালে— যেন অতীতক শূণ্যতাত লগ পাব। মানুহজনৰ লগত চিনাকী হ'বলৈ ইচ্ছা হয়, কিন্তু সাহস নহয়। মনত এনে ভাব হয় যেন কিবা কথা সুধিলে তেওঁৰ মনত কষ্ট দিয়াহে হ'ব। সেইবাবে মনৰ কৌতূহল মনতে মাৰ যায়।

আজি কেইবাদিনো ধৰি অফিছত চলস্থুল পৰিবেশ অৰ্থাৎ এইবাৰ সৰস্বতী পূজাত বিচিত্ৰানুষ্ঠানৰ আয়োজন। দায়িত্ব মোৰ ওপৰতো নপৰা নহয়। মোৰ ওপৰত নাটকৰ দায়িত্ব অৰ্থাৎ অভিনয় কৰিব লাগিব। আমি ডেকা-হঁতে নাটক কৰিম। প্ৰকৃত মই অভিনয় কৰা নাই কেতিয়াও, কিন্তু আমি প্ৰত্যেকেই জানো বাস্তৱ জীৱনত, এই পৃথিৱীত অভিনয় কৰি থকা নাই? ইতিমধ্যে মই এটা কথা জানিব পাৰিলোঁ যে এই জীতেন হুৰৰা নামৰ মানুহজন এসময়ত এজন সুদক্ষ অভিনেতা আছিল। তেওঁৰ অভিনয় দেখি লোকে মুগ্ধ হৈছিল। কিন্তু আজিৰ এই জীতেন হুৰৰাৰ লগত সেই অভিনেতা হুৰৰাৰ কোনো মিল নাই। কিন্তু মই জানো যে এজন শিল্পীৰ কেতিয়াও মৃত্যু নহয়। সেইবাবে মই মনতে ভাবিছিলোঁ যে এবাৰ তেওঁক এই বিচিত্ৰানুষ্ঠানত যোগদান কৰিবলৈ অনুৰোধ কৰিম। অভিনয় নকৰিলেও আমাক সহায়তো কৰিব পাৰে। সুধিম সুধি-মকৈ থাকোঁতেই হঠাৎ এদিন সুযোগ আহিল।

অৰ্থাৎ বেহেলাৰ করুণ সুৰে মোক অজানিতে তেওঁৰ ওচৰলৈ টানি লৈ গ'ল। কেতিয়া গৈ যে তেওঁৰ ওচৰত থিয় হৈছিলোঁ, মই নিজেই নাজানো। হঠাৎ তেওঁৰ মাতত সাৰ পালোঁ: বকৰা দেখোন? ইমান ৰাতি?

বৰ লাজ লাগিল কিন্তু, অপদস্থ নহৈ ক'লো: আপোনাৰ সুৰে টানি আনিছে। ইমান করুণ সুৰ মই কেতিয়াও শুনা নাই। আপুনি ইমান করুণ সুৰ কিয় বজায়?

জানে বকৰা, করুণ সুৰ মোৰ খুব প্ৰিয়।

---

( ৪৫ পৃষ্ঠাৰ পিছৰ পৰা )

সেই বাবেই নেকি, পলাতক সুৰবোৰৰ প্ৰতি মোৰ কোনো আবেগ, অনুৰাগ একো নাই। মই কি ভাবিছোঁ— জান? সৰু সৰু ঘৰবোৰৰ পৰা যদি কেতিয়াবা পৰিশ্ৰান্ত ক্লান্তিৰ শেষত, সন্ধিয়া সমস্বৰে সেই সুৰ ভাঁহি আহে: "আমাৰ চকুলোৰে পানী দি জীওঁৱা মাণিকী মধুৰী ধান ... ... ...।" তয়ো কল্পনা কৰি চাচোন, কিমান সুৰীয়া হ'ব সেই সুৰ। মই জানো, সেই সুৰে আমাৰ আভিজাত্যক, তইতৰ গতানুগতিকতাক নিজিয় কৰিব; কিন্তু সেই সুৰে নিস্পৃহ মনবোৰৰ প্ৰাপ্তিৰ বাতৰি বোৱাই আনিব। সেই সুৰ শুনিবলৈ মোৰ বৰ মন গৈছে অ'। মন দি শুনিবলৈ, সৰু ভণ্টীৰ গীতাৰে যদি আমনি কৰে, তেতিয়া অধিকাৰ নাথাকিলেও মই সেইখন ভাঙি পেলাম। শুনিবলৈ পাবনে বাৰু পলাশ, সেই সুৰ?

ইস, মনৰ কথা জনাৰ খোজোঁতে বৰ দীঘলীয়া হৈ গ'ল চিঠিখন। বেয়া নাপাবি পলাশ, কেতিয়াবা মই নিজকে পাহৰোঁ। অন্যমনস্ক হৈ যাওঁ, পাহৰিলেই তইঁতক ডিষ্টাৰ্ব কৰোঁ। এই বদ অভ্যাসৰ বাবে কেতিয়াবা নিজে নিজে লজ্জিতও হওঁ। ০০০

আপুনি থিয় হৈয়ে থাকিব নেকি ? যদি অসুবিধা অনুভৱ নকৰে তেন্তে বহক।

ময়ো বহি পৰিলোঁ। তাৰ পিছত কথা ওলাল — অফিছৰ, গানৰ আৰু শেষত বিচিত্ৰানুষ্ঠানৰ নাটকৰ। মই এই সুযোগতে তেওঁক অভিনয় কৰাৰ কথাও ক'লে। কিন্তু তেওঁ কিয় এনে কৰিছে! তেওঁ দেখোন উচুপিছে। হায় ভগৱান মইতো অইন একো কোৱা নাই, মাত্ৰ অভিনয় কৰিবলৈহে কৈছিলোঁ। নিজকে বৰ দোষী দোষী যেন লাগিল, আৰু সেইবাবে ক'লোঁ: ছুৰবা, মাফ কৰিব। মই কিন্তু আপোনাক দুখ দিব পৰা একো কোৱা নাই, মাত্ৰ অভিনয় কৰিবলৈহে কৈছিলোঁ, আৰু কৈছিলোঁ এই কাৰণেই যে মই শুনিছোঁ আপুনি এসময়ত এজন সুদক্ষ অভিনেতা আছিল। অজানিতে যদি আপোনাৰ মনত কষ্ট দিছোঁ তেন্তে মাফ কৰি দিব।

অলপ পিছতে তেওঁ প্ৰকৃতস্থ হৈ ক'লে: কিয় ক্ষমা বিচাৰিছে, বৰুৱা। আপুনিতো নাজানে এই অভিনয়তেই মোৰ জীৱনৰ সকলো উজ্জ্বলতা হেৰাই গৈছিল আৰু এন্ধাৰে আৱৰি ধৰিছিল। এই অভিনয়েই মোৰ জীৱনৰ কাল— বৰুৱা, এই অভিনয়েই মোৰ কাল। মই কেনেকৈ অভিনয় কৰিম! তেওঁ আকৌ কান্দিব ধৰিলে। মই একো বুজিব নোৱাৰিলোঁ। অভিনয় কেনেকৈ কাল হ'ব পাৰে ? কিন্তু মোৰ এই কৌতূহল তেওঁ বেছি সময় নাৰাখিলে। মোক তেওঁ নিজৰ কাহিনী কৈ গ'ল।

"জীতেন আৰু মীৰা, মীৰা আৰু জীতেন— এই দুয়োটা নাম একেটা সূতাৰে গথা আছিল। মীৰাৰ অবিহনে জীতেনৰ জীৱন মূল্যহীন, তদ্ৰূপ জীতেনৰ অবিহনে মীৰাৰ জীৱনো মোহহীন। দুয়োজনৰ মাজত গভীৰ ভালপোৱা আছিল আৰু এই ভালপোৱা আছিল আত্মাৰ। জানে বৰুৱা, মই অভিনয় কৰিছিলোঁ আৰু মোৰ অভিনয়তেই মুগ্ধ হৈ আহিছিল মীৰা। আমি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ— একজনে আনজনক এৰি কেতিয়াও নাথাকোঁ, দুয়োজনেই বিবাহ বান্ধোনত বান্ধ খাম। আমাৰ গভীৰ প্ৰেমৰ কথা মীৰাৰ ঘৰতো জানিলে, বাধাও দিলে, কিন্তু মীৰাই সেই বাধাৰ প্ৰাচীৰ পাৰ হৈয়ো মোক লগ পাবলৈ আহিয়েই থাকিল। আমি দুয়োজনেই ভৱিষ্যতৰ বহুতো ৰঙীন কল্পনা কৰিছিলোঁ— কিন্তু বৰুৱা, কল্পনা আজিও আছে, মাত্ৰ বাস্তৱত পৰিণত কৰিবলৈ মীৰা নাই।"

"মীৰাৰ নিশ্চয় আন কাৰোবাৰ লগত বিয়া হ'ল, নহয় জানো ছুৰবা ?"

"নহয় বৰুৱা, তেনে কোনো ঘটনা ঘটিলে মই নিশ্চয় সুখী হ'লোহেঁতেন। কাৰণ কিয় জানে বৰুৱা, প্ৰেমৰ ত্যাগৰ স্থান বহুত ওপৰত। প্ৰকৃত প্ৰেমত পোৱাতকৈ ত্যাগ কৰাৰ মাহাত্ম্য বেছি।"

"তেনেহ'লে মীৰাৰনো কি হ'ল ?"

"তাকেইতো আপোনাক ক'বলৈ ওলাইছোঁ। ইমানদিনে যিটো কথা হৃদয়ৰ গোপন কক্ষত সাদৰেৰে লুকাই ৰাখিছিলোঁ, নিজেই তুষাৰদৰে জ্বলিছিলোঁ, আজি মাত্ৰ আপোনাৰ অভিনয় শব্দই পাৰ ভাঙি দিছে। শুনক বৰুৱা, মইতো অভিনেতা আছিলোৱেই, সেইবাবে ভাবিছিলোঁ বাস্তৱ জীৱনত মীৰাৰ লগত এবাৰ





অভিনয় কৰিম আৰু সেই সুযোগো এদিন সোনকালেই আহিল। কিন্তু আজি ভাবিছোঁ এই সুযোগ মোৰ জীৱনলৈ নাহিলেই বোধহয় ভাল আছিল। আমাৰ অফিছত জীতেন বৰা নামৰ এজন মানুহ আছিল আৰু এদিন তেওঁৰ হাতেলিখা নিমন্ত্ৰণী চিঠি এখন পালোঁ। এই চিঠিখন দেখি মোৰ মীৰাৰ লগত ধেমালী কৰিবলৈ মন গ'ল, কাৰণ চিঠিত লিখা আছিল— সবিনয় নিবেদন,

অহা ২৪ মাৰ্চ তাৰিখে মোৰ বিয়া। তাত আপোনাৰ উপস্থিতি কামনা কৰিলোঁ।

ইতি—

শ্ৰীজীতেন বৰা

মই বৰা উপাধিৰ ঠাইত ছুৰবা শব্দটো লিখি মীৰালৈ পঠিয়াই দিলোঁ। কাৰণ মই জানিছিলোঁ মীৰাই এই চিঠিখন পাই মোৰ মেচলৈ দৌৰি আহিব। খুব আনন্দ লাগিছিল মীৰাক ঠগাব পাৰিম বুলি। মোৰ অনুমান সত্য— দুদিন পিছতে মীৰা মোৰ মেচত উপস্থিত হ'ল, হাতত সেই চিঠিখন। মোক দেখিয়েই মীৰাই কান্দিব ধৰিলে আৰু কিয় মই তেওঁক প্ৰতাৰণা কৰিছোঁ সুধিলে। মই যে বিয়া পাতিছোঁ এই কথা তেওঁ বিশ্বাস কৰিবই টান পাইছে— ইত্যাদি ইত্যাদি, আৰু ময়ো তেতিয়া এজন সুদক্ষ অভিনেতাৰ দৰে কলোঁ: "কি কৰিবা মীৰা। এই বিয়া ঘৰৰ পৰা ঠিক কৰিছে আৰু মই ঘৰৰ অবাধ্য হ'ব নোৱাৰোঁ। তুমি মোক মাফ কৰিবা আৰু আশীৰ্বাদ দিবা যাতে আমি সুখী হ'ব পাৰোঁ।"

মীৰাই একো ক'ব নোৱাৰিলে; মাত্ৰ কান্দি কান্দি দৌৰি ওলাই গ'ল। মই ৰখাব খুজিছিলোঁ, কিন্তু তেওঁ নৰখিলে। মোৰ ভাল লাগিছিল মীৰাৰ অভিমান দেখি আৰু ভাবিছিলোঁ কালিলৈ মীৰাক কলেজত লগ ধৰি সকলো ভুল ভাঙি দিম। কিন্তু মোৰ এই অভিনয় ইমান দামী হ'ব বুলি মই কেতিয়াও ভবা নাছিলোঁ— বৰুৱা। পিছদিনা কি হ'ল জানে বৰুৱা, মই শুনিলোঁ মীৰাই আত্মহত্যা কৰিলে, মোৰ অভিনয়ক সঁচা বুলি ভাবি। মই আৰু তেওঁৰ ভুল ভাঙিব নোৱাৰিলোঁ। মীৰাই মোক অকলশৰীয়া কৰি, মোক ভুল বুজি আঁতৰি গ'ল। এতিয়া আপুনি নিশ্চয় বুজিব পাৰিছে, মই কিয় অভিনয় শব্দৰ উচ্চাৰণত কান্দিছিলোঁ। মই জীৱনত আৰু কেতিয়াও অভিনয় নকৰোঁ, কেতিয়াও নকৰোঁ। অভিনয়েই মোক শেষ কৰি পেলালে। অভিনয়েই মীৰাক মোৰ পৰা আঁতৰলৈ পঠিয়ালে; এই অভিনয় মই কেনেকৈ কৰিম ? মীৰাৰ স্মৃতিলৈ জীয়াই থাকিম। মৃত্যুৰ পিছত যদি কেতিয়াবা মীৰাক লগ পাওঁ, তেন্তে মীৰাৰ এই ভুল ভাঙিব চেষ্টা কৰিম আৰু মীৰাৰ পৰা ক্ষমা পালেহে মোৰ আত্মাই শান্তি পাব। বৰুৱা অভিনয় কেতিয়াও নকৰোঁ। এই বুলি কৈয়েই তেওঁ ভুকুহকাই সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে।

কি বুলি সান্ত্বনা দিম মই ভাবি নাপালোঁ। কান্দিলে তেওঁৰ মনে অন্ততঃ অলপ শান্তি পাব বুলি ভাবি মই বাধা নিদি লাহে লাহে তাৰ পৰা আঁতৰি আহিলোঁ আৰু ঠিক সেই

( ৫১ পৃষ্ঠাত চাওঁক )

**গো**টেই দিনটো কিনকিনিয়া বৰষুণ। সন্ধিয়াৰ পৰা ক্ৰমানয়ে বৰষুণ বেছি হৈ আহিছে। পৃথিবী নিতাল নিস্তব্ধ। সকলো টোপনিত

**স**

লালকাল। তেতিয়াও পলাশ সাৰেই আছে। কান্দি কান্দি ভাগৰি পৰিছে পলাশ। এড-ভোকেট পলাশ হুৰবা। অহা বহাগৰ ৭ তাৰিখে পলাশৰ বিয়া। সম্ভ্ৰান্ত পৰিয়ালৰ

**ং**

ৰূপৱতী ছোৱালী পাৰুলৰ লগতেই তাৰ বিয়া। তথাপিও তাৰ মনত শান্তি নাই। আজি বহা-গৰ ৫ তাৰিখ। মাজতে মাত্ৰ এটা দিন বাকী। আজি তাৰ সকলো আছে। তথাপিও তাৰ যেন আজি কিবা এটাৰ অভাৱ। বাৰে বাৰে মনত পৰিছে বায়েক মায়ালৈ। দেৱতুল্যা বায়েক মায়া। যি জনী বায়েকে সিহঁতৰ কাৰণেই গোটেই জীৱনটো বিপদকে মুৰত লৈ নিজক নিঃশেষ কৰি দিলে। নিজৰ জীৱনটোক বোমন্থন কৰি কৰি পলাশ সোমাই পৰিল অতীতৰ বুকুত।

দেউতাক ভবেন হুৰবা এজন পেঞ্চনভোগী এল, পি স্কুলৰ শিক্ষক। দেউতাক-মাক, মায়া,


**কুমাৰী ৰেৱতী কোঁৱৰ**

প্ৰাক্‌বিশ্ববিদ্যালয় : দ্বিতীয় বাৰ্ষিক


পৰন, জোন আৰু পলাশ। ইমানেই হৈছে সিহঁতৰ পৰিয়াল। সন্তানৰ ভিতৰত মায়াই আছিল আটাইতকৈ ডাঙৰ। খেতি-বাতি আৰু পেঞ্চনৰ টকা কেইটাবে কোনোমতে চলি আছিল। সেই বছৰ মায়া প্ৰাক্ বিশ্ববিদ্যালয়ৰ ২য় বাৰ্ষি-কৰ ছাত্ৰী আৰু পৰনো দশম মানৰ ছাত্ৰ। এনেতে সিহঁতৰ জীৱনলৈ নামি আহে সংঘাত। হঠাৎ এদিন দেউতাক ভবেন হুৰবা অসুস্থ পৰিল আৰু কিনিদিনৰ পিচত চিৰ দিনলৈ চকু মুদিলে। মৃত্যুৰ আগমুহূৰ্তত মায়া-পৰনহঁতক মাতি আনি কৈছিল : 'আই মায়া, তয়েই ঘৰৰ ডাঙৰ সন্তান। পৰনহঁতক লোক গঢ়াবি। তই

**ঘা**

সিহঁতক মানুহ কৰিবি।" ইয়াকে কৈ দেউতাক গুচি গ'ল। কোনো দিন সংসাৰৰ আও-ভাও নুবুজা মায়াই সংসাৰৰ চতুৰ্ভুজ ৰূপ দেখি ভয়

**ত**

খাইছিল কিন্তু পিছুৱাই যাব পৰা নাছিল।





দেউতাকৰ কাজ-কৰম শেষ কৰি ভাই কলেজলৈ যাব ওলাল। কিন্তু ভাইকযে পইচা লাগে। মাচুল, ফিজ আৰু হোষ্টেলৰ ভাড়াকে আদি কৰি ভাইকে দুশ টকা লাগে। আনহাতে কাজত ধান বেচাত খাবলৈকো ধান নাই আৰু পৰনকো পইচা লাগে। ক'ত পাব? মাক আৰু মায়া বৰদেউতাকৰ ওচৰলৈ গ'ল। বৰ দেউতাকেও একো উপায় দিব নোৱাৰিলে। কান্দি কান্দি মাক আৰু মায়া ভাগি পৰিছিল। উপায়হীনতাৰে মাটিকে ১ বিঘা বেচি সকলো লেঠা মাৰিলে। পিছৰ বছৰত প্ৰাক্ বিশ্ববিদ্যালয়ৰ শেহান্তৰ পৰীক্ষাত মায়াই ২য় বিভাগত আৰু পৰনে মেট্ৰিকত ১ম বিভাগত পাচ কৰিলে। অৰ্থৰ অনাটনত পৰি মায়াই ৭৫ মাইল দূৰৰ গুৱাহাটী চহৰৰ এটা অফিচত এটা কেৰাণী পদত সোমাল আৰু পৰনকো গুৱাহাটী মেডি-কেল কলেজত নাম ভৰ্ত্তি কৰাই দিলে। তাবে এটা সৰু গলিৰ সৰু ঘৰকে ভাড়া কৰি মায়া আৰু পৰন থাকিবলৈ ললে।

মায়াই পোৱা ৩০০ টকা আৰু পলাশে এবেলা হাল বায় এবেলা কৰা খেতিবেই ঘৰখন চলিব ধৰিলে। এনেতে মায়াৰ জীৱনলৈ আহিল ২য় সংঘাত। সেয়ে হ'ল : ইঞ্জিনিয়াৰ পৰেশৰ বিয়াৰ প্ৰস্তাৱ। এই পৰেশেই হ'ল পেঞ্চন-ভোগী ডাক্তৰ কমল চন্দ্ৰ বৰুৱাৰ একমাত্ৰ সন্তান আৰু মায়াৰ মৰমৰ পৰেশদা। এই পৰেশকেই তাই ভাল পায় আহিছিল আৰু বিয়া কৰাম বুলি কথা দিছিল। কিন্তু তাই জানো এতিয়া এই প্ৰস্তাৱ মানিব পাৰে? কি কৰিব তাই? মনত পৰি যায় মৃত্যুৰ সময়ত দেউতাকে কোৱা কথাবোৰলৈ। তাইৰ মনৰ দাপোনত এফালে থিয় হয় পৰেশ আৰু আন-ফালে থিয় হয় পৰন আৰু পলাশহঁত। পৰে-শক বাদ দিলে মনটো হয় ধ্বংশ আৰু চিৰদিন হয় অসুখী। কিন্তু ঘৰখন বাদদিলে ঘৰখন হয় ধ্বংস। কি কৰিব? উপাই নাপায় নিজকে অসুখী কৰি পৰেশক বাদ দিলে। আকৌ পলাশৰ মনত পৰি যায় এটা দৃশ্যলৈ। সেই দিনা আছিল পৰেশৰ বিয়া। বিয়া ঘৰৰ বেণ্ডৰ মাত শুনি মায়াই কান্দি কান্দি বেহুচ হৈ পৰি-ছিল সেই সময়ত।

এই বছৰতেই পৰন মেডিকেলৰ পৰা ওলাই আহিব আৰু পলাশেও বি, এ ফাইনেল দিব। হঠাৎ ঘৰত এখন টেলিগ্ৰাম পালে যে – "পৰনে এজনী বিধবা মুছলিম নাৰ্চক বিয়া কৰাইছে।" খবৰটো শুনি মাক অচেতন হৈ পৰিছিল আৰু কোনো দিনেই চেতনা নাহিল। মায়া কান্দি কান্দি ভাগি পৰিছিল আৰু আত্মহত্যা কৰি-বলৈ মনস্থ কৰিছিল। কিয়নো পৰনহঁতৰ কাৰ-ণেই তাই নিজক নিঃশেষ কৰি দিলে। কিন্তু পৰনে তাইক অতি নিষ্ঠুৰ ভাৱেই উত্তৰ দিলে। কেৱল পলাশ আৰু জানৰ বাবেহে তাই জীয়াই


( ৫৩ পৃষ্ঠাত চাওক )



( ৪৯ পৃষ্ঠাৰ পিছৰ পৰা )


সময়তেই যোৱা মাত্ৰ এটা গানৰ কলি মনলৈ বৰকৈ আহিছিল :

"জীৱনটো যদি অভিনয় হয়
অভিনয়তেই যদি মৰম হয়
সেই মৰমৰ দাম কিমান?" ০০০

# হ ত্যা কা ৰী কো ন ?

বীণা বৰা
প্ৰাক্-বিশ্ববিদ্যালয় : প্ৰথম বাৰ্ষিক
প্ৰাঙ্: শাখা

ক্ৰিং  ক্ৰিং ক্ৰিং ... ...

"এঃ আহিল আকৌ এইডাল। ভাল আপদডাল। ৰবা ভায়া, মই গৈছোঁ।" কৈ কৈ অসমৰ খ্যাতনামা ই, অ, চি ৰীতি বৰুৱাই ফোনৰ ওচৰলৈ আহিল। এহাতে শাড়ীখন ঠিক কৰি আনহাতে ৰিচিভাৰটো ধৰিলে। "হেল্ল, ইয়েচ মিচ্ বৰুৱা স্পিকিং ... কি ... লুইত ... এই ৰাতি ... পুৱা গ'লে হ'বনে ? ... তুমি তোমাৰ কৰ্ত্তব্য কৰা। মই পুৱাই যাম। ... গুড্ নাইট।" হে হৰি কি কৰা যায় এতিয়া। এসপ্তাহমান জিৰণিৰ পাচতেই আকৌ খুন। কৈয়ে অসমৰ এগৰাকী ডিটেক্‌টিভ ৰীতি বৰুৱাই টেবুলত কাঞ্চাই সজাই থোৱা পানী-খিনি খালে। তাৰ পাচত পুনৰ বিচনাত পৰিল। বেড্ চুইচটো অফ্ কৰি শুই পৰিল ৰীতি।

কাঞ্চা, এককাপ হৰলিক্স, জলদি। আৱাজ দিয়ে ৰীতিয়ে ধুপডাল লৈ কোঠাটোৰ একাষত থকা শিৱৰ ফটোখনৰ আগত থৈ সেৱা কৰিলে। তাৰ পাচত ৰীতিয়ে বেলবটম্ এজোৰ পিন্ধি লৈ মুখ ফণিওৱাত লাগিল। তেনেতে কাঞ্চাই হৰলিক্স আৰু লগত অলপ নাস্তা লৈ আহিল। "কাঞ্চা, ড্ৰাইভাৰকো বুলাও, মে অভী বাহৰ জাওঁঙ্গা, জলদি।"

"আচ্ছা মেমচাহাব।"

গাড়ী গৈ থানা পালেগৈ। থানাত অ, চি, লুইত হাজৰীকা ৰৈ আছিল। গাড়ীৰ হৰ্ণ শুনি ওলাই আহিল। ৰীতিয়ে দৰজা খুলি দিলে। লুইত আহি ৰীতিৰ ওচৰতে বহিল। "ড্ৰাইভাৰ, গাড়ী ইঞ্জিনিয়াৰ মহেশ দত্ত কে ঘৰ মে লে চলো।" বাটত লুইতে ৰীতিক সকলো ক'লে। ইঞ্জিনিয়াৰ মহেশ দত্তক কোনোবাই হত্যা কৰি গৈছে। মানুহজন নৰ্গাৱঁৰ। ইয়ালৈ অহা মাত্ৰ এবছৰ হৈছে। কাৰো লগত বেচি হলিগলি নকৰে। ৰাতি কোনোবাই হত্যা কৰি কোঠাতে থৈ গৈছে। তেওঁ দীঘলী পুখুৰীৰ পাৰত অকলে নহয়, লগত আৰু



চাৰিজনৰ সৈতে মেচ্ কৰি থাকে। গাড়ী গৈ মহেশ দত্তহঁতৰ মেচ পালে। ৰীতি আৰু লুইত নামিল। নামিয়েই ৰীতিয়ে দেখিলে পুলিচে গাৰ্ড দি থকা সত্ত্বেও এজনী উনৈশ-বিছ বছৰীয়া কিশোৰীয়ে শটো ধৰি কান্দিব ধৰিছে। ৰীতিয়ে লুইতলৈ প্ৰশ্নবোধক চাৱনিৰে চালে। লুইতে ইয়াৰ অৰ্থ বুজিব পাৰি ক'লে : "মৃত দত্তৰ লগৰ ছোৱালীজনীৰ সম্বন্ধ আছিল। মানে শুনামতে দত্তৰ প্ৰেমিকা বিজু বৰুৱা।" ৰীতিয়ে ঘৰটোৰ চাৰিওফালে চালে। তাৰ পাচত মেচত থকা সকলোৰে লগত কথা পাতিলে। ৰীতিৰ নিৰ্দেশত শটো ঘৰৰ মানু-হক চমজাই দিবলৈ লুইতে পুলিচক নিৰ্দেশ দিলে। ৰীতিয়ে বিজুৰ এড্ৰেচ লৈ গাড়ীত উঠিল। বাটত লুইতে ৰীতিক সুধিলে : "কেচটো কেনে বুলি ধাৰণা কৰা ?" অলপ মনে মনে থাকি ৰীতিয়ে ক'লে : "ক'বতো নোৱাৰি। অফিচৰ কথাওটো থাকিব পাৰে বা ঘৰুৱা বিষয়ো জড়িত হ'ব পাৰে।" ৰীতি অলপ আনমনা হৈ গ'ল। থানাত লুইতক নমাই দি ঘৰ পাওঁতে দুপৰীয়া এটা বাজিছিল।

আবেলি গাড়ীখন লৈ ৰীতি ওলাই গ'ল। উজান বজাৰত থকা বিজু বৰুৱাৰ ঘৰটো উলি-য়াবলৈ ৰীতিৰ টান নহ'ল। বাহিৰতে বিজুৰ দেউতাক নগেন বৰুৱা বহি আছিল। চিনাকী দিয়াত দেখেতে ৰীতিক নি বিজুৰ কোঠা পোৱালেগৈ। বিজু কান্দি কান্দি শুই আছিল। ৰীতিক দেখি উঠি বহিল।

"বিজু, এখেত প্ৰাইভেট্ ডিটেক্‌টিভ ৰীতি বৰুৱা। তোক লগ পাবলৈ আহিছে। বাক



আপুনি বহক। মই কোঠাতে আছোঁ।" কৈয়ে নগেন বৰুৱা গুচি গ'ল।

"বহক, মই বৰ অসুস্থ। এক্সিডেণ্ট।"

"নিশ্চয়, মইতু নাৰী, দুবুজা নহয়।

---

( ৫১ পৃষ্ঠাৰ পিচৰ পৰা )

থাকিল। বি, এ পাছ কৰাৰ পিছত পলাশক আইন পঢ়াই আনিলে আৰু জোনক বিয়া দিবলৈ যো-জা কৰিলে। মায়াই জোনক পলা-শৰ লগবে এজন উকীললৈ বিয়া দিলে।

দিনক দিনে মায়া খোৱা-লোৱাত অনিয়-মিত আৰু ৰুগীয়া হৈ পৰিল। এদিন অফিচৰ পৰা পলাশে আহি দেখে যে মায়া কাহি কাহি পৰি আছে আৰু কাহোতে নাকে মুখে সোঁ-সোঁকৈ তেজ ওলাইছে। উধাতু খাই পলাশে ডাক্তৰ আনিলে। ডাক্তৰে মায়াক চায় পলা-শক টি, বি হৈছে বুলি ক'লে আৰু অতি সোনকালে গুৱাহাটীলৈ নিব লাগে বুলি পৰা-মৰ্শ দিলে। দুদিনৰ পিছতেই মায়াক হস্পি-টেলত ভৰ্ত্তি কৰোৱা হ'ল। কিন্তু মায়া জানো জীয়াই থাকিল ? মায়াই বাৰু কিহক লৈ জীয়াই থাকিব ? যাৰ নেকি জীৱনৰ আশা উদ্দীপনা সকলো হেৰাই গ'ল যিয়ে নেকি গোটেই জীৱনত শূন্যতাকে বুকুত সাৱটি আছিল, তাই আৰু শূন্যতাক লৈ কিমান দিন থাকিব ? তাই কেৱল জীয়াই আছিল কৰ্ত্তব্যক লৈ। কৰ্ত্তব্য শেষ হোৱাৰ পিছত তাই আকৌ কিয় থাকিব ? গুৱাহাটীলৈ নিয়া একসপ্তাহৰ পিছ-তেই মায়াই পলাশৰ মায়া এৰি, ডাক্তৰৰ চিকিৎসাক ইতিকিং কৰি গুচি গ'ল। ০০০

কিন্তু কৰ্ত্তব্যৰ খাতিৰত আপোনাক কিছু কথা সুধিব লগীয়া হৈছে। আশাকৰোঁ সঠিক উত্তৰ দিব ?"

"যিখিনি পাৰোঁ।"

অলপ ইতস্ততঃ কৰি বিজুৱে উঠি ফেনখন অন্ কৰি দিলে। তাৰ পাচত পুনৰ আহি বিচনাতে বহিল। ৰীতিয়ে কোঠাটোত চকু ফুৰালে। এটা পৰিপাটি কোঠা।

"বাৰু আপোনাৰ বয়স ?"

"ধৰক কুৰি। বৰ্ত্তমান এম, এ, পঢ়ি আছোঁ।"

"অ, বাৰু কওঁকচোন, মহেশ দত্তৰ লগত আপোনাৰ সম্বন্ধ কিমান দিনৰ ?"

হঠাৎ দত্তৰ নাম শুনি বিজু আকৌ কল্পনা-মুগ্ধ হ'ল। ৰীতিলৈ চাই চকুপানী মচি ক'লে: "প্ৰায় দুবছৰ।" কৈয়ে বিজুৱে উচুপিব ধৰিলে। ৰীতি অস্থবিধাত পৰিল। ৰীতিৰো যেন কলিজাৰ কোনোবা কোণত বিয়াই গ'ল। তথাপি মন ডাঠ কৰিলে। উচুপি থকা বিজুক ক'লে: "চাওক, মই আহিছোঁ আপোনাৰ ওচৰলৈ কৰ্ত্তব্যৰ খাতিৰত। গতিকে আপুনি বিচলিত হ'লে মই গুচি যাবই লাগিব।" এইবাৰ বিজুৱে চাদৰৰ আঁচলেৰে চকুপানী মচিলে। ৰীতিয়ে পুনৰ সুধিলে: "দত্তক আপুনি খুব ভাল পাইছিল— নহয় ?"

"হয়" চমুকৈ উত্তৰ দিলে বিজুৱে।

"আপোনালোকৰ এই সম্বন্ধৰ কথা দুয়োৰে ঘৰত বোধকৰোঁ জানে ?"

"হয়।"

"আপুনি জানো জালুকবাৰীত মানে হোষ্টেলত নাথাকে ?"

"থাকোঁ।"

"তেন্তে ঘৰলৈ কেতিয়া আহিল ?"

"পৰহি। কাৰণ মাহঁতে মোৰ আৰু মহেশৰ বিয়াৰ বাবে খৰধৰ কৰিছিল।"

"খৰধৰ কিয় ? নিশ্চয় কিবা ......।"

"নহয়, মাৰ মতে গাভৰু ছোৱালী ঘৰত বেচি দিন ৰাখিব নালাগে। আনহাতে মহেশ সোনকালে শিৱসাগৰলৈ ট্ৰেন্সফাৰ হোৱাৰ কথা। গতিকে ......।"

"বুজিলোঁ। বাৰু মিচ্ বৰুৱা, পানী এগিলাচ ......।"

"বব, আনিছোঁ।" কৈয়ে বিজু পানী আনিবলৈ ওলাই গ'ল। ৰীতিয়ে এই ছেগতে বিজুৰ বিচনাখন ডাঙি চালে। আচৰিত। এখন চিঠি। ৰীতিয়ে পকেটত ভৰাই ললে। তাৰ পাচত বিচনাখন আগৰ দৰে থৈ টেবুলত থকা এলবামখন খুলি ল'লে। এনেতে চৰ্বৰাই সোমাই আহিল বিজুৰ মাক। ৰীতিয়ে আন্দাজতে নমস্কাৰ দিলে। প্ৰতি নমস্কাৰ দি মাক বিচনাতে বহিল।

"আপুনি বিজুৰ মাক নহয় ?"

"হয়, আপুনি প্ৰাইভেট ডিটেক্‌টিভ ৰীতি বৰুৱা নহয় ? হেৰি মহেশক কোনে হত্যা কৰিলে ? ইমান ভাল ল'ৰাটো। মোৰ যে ইমান মৰম লাগিছিল তালৈ। ইমান অমায়িক।" কৈ কৈ মানুহগৰাকীয়ে আঁচলেৰে চকুপানী মচিলে।

"মই জনাত তেখেতৰ চৰিত্ৰত অলপ দোষ থকাৰ বাহিৰে তেখেত ......... ।"



"হেৰি, আপুনি তাৰ চৰিত্ৰত কি দোষ দেখিলেহে ? ইমান ভাল লৰাটো...... ।"

"মইতো বেয়া বুলি কোৱা নাই। কিন্তু হয়তো কাৰোবাক কিবা বেয়া ব্যৱহাৰ ... .. "

"কি ক'লে ? একমাত্ৰ সেই জগদীশ ডালেহে তাক দেখিব নোৱাৰে। আৰু জগদীশ হবলা ভাল মানুহ। মহেশেই বিজুৰ বদনাম গোৱা দেখি তাক গতিয়াই ঘৰৰ পৰা খেদিছিল নহয়! মহেশ ইমান উদাৰ! উঃ ... ।"

"জগদীশ ... ।" তেনেতে বিজুৱে ট্ৰে এখনত চৰবত এগিলাচ লৈ আহিল। ৰীতিয়ে ট্ৰেখনৰ পৰা লৈ চৰবত গিলাচ খালে।

"মা, তুমি যোৱা, পাপা ক'ৰবাত যাব ওলাইছে।"

"অ, হেৰি আপুনি বহক, মই যাওঁ।"

"মযো গৈছোঁ।" কিন্তু ইতিমধ্যে মহিলাগৰাকী কোঠাৰ বাহিৰ ওলাইছিল, গতিকে ৰীতিৰ কথা শুশুনিলে।

"বাৰু মিচ্ বৰুৱা, এতিয়া মই যাওঁ। যদি দৰকাৰ হয়, তেন্তে মোক টেলিফোন নম্বৰ ২৮৪৫১-ত বিচাৰিলে পাব। গুড্ ইভিনিং। আকৌ লগ পাম।"

ৰীতি নামি আহিল। মাকক মাত লগাই ৰীতি গাড়ীত উঠিল। হঠাৎ ৰীতিৰ চকু পৰিল নদীৰ পাৰৰ এখন দোকানত এজন ডেকাই চিগাৰেট হুপি ৰীতিলৈ চাই আছে। ৰীতিয়ে গাড়ী চলালে।

সেইদিনা আহিয়েই ৰীতিয়ে চিঠিখন পঢ়িলে চিঠিখন বিজুৰ ব্যৰ্থ প্ৰেমিকে লিখিছে। সাৰমৰ্ম হ'ল— যদি বিজুৱে মহেশক বিয়া কৰে তেন্তে তেওঁ প্ৰতিশোধ ল'ব। গতিকে বিজুক সাৱধান কৰি দিছে। চিঠিখন এমাহমান আগতে লিখা। তেওঁ থানালৈ ফোন কৰিলে: "হেল্লো, ৰীতি স্পিকিং, লুইতক দিয়া ... লুইত নেকি ? ... অ, বিজু বৰুৱাক সম্ভৱ ৰাতি কোনোবাই আক্ৰমণ কৰিব। ... তুমি ৰেডী থাকিবা। আৰু শুনা ...... দুটামান পুলিচ বিজুৰ ঘৰৰ ওচৰত ৰখাবা। ... অ, ... চেফ্‌টিৰ বাবে...... বিজুক বচাব লাগিব ...... নহ'লে বিপদ হ'ব ...... ভালেই ...... গুড্ নাইট।"

ৰীতিয়ে চিঠিখন পঢ়ি কিবা এটা ভাবিলে। তাৰ পাচত তাই নাইট গ্ৰাউনটো পিন্ধি লাহে লাহে বাহিৰ ওলাল। তেতিয়া ৰাতি চাৰে দহ। হাতত ৰীতিয়ে এটা টৰ্চ আৰু ৰিভলভাৰটো পকেটত ললে। বাহিৰত চকীদাৰটো আছিল। ৰীতিয়ে সি দেখিব বুলি পাচফালৰ বাটেৰে ওলাল। ৰীতি গৈ উজান বজাৰ পালে। তেওঁ সম্পূৰ্ণ পুৰুষৰ বেশত। তেওঁ আহি দোকানখনৰ ওচৰ পাওতেই দেখিলে সেই ডেকাজনক। ৰীতিয়ে নেদেখা ভাওজুৰি গৈ থাকিল। বিজুহঁতৰ ঘৰলৈ চালে। সকলো সাল-কাল। তেওঁ আগুৱাই গ'ল। ৰাস্তাটো ঘূৰি তেওঁ নদীৰ পাৰৰ ফালে গ'ল। তাতে তেওঁ লুইত আৰু দুটা পুলিচক দেখিলে। সিহঁত আহি আছে। তেওঁৰ হাঁহি উঠিল। ওচৰ পালত তেওঁ মাত দিলে: "ডাৰোগা বাবু, এইদৰে নহয়।" লুইতে তেওঁক চিনি পালে। তেওঁ পুলিচ দুটাক ঘূৰাই হেম বৰুৱা পথেদি লৈ গ'ল। "ৰবা। এইফালে এই গলিয়েদি গৈ বাওঁফালে শেষৰ ঘৰটোৰ কাষেদি জেওৰা

পাৰ হ'বা। পাৰ হয়েই যিটো দুইতলা বিল্ডিং, সেইটোৱেই ৰিটায়াৰ্ড ইঞ্জিনিয়াৰ নগেন বৰুৱাৰ ঘৰ। ওপৰ তলাৰ দুই নম্বৰ কোঠাটোত বিজু থাকে। কোঠাটোত চকু ৰাখিবা। বিজুৰ বিপদ দেখিলে গুলী চলাবা। মোৰা এতিয়া। আমি অলপ মহেশ দত্তৰ মেচ্‌ৰ ফালৰ পৰা আহো। সাৱধান কিন্তু।" আদেশ পাই পুলিচ দুটা গ'ল। ৰীতিয়ে লুইতক সুধিলে : "মটৰ চাইকেল ক'ত ?"

"অলপ আগত, ব'লা।" দুয়ো গৈ মটৰ চাইকেলত উঠিল। লুইতে চলালে। মহেশ দত্তৰ মেচৰ আগত ৰ'ল। "ওহো কোনো নাই ৰীতি। লগৰ কিজন ঘৰামৰি গৈছে।"

"হয়নেকি ?"

"বাৰু ক'ৰবাত চাহ একাপ খোৱা হ'লে।"

"এৰা, ব'লাচোন, পাণবজাৰৰ কল্পনা বা মায়ালৈকে।"

দুয়ো গৈ পাণবজাৰ পালে। মায়া খোলা আছিল। দুয়ো দুকাপ স্পিচিয়েল চাহ খালে। লুইতে আৰম্ভ কৰিলে : "ৰীতি, তোমাৰ কি সন্দেহ হয় ?"

"জানা লুইত, আজি আবেলি মই বিজুৰ তালৈ আহিছিলোঁ। তাতে মই বিজুৰ ব্যৰ্থ প্ৰেমিক কোনোবাই বিজুক এমাহমান আগতে দিয়া এখন চিঠি পালোঁ। তাত বিজুক মহেশৰ লগত বিয়া হ'বলৈ মানা কৰিছে। আনহাতে বিজুক বিয়া হ'লে প্ৰতিশোধ ল'ম বুলিও কৈছে। তাতে মাকৰ লগত কথা পাতি এই ব্যৰ্থ প্ৰেমিক কোন হ'ব পাৰে, তাৰো আন্দাজ পাইছোঁ। এতিয়া মাত্ৰ ধৈৰ্য্য ধৰা সোপ। মাত্ৰ পুৱালে। অঃ, চাৰে এঘাৰ বাজিলেই। ব'লা উজান বজাৰলৈ।" ঘড়ীলৈ চাই ৰীতি উঠিল। লুইতো উঠিল। পইচা দি দুয়ো মটৰ চাইকেলত উঠিল। দুই এখন দোকানৰ বাহিৰে সকলো নিস্তব্ধ। লুইতে নদীৰ পাৰে পাৰে মটৰ চাইকেল চলালে। আগৰ ঠাইতে মটৰ চাইকেলখন থৈ দুয়ো অলপ আগবাঢ়িছেহে এনেতে শুনিলে এটা গুলীৰ শব্দ। অলপ পাচতে শুনিলে আন এটা গুলী আৰু লগতে "ধৰ তাক" বোলা চিঞৰ। ৰীতিয়ে তৎক্ষণাৎ লুইতক মটৰ চাইকেল আনিবলৈ উভোতালে। মটৰ চাইকেল লৈ দুয়ো তৎক্ষণাৎ ঘটনাস্থলী পালেগৈ। মানুহ লৰালৰি কৰি জুম বান্ধিছে। এনেতে ৰীতিয়ে শুনিলে বিজুৰ কোঠাত মাকৰ কান্দোন। তেওঁ লৰ মাৰি ওপৰলৈ উঠি গ'ল। দৰজা খোলা। বিজু বিচনাত। মাকে সাবটি ধৰি কান্দিছে।

"কি হ'ল ? গুলী লাগিল। লুইত বেগতে থানালৈ ফোন কৰা, গাড়ী লাগিব।" ওপৰৰ পৰা চিঞৰি ৰীতিয়ে তলত থকা লুইতক ক'লে। দুই মিনিটতে পুলিচ ভান আহিল। বিজুক দাঙি নি ভানত উঠাই দিলে। লগত মাক, ভায়েক আৰু এচ, আই প্ৰদীপ শইকীয়া গ'ল। ইতিমধ্যে মানুহৰ হাই-উৰুমি আৰম্ভ হৈছিল। পুলিচ দুটাই এজন মানুহক ধৰি আনিছে। ৰীতিয়ে দেখিয়েই চিনি পালে সেই দোকানত দেখা যুৱকজনক। সকলোৱে তাক বেৰি ল'লে। ৰীতিয়ে পুনৰ ফোন কৰিলে। অলপ পাচতে আন এখন পুলিচ



ভান আহিল। ডেকাজনক লৈ পুলিচদুজন ভানত উঠিল। ৰীতি লুইতৰ মটৰ চাইকেলত উঠিল। ভানৰ পাচে পাচে লুইতে মটৰ চাইকেল চলালে। থানাত সকলো নামিল। লুইতে পুলিচকিটাক কিবা কৈ ৰীতিক লৈ ৰীতিৰ ঘৰলৈ গ'ল।

* * *

পিচদিনা পুৱা ৰীতিয়ে পুনৰ গাড়ী লৈ হচ্‌পিতাল পালেগৈ। ডাক্তৰৰ পৰা জানি লৈ ৰীতি বিজুৰ কোঠা পালেগৈ। বিজুক ৰাতিয়েই অপাৰেচন কৰা হৈছে। গুলী বাওঁহাতত বাহত লাগিছিল। মাকে ওচৰতে বহি কান্দি আছিল। ৰীতিয়ে পুনৰ গাড়ী লৈ থানা পালেগৈ। থানাতে বহি ৰীতি, লুইত আৰু প্ৰদীপ শইকীয়াই চাহ খালে। তাৰ পাচত ... ... "বাৰু মিচ বৰুৱা, আপুনি কেনেকৈ জানিলে যে আজি ৰাতিয়েই বিজুক হত্যাকাৰীয়ে আক্ৰমণ কৰিব ?"

হাঁহিলে ৰীতিয়ে। "হত্যাকাৰীৰ ভুল সেইখিনিতেই। হত্যাকাৰী দৃঢ় প্ৰতিজ্ঞ যে প্ৰতিশোধ লবই।"

"কিন্তু তুমি জানিলা কেনেকৈ ?" লুইতে ৰীতিলৈ আচৰিত ভাৱে চাই সুধিলে।

"প্ৰথম বিজুক মন কৰা। ছোৱালীজনী বেচ ধুনীয়া। তাইৰ চাৱনি, তাইৰ খোজ-কাটলে মোক বিপাঙত পেলাইছিল। যিহেতু ছোৱালীজনী চঞ্চল। তেনে চঞ্চল, অথচ ধুনীয়া ছোৱালীক ভাল পাবলৈ বহুতো যুৱকৰ হেতা-ওপৰা লাগে। গতিকে মই অনুমান কৰিছিলোঁ বিজুৰো প্ৰেমিক এজন কেতিয়াও হ'ব নোৱাৰে। মোৰ ধাৰণা দৃঢ় হয় বিজুলৈ ব্যৰ্থ প্ৰেমিক নামেৰে সাৱধান বাণী শুনোৱা চিঠিখন পাই। মহেশৰ লগত চিনাকী দুটা বছৰৰ। আনহাতে এনে ছোৱালীৰ কলেজত বি, এ পঢ়ালৈকে নিশ্চয় প্ৰেমিক থাকে। আকৌ মাকৰ লগত কথা পাতোতে মাকে কোনোবা জগদীশক মহেশে..."

"এৰা বৰুৱা, ডেকাজনে ৰাতি নামটো সোধোতে জগদীশ বুলি কৈছিল।"

"এৰা, মোৰ অনুমান ঠিকেই, মহেশে জগদীশক অপমান কৰিছিল বুলি কৈছিল। গতিকে মই অনুমান কৰিছিলোঁ যে জগদীশেই ব্যৰ্থ প্ৰেমিক। হয়তো নহ'বও পাৰে। কিন্তু বাৰু মিঃ শইকীয়া, জগদীশক আনকচোন, কথা আছে।" শইকীয়াই চাপ্ৰাচী এটাক জগদীশক আনিব ক'লে। দহমিনিটতে জগদীশক অনা হ'ল। লগত দুটা পুলিচ। ৰীতিয়ে এবাৰ তালৈ চালে। তাৰ পাচত লুইতলৈ। জগদীশে তল মুৰ কৰিলে।

"বাৰু মিঃ জগদীশ, আপুনি বিজুক ভাল পাইছিল ?"

জগদীশ নিমাত। "চাওক, আপুনি নকলেও জানো যে আপুনি ব্যৰ্থ প্ৰেমিক। বিজুৱে আপোনাক বিট্ৰে কৰিলে।"

"নহয়, নহয় বিজু...... বিজুৱে ... নহয় মহেশে......।" থৰথৰকৈ কঁপিছিল যুৱক। হাঁহি মাৰি ৰীতিয়ে ক'লে : "বুজিছো, তাৰ বাবেই মহেশক হত্যা কৰিলে নহয় ? আৰু বিজুকো কৰিব খুজিছিল... চাপ্ৰাসী, এওঁক লৈ যোৱা।"

( ৫৯ পৃষ্ঠাত চাওক )

# হেৰোৱা অতীতৰ মায়া

অঞ্জলি বৰা
স্নাতক : প্ৰথম বাৰ্ষিক

**মা**নুহৰ হৃদয়ত আশাৰ পদুমে থিতাপি লয়। সি বিকাশ লাভ কৰিব বিচাৰে। কিন্তু বাস্তৱৰ কঠিন আঘাতত সি ভাগি চূৰমাৰ হৈ যায় আৰু কেতিয়াবা আকাংক্ষিত সপোনবোৰে পৰিপূৰ্ণতা লাভ কৰে। সোণালী সপোনবোৰে যেতিয়া পূৰ্ণাঙ্গ ৰূপ ধাৰণ কৰে তেতিয়া মানুহে বিচৰা প্ৰয়োজনীয় সকলোবোৰ বস্তু নাপায়। এটিয়ে যেতিয়া অন্তৰলৈ আনন্দৰ ঢল বোৱাই আনে, তেতিয়া আন এটিয়ে অন্তৰাত্মাক কন্দুৱাই হাঁহাকাৰ কৰি তোলে। একে সময়তে বহুতৰ ভাৱবোৰৰ বিজয়োৎসৱ হয় আৰু আনফালে আন বহুতৰ ভাৱবোৰৰ সমাধিপ্ৰাপ্ত হয়। তাৰ ফলত মানুহৰ জীৱন ছন্দোময় হৈ উঠে।

তৰাৰ জীৱনতো তেনেধৰণেৰে ভাবোচ্ছ্বাস আৰু উচ্চাকাংক্ষাবোৰৰ উত্থান-পতন হয়। তাইৰ কল্পনাবোৰে যেনেদৰে এক দিশে বাস্তৱত ফলৱতী হৈ বিকাশপ্ৰাপ্ত হৈছে আন দিশে তাইৰ অতি ভাল লগা সোণৰ সঁফুৰা এটি কালৰ পৰা চিৰদিনৰ কাৰণে হেৰাই গৈছে।

তৰাই তাইৰ জীৱনটোৰ বিষয়ে নাভাবো বুলিও ভাবিবলৈ বাধ্য হয়। তাইৰ হেৰোৱা সপোনবোৰলৈ— বহুতো হেঙুলী কিৰণবোৰলৈ মনত পৰিলে দুখাৰি চকুলো দুগালেদি বৈ আহে। দিনটো তাই তাইৰ হেৰাই যোৱা অতীতৰ কথাবোৰ ৰোমন্থন কৰে। কোনোবা সময়ত ভাৱাবেগত আপোন-পাহৰা হৈ উঠে।



তাৰ পৰা নিষ্কৃতি লাভ কৰে— যেতিয়া তাইৰ ঘৰত কাম কৰা ছোৱালীজনীয়ে কান্দি উঠা কেঁচুৱা ল'ৰাটিক নিচুকাবলৈ কান্দোন বন্ধ কৰিব নোৱাৰি তাইৰ গৰাকিনীৰ ওচৰলৈ লৈ আনে।

ৰাজীৱৰ সংসৰ্গই যদিও তাইক বেদনাময় অতীতটোক পাহৰাই ৰাখে, তথাপি অলপ নিৰিবিলি পৰিবেশতেই পাৰ হৈ যোৱা ঘটনাসমূহে তাইৰ স্মৃতি-পটত ভুমুকি নমৰাকৈ নাথাকে। আজি তৰা সুখী। ৰাজীৱে তাইৰ কোলালৈ এটি সন্তান আনি দিছে, আৰু ৰাজীৱৰ ভালপোৱাই জীয়াই থকাত প্ৰেৰণা যোগাইছে।

তাই ভাবে— মানুহৰ জীৱনটো কি? মানুহ কি ধাতুৰে গঠিত? ভগৱানে মানুহৰ অন্তৰখন কিহেৰে তৈয়াৰ কৰি দিছে? এই পৃথিৱীত মানুহবিলাক ভিন্ন ধৰণৰ। ভগৱানে হয়তো সকলো মানুহকে একে ধাতুৰে গঢ় দিয়া নাই। ইয়াৰ বাহিৰেও অন্তৰবিলাকো নিশ্চয় বেলেগ বেলেগ পদাৰ্থৰ দ্বাৰা তৈয়াৰ কৰিছে।

তৰাৰ মাক তিনি বছৰ বয়সতে ঢুকাইছিল, সিঁহঁতৰ সময়ত তাই জন্ম-মৃত্যু, স্বৰ্গ-মৰ্ত্ত্য, পাপ-পুণ্য আদিৰ বিষয়ে একোকেই বুজা নাছিল। দেউতাক আৰু ককায়েক অৰূপৰ তত্ত্বাৱধানতে তাই ডাঙৰ-দীঘল হৈ এদিন ঘৰৰ যাৱতীয় কাম কৰি স্কুললৈ যাব পৰা হৈছিল। তাইৰ মৰমৰ ককায়েক — বিজু তাইৰ খেল-ধেমালিৰ, কামৰ, স্কুললৈ যোৱাৰ, এনেকি হাঁহি-কান্দোনৰ লগৰী, তেওঁক ভগৱানে কুৎসিত ৰূপেৰে মানৱ জীৱন ধৰাইছিল। সেয়ে ককায়েক

অৰূপৰ ওপৰত দৃষ্টি পৰিলেই মানুহে ঘৃণাত মুখ বিকৃত কৰিছিল আৰু পৃথিৱীত এনে মানুহবো জন্ম হয় বুলি বিতৃষ্ণাত থু পেলাইছিল। স্কুলত তাইৰ ককায়েক এজন মেধাৱী ছাত্ৰ

---

( ৫৭ পৃষ্ঠাৰ পিছৰ পৰা )

পুলিচে জগদীশক লৈ গৈছিল। তাৰ চকুত পানী। নীতিয়ে ক'লে : "মোৰ অনুমান ঠিকেই। বিজুৱে বিষ্ট্ৰে কৰাত জগদীশে আন উপায় নাপাই মহেশৰ ওচৰ চাপিছিল। কিন্তু মহেশে বিজুৰ সকলো কথা জানিও ভাল পাইছিল। গতিকে জগদীশক ঘৰৰ পৰা ওলাই যাব কৈছিল। শেষত উপায়বিহীন হৈ জগদীশে হত্যাৰ আঁচনি কৰিলে। আৰু ফলত মহেশে প্ৰাণ হেৰুৱালে। সচৰাচৰ জগদীশে ভাবিছিল বিজুৱে সকলো প্ৰকাশ কৰিব। কাৰণ জগদীশে প্ৰতিশোধ ল'ব বুলি চিঠি দিছিল। দেৰি কৰিলে বিজুৱে প্ৰকাৰ কৰিব বুলি জগদীশে আজি ৰাতিয়েই বিজুক শেষ কৰিব বিচাৰিছিল। ফলত ব্যৰ্থ প্ৰেমিক ধৰা পৰিল হত্যাকাৰী হিচাবে।" কৈয়ে নীতিয়ে লুইতলৈ চালে। এনেতে ফোনটো বাজি উঠিল। লুইতে ধৰিলে ; "হেল্লো…… ইয়েচ ……হোৱাট ……বিজু ……অলৰেডী ডেড ……অ, কে " লুইতে ফোনটো থৈ দিয়েই ক'লে : "নীতি, বিজু শেষ।"

"মই জানিছিলোঁ।"

"তুমি জানিছিলা?"

"এৰা, ভালেই হ'ল! নহ'লে তাই আত্মহত্যা কৰিলেহেঁতেন। বাৰু মই এতিয়া যাওঁ।" কৈ কৈ নীতি থানাৰ পৰা ওলাই আহিল।০০০

বুলি নাম আছিল। শিক্ষকসকলে তাক সেই গুণটোৰ কাৰণে ভাল পাইছিল, মৰম কৰিছিল। আৰু তাৰ লগতে অৰূপৰ কুৎসিত চেহেৰাটোক লৈ ক'বলৈ নেপাহৰিছিল। নিশ্চয় অৰূপক এই কথাষাৰে শক্তিশেলে বিন্ধাৰ দৰে বিন্ধিছিল। কি কৰিব! শিষ্যই গুৰুক পিতৃৰ দৰে সন্মান, শ্ৰদ্ধা কৰাটো চিৰন্তন ধৰ্ম।

বাৰ্ষিক খেল প্ৰতিযোগিতাত অৰূপে গধুৰ বস্তু দলিওৱাত প্ৰথম স্থান অধিকাৰ কৰি জয়ী হৈছিল। তৰাৰ মনত কি যে আনন্দ! কিন্তু তাই এই আনন্দ অন্তৰতে আৱদ্ধ কৰি চেপি ৰাখিছিল। কুৎসিত ককায়েকৰ কৃতিত্বৰ কথাই কাৰো হিয়াত আনন্দৰ ৰেখাপাত কৰিব পৰা নাছিল। কোনোৱে ঈৰ্ষা পৰায়ণিত হোৱাৰ বাহিৰে সেই ক্ষেত্ৰত হৰ্ষিত হ'ব নোৱাৰিছিল।

কোনোৱে অসুৰ সদৃশ অৰূপৰ এই সফলতাত অলপো আনন্দিত হোৱা নাছিল। যেয়ে অৰূপক চকুৱে চুই গৈছিল, সেয়ে মাথোন বিদ্ৰূপৰ হাঁহি মাৰি বিভিন্ন ধৰণৰ ঠাট্টা-মস্কৰা চলাইছিল। অৰূপ যিফালেই গৈছিল সেইফালেই মাথোন কটাক্ষ চাৱনি, যি চাৱনিত নিহিত আছিল ঘৃণা আৰু ইতিকিঙৰ চাব আৰু বজ্ৰৰ দৰে কঠিন বাক্যবাণ।

ধৈৰ্য্য আৰু সহ্য গুণ চেৰাই অৰূপে এটা পৈশাচিক দৈত্যৰ দৰে এটা দলৰ ওচৰলৈ গৈছিল। কাৰ পায়েই এটা ল'ৰাৰ লগত দ্বন্দ্বযুদ্ধত লিপ্ত হৈ অৰূপে বিপক্ষ ল'ৰাটিক ঘোচা মাৰি নাকে-মুখে তেজ উলিয়াই দিছিল। তাকে দেখি দলৰ আটাইবোৰ পলাইছিল আৰু ল'ৰাটোৱে মাটিত পৰি কান্দি উঠিছিল।

তৰাই দেখিছিল ককায়েকে এক বীভৎস হাঁহি মাৰিছিল আৰু বিপক্ষ ল'ৰাটি আছিল স্বয়ং প্ৰধান শিক্ষকৰ ল'ৰা সুৰূপ। সকলো শিক্ষক আৰু আন আন বহুতো মানুহ সিহঁতৰ ওচৰলৈ আহি সুৰূপক চিকিৎসাৰ কাৰণে আঁতৰাই নিছিল। প্ৰধান শিক্ষকে লগে লগে অৰূপক বেত্ৰেৰে কঠোৰ শাস্তি বিহি চিৰদিনৰ কাৰণে যাতে কোনো বিদ্যালয়তে বিদ্যা-শিক্ষা ল'ব নোৱাৰে তেনেধৰণে বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিছিল।

তৰা আৰু অৰূপে হতাশাৰ এটি মদিৰা পাত্ৰ লৈ ঘৰলৈ উভতিছিল। শূন্য ঘৰখনিত পদাৰ্পণ কৰিয়েই তৰাই ককায়েকৰ কাষত উচুপি উঠিছিল। সেইদিনাখন যেন ভগৱানে অৰূপৰ কোমল হৃদয়খনি পাষাণেৰে গঢ়ি দিছিল। অৰূপে কন্দা নাছিল, মাত্ৰ শোকাভিভূত হোৱা ভনীয়েক তৰাৰ মুখলৈ সঘনে চাইছিল। মৰমেৰে মূৰত হাত বুলাই অৰূপে তৰাক সান্ত্বনা দিছিল, তাইক স্বাৰ্থপৰ, মলিপূৰ্ণ আৰু প্ৰলোভনময় সমাজত প্ৰতিষ্ঠিত হ'বলৈ ধৈৰ্য্য, সাহস আৰু ন-উদ্দীপনা লৈ বিদ্যা অধ্যয়নত ৰত হোৱাৰ উপদেশ দিছিল। শেষ নিশা তাইক কন্দুৱাই অৰূপে ন-জগতৰ নতুন সোৱাদ ল'বলৈ ঘৰৰ পৰা আঁতৰি গৈছিল। তৰাই নিষ্ঠুৰ নিয়তিক অভিশাপ দি দি হুকহুকাই কান্দিছিল। অন্ধ নিয়তিয়ে দেউতাকক সিহঁতৰ বুকুৰ পৰা কাঢ়ি নি আৰু ককায়েকক ঘৰৰ পৰা উলিয়াই নি অপাৰ আনন্দ লুটি তৰাক শোক-সাগৰত পেলাই মাৰিছিল।





ককায়েকৰ কথাকে সাৰোগত কৰি নিয়মিতৰূপে স্কুললৈ গৈছিল। ককায়েকৰ বীভৎস ৰূপটোক লৈ যেতিয়া সমনীয়াই ঠাট্টা-মস্কৰা কৰি আমোদত লিপ্ত হৈছিল, তৰা তাৰ পৰা নীৰৱে আঁতৰি গৈছিল নতুবা ধৈৰ্য্য আৰু সহ্য গুণেৰে তাক সহি থাকিছিল; নহ'লে তাইৰ স্বৰ্ণময় আকাংক্ষাবোৰ বাস্তৱত ৰূপায়িত নহ'ব আৰু অৰূপৰ কাৰ্যবোৰ বিফলে যাব।

অৰূপ ডকাইত হৈছিল; ধনী শোষণকাৰীসকলৰ তলা ভাঙি চন্দুকৰ পৰা ধন-সোণ লুট কৰিছিল আৰু দুখীয়া মানুহবিলাকক সেই ধন-সোণ দি জীৱন যাত্ৰাত সহায় কৰিছিল। এদিন দুদিন কৰি লুটপাট বাঢ়ি গৈছিল; পিচে পিচে পুলিচে খেদা লৈছিল। তাৰ মাজতো ভনীয়েক তৰাৰ খবৰ লবলৈ পাহৰা নাছিল। গভীৰ, নিস্তব্ধ ৰাতি চেনেহৰ ভনীয়েকৰ কাষলৈ গৈছিল আৰু তাইক প্ৰয়োজনীয় সামগ্ৰী আৰু টকা-পইচা আদি দি বাহিৰেই গুচি গৈছিল। ওচৰ চুবুৰীয়াই তৰাক অৰূপৰ কথা সুধিলে তাই তাক অস্বীকাৰ কৰিছিল।

অকলশৰীয়া ঘৰখনত অকলশৰীয়া জীৱন যাপন কৰি কেতিয়াবা সমাজৰ গৰিহণাৰ বিষয়ে ভাবি জীৱনৰ প্ৰতি ধিক্কাৰ উপজিছিল! কিন্তু পিছ মুহূৰ্ততে ভৱিষ্যত জীৱনৰ চিন্তাই তাইৰ ভাৱত যতি পেলাইছিল। সোণালী ভৱিষ্যতৰ মায়াই ধিক্কাৰ ভাৱ নিমিষতে চিহ্ন মাত্ৰও নাইকিয়া কৰি দিছিল। পঢ়া-শুনাৰ আগ্ৰহে মনত খোপনি পুতিছিল। মনলৈ যেতিয়া হতাশাৰ ভাৱবোৰ নাচি-বাগি আহিছিল, তেতিয়া তাই সেইবোৰক আয়ত্তৰ ভিতৰলৈ আনি ভবিষ্যতে সোণাৰি ধূলিৰ লগত মিলাই দিছিল। তাৰ ফলস্বৰূপে তাই ইংৰাজী বিভাগত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান অধিকাৰ কৰি গ্ৰেজুৱেট হৈছিল। তেতিয়াও তাইৰ আৰু ককায়েকৰ কল্পনা কাৰ্যক্ষেত্ৰত পৰিণত হোৱাৰ দিন আৰু বাকী আছিল।

মাষ্টাৰ ডিগ্ৰীৰ অভিলাষৰ লৈ তৰাই এম, এ, পঢ়িবলৈ লৈছিল। নবীন আৰু সুন্দৰ কল্পনাবোৰক বাস্তৱত পৰিণত কৰিবলৈ তাই যত্নপৰ হৈছিল। তেতিয়াই তাইৰ চিনাকি হয় এলিষ্টাৰ স্বামী ৰাজীৱৰ লগত। ৰাজীৱৰ চকুত তাই নিৰাপদ আশ্ৰয়ৰ সন্ধান পাইছিল আৰু অনুভৱ কৰিছিল ৰাজীৱে যেন তাইলৈ সোণবৰণীয়া ফাকুগুড়ি কিছুমান লৈ আনিছিল। সেয়ে লাহে লাহে দুয়ো দুয়োৰে কাষ চাপিছিল। দুয়োজনে দুয়োৰে মনৰ কথাবোৰ বুজি ভৱিষ্যতৰ জীৱন সঙ্গী হোৱাত চুক্তিবদ্ধ হৈছিল। যিটোৰ ভৱিষ্যতে আজি দুয়োৰে দাম্পত্য জীৱন সুখৰ, আনন্দময় আৰু শান্তিপূৰ্ণ।

ফাইনেল পৰীক্ষা দি তৰাই দুচকুত নবীন সপোনৰ মায়া সানি ঘৰলৈ গৈছিল। অৰূপে ৰাতি গোপনে বিপদ-বিঘিনিক নেওচি তৰাৰ ওচৰলৈ ডাকযোগে পঠিওৱা টকা-পইচাৰ আৰু পৰীক্ষাৰ খবৰ লবলৈ চপলিয়াই গৈছিল। তৰায়ো সকলোবোৰ বিৱৰি কৈছিল, লুকুৱাই ৰাখিছিল কেৱল ৰাজীৱৰ লগত হোৱা চুক্তিবদ্ধতা। সমাজৰ, চৰকাৰৰ চকুৰ কুটা হৈ অৰূপৰ দিনবোৰ কেনেকৈ অতিবাহিত

হৈছিল সোধাত কেন্সাৰত আক্ৰান্ত হৈ ভোগা দাৰুণ যন্ত্ৰণাৰ বাহিৰে সকলোবোৰ খবৰেই এটি এটিকৈ তাইক জনাইছিল।

পৰীক্ষাৰ ফলাফললৈ তেতিয়া তিনিমাহমান বাকী। শৰীৰৰ যন্ত্ৰণাই অৰূপক অহৰ্নিশি খুলি খুলি খাইছিল। দিনক দিনে বৃদ্ধি পোৱাত এজন চিকিৎসকৰ ওচৰলৈ উপায়ন্তৰ হৈ চিকিৎসা কৰাবলৈ গৈছিল। ডাক্টৰক উপযুক্ত পাৰিশ্ৰমিক দি সময়ত উভতিছিল। বিপদ যেতিয়া আহে তেতিয়া কেউপিনৰ পৰাই কিলবিলাই সাপ পোৱালীবোৰ ওচৰলৈ অহাৰ দৰে আহে। দাৰুণ যন্ত্ৰণা লৈ অসুস্থ সগজেৰে উভতাৰ পথ অৰূপে বিপদমুক্ত কৰিব পৰা নাছিল। উভতাৰ পথত কোনো এক অজ্ঞানিত ভুলৰ কাৰণে পুলিচৰ হাতত ধৰা পৰি গৈছিল। অৰূপৰ নামত বিচাৰ চলিছিল আৰু ছটা বছৰৰ কাৰণে জেলৰ হুকুম হৈছিল। অৰূপে বন্ধ কাৰাগাৰত ক্ৰমশঃ বৃদ্ধি পোৱা শৰীৰৰ কষ্টক লৈ চকুলো টুকি টুকি সময়বোৰ গণিছিল— কেতিয়া তেওঁৰ শান্তিভৰা মৃত্যু আহিব, কেতিয়া আমনিহীন নিদ্ৰাই তেওঁক আকোৱালি ল'ব।

বিয়োগান্ত জীৱন নাটকত অভিনীত কৰা ককায়েকৰ নিদাৰুণ দুৰ্দশা শুনি তৰাই পশ্চিমাকাশত ধূমকেতুৰ আবিৰ্ভাৱ হোৱা যেন পাইছিল। দুখত তাইৰ মনাকাশ আচ্ছন্ন হৈ পৰিছিল। গোটেই পৃথিৱীখন যেন তাইৰ কাৰণে ধোৱাৰে ধূসৰময় হৈ উঠিছিল। তাইৰ মনে বিচাৰিছিল কাষত থাকি পৰিচৰ্যা কৰি ককায়েকৰ দুখ লাঘৱ কৰিবলৈ। প্ৰবল ধুমুহাই মহাসাগৰত ডুবাই দিয়া ককায়েকে জীৱনৰ শেষ ক্ষণটি গণি গণি কাৰাগাৰত জীৱন কটোৱাটো তাইৰ কাৰণে ভীষণ বেদনাদায়ক হৈ উঠিছিল। তাইৰ সুকোমল হৃদয়খনি বিকল্পবাদীতাত কঁপিছিল।

যন্ত্ৰণা বেছি হৈ যোৱাত অৰূপে চিকিৎসা কৰোৱাৰ অনুমতি পাইছিল, যেতিয়া নিশ্চিত মৃত্যুৰ হাতসাৰাৰ কোনো উপায় নাছিল। চিকিৎসালয়লৈ যাবলৈ অসামৰ্থ্য হোৱাত অৰূপক ধৰলৈকে লৈ যোৱা হৈছিল। চোতাললৈকে যোৱা টেক্সীখনৰ শব্দ শুনি ভিতৰৰ পৰা তৰা ওলাই গৈ দেখা কগ্না আৰু তিল তিলকৈ মৰণৰ গহ্বৰলৈ আগবাঢ়ি গৈ থকা ককায়েকক দেখি সিয়ঁৰি উঠিছিল— মনত বজ্ৰ নিনাদিত ধুমুহাই গৰজনি তুলিছিল। কান্দিব খুজিও তাই কান্দিব পৰা নাছিল। বিচনাত ধৰি ধৰি শুৱাই দিয়া ককায়েকলৈ মাত্ৰ তাই একেথৰে চাই ৰৈছিল।

জীৱনৰ শেষ পৰ্য্যায়ত উপনীত হোৱা ককায়েকে তৰাক সঘনে বিজ্ঞাণ্টৰ বিষয়ে সুধিবলৈ লৈছিল আৰু তাইক তাইৰ ভৱিষ্যত জীৱনৰ এজন সু-চৰিত্ৰবান সঙ্গী বাচি লোৱাৰ উপদেশ দিছিল। অৰূপে তৰাক কাষতে লৈ শান্তিহীন আৰু কষ্টময় জীৱনৰ বহুত কথাই কৈছিল। তৰাৰ মানস-পটত জিলিকিছিল এটুকুৰা পৰিষ্কাৰ কাচত প্ৰতিবিম্বিত হোৱা ক'লা ক'লা কিছুমান অটব্য গহ্বৰ।

অৰূপক শেষ মৃত্যুৰ দাৰুণ যন্ত্ৰণাই অলাই তুলিছিল। বেদনাত বৰকৈ কেঁকাইছিল। তেনে সময়তে ৰাজীৱে খৰতকীয়াকৈ দৈনিক



বাতৰি কাকতখন লৈ ভিতৰলৈ সোমাই গৈছিল। স্বৰ্গ-যাত্ৰী অৰূপক ৰাজীৱে তৰাই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰাৰ কথা জনাই কাকতখন অৰূপৰ হাতত তুলি দিছিল। কঁপা কঁপা হাত দুখনেৰে ধৰি এখন্তেক পৰৰ লাগি চাই কাকতখন আবেগ জড়িত বুকুখনিত জোৰেৰে চেপি ধৰিছিল। সেইখনেই যেন তেওঁক ইমান দিনলৈ ভগৱানে জীয়াই ৰাখিছিল। অৰূপৰ মন আৰু হৃদয় আনন্দত উৎফুল্লিত হৈছিল আৰু মুখত এটি প্ৰশান্তিময় হাঁহি উদ্ভাসিত হৈ উঠিছিল আৰু দুগালেদি দুধাৰি আনন্দাশ্ৰু ধাৰাশায়িত হৈছিল। এক অনাবিল শান্তি লৈ অৰূপে মৰণৰ কোলাত আশ্ৰয় লৈছিল।

তৰাৰ আত্মহাৰা মনে দিগ্‌বিদিগ শূণ্য যেন দেখা পাইছিল। শোকত তাইৰ বুকু ভাঙি গৈছিল। ৰাজীৱৰ সান্ত্বনা বাণীয়েও সেইদিনাখন তৰাক শান্ত কৰিব পৰা নাছিল। এটি অমূল্য ৰত্ন তাইৰ পৰা হেৰাই গৈছিল। কেৱল তাই ৰাজীৱৰ বুকুত মূৰ থৈ জীৱন সঙ্গিনী হোৱাৰ প্ৰতিশ্ৰুতি পাইছিল।

আজি কালি ৰাজীৱে বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যত অধ্যাপনা কৰিছে। কিছুদিনৰ কাৰণে তৰায়ো অধ্যাপনা কৰিছিল। ৰাজীৱৰ একান্ত ইচ্ছাত তৰা তাৰ পৰা বিৰত হৈ ঘৰতে দিনবোৰ কটাইছে। এইবোৰ ভাবি ভাবি তাই অসীম আকাশলৈ চাই থাকোতে ক'ব নোৱাৰাকৈ দুচকু পানীৰে উপচি পৰি বাৰিষাৰ বন্যাৰ দৰে চকুলো দুগালেদি বাগৰি আহিছে।

ৰাজীৱ ঘৰলৈ আহি দেখে যে তৰাই খিৰিকীৰ কাষত কিবা এক ভাৱত নিমগ্ন হৈ দূৰ আকাশলৈ চাই চকুলো টুকি ৰহি আছে। ৰাজীৱে তাইক মৰমসনা মাতেৰে কি হৈছে বুলি সোধাত তড়িৎবেগে তাই সম্বিত ঘূৰাই পালে। ৰঙা সূৰুযৰ হেঙুলী ৰশ্মিৰে চাটি থকা নিৰ্মল আকাশৰ পৰা তাই দৃষ্টি ফিৰাই আনিলে। ৰাজীৱৰ মৰম-সনা আৰু আবেগ-জড়িত মাতত তাইৰ শোকৰ ভাৱে বেছিকৈ অন্তৰ আকুল কৰি উতলাই তুলিলে। জীৱন মৰণৰ সঙ্গী ৰাজীৱৰ বুকুত সোমাই আন একো কৰিব নোৱাৰি তৰাই মাথোন হুকুহুকাই কান্দি উঠিল।

লাহে লাহে তমসা দেৱীৰ আবিৰ্ভাৱ হ'ল। চৌদিশ আন্ধাৰে আগুৰি পেলালে। সেই আন্ধাৰক ভেদ কৰি ঘৰে ঘৰে প্ৰজ্বলিত হৈ উঠিল একোগছিকৈ বন্তি— ধীৰ, নীৰৱ আৰু মৃদু বতাহত দুলীয়মান হৈ।

× × ×

"অসমীয়া ভাষা আমাৰ মাতৃ ভাষা। মাতৃৰ নিচিনা বাবেই মাতৃয়ে বেজাৰ পোৱা কাম কৰা সন্তানসকলৰ পক্ষে অতি অযুগুত। ই শাস্ত্ৰৰ বাক্য। ইয়াকে জানি অসমীয়াসকলে মাতৃ ভাষাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি প্ৰকাশ কৰা উচিত।"

—আনন্দৰাম ঢেকিয়াল ফুকন

# কবিতা

## 'ভগ্ন আশা'

গীতা শইকীয়া
প্ৰাক্‌বিশ্ববিদ্যালয় : দ্বিতীয় বাৰ্ষিক

মনত আছিল বহুত আশা
হম উকীল কিম্বা ডাক্তৰ
কিন্তু হায় ! পূৰ্ণ নহ'ল আশা
বিধিৰ কি বাধা ।
কিছু লিখা-পঢ়া শিকি
মাহৰ পিছত মাহ দৰ্খাস্ত লিখি
আজিয়ে মই হৈছোঁ বেকাৰ ।
খালী হাত, পেটত নাই ভাত,
ছিন্ন মলিন ভুষণ, তাতোকৈ শীৰ্ণ চেহেৰাখনি
আজি যে এনে হ'ব
তাকতো জনা নাছিলোঁ আগত ।
ৰঙীন স্বপ্নময় জীৱন আজি একেবাৰে মিছা,
সুন্দৰ বলিষ্ঠ দেহত, কেৱল বেকাৰত্বৰ ছাপ আঁকা
বেকাৰত্ব— ই কি অভিশাপ,
নে কি কোনো পাপ ? যাৰ বাবে আজি
জীৱন যৌৱন — সকলো হ'ল চূৰ্ণ ;
মনৰ কোনো আশা নহ'ল পূৰ্ণ । ০ ০ ০

## ॥ আক্ষেপ ॥

শ্ৰীকাকলী বৰা
স্নাতক, ২য় বাৰ্ষিক।

সৌৰা—
    জীৱনৰ প্ৰলয় হুংকাৰ—
    ৰিণি ৰিণি কাণত বাজিছে
        ক্ষন্তেক নীৰৱ...... ...
    হিয়া মোৰ উঠিছে নামিছে
    কিবা যেন হেৰুৱাৰ ভয়ত !
    ক্ষুধাৰ্ত্তৰ আৰ্ত্তনাদ চৌদিশে
    বিপ্লৱী জনতা জাগিছে
    বিদ্ৰোহৰ দাবাগ্নি জ্বলিছে
        প্ৰতিকূল মাথো এমুঠি নৰপিশাচ।

০ ০ ০

    দেশৰ মংগলৰ নামত ইহঁত উ'হঁপোক
    মুখেৰে দিনৌ গঢ়ে একোখন সভ্য সমাজ
    শান্তিৰ আলো দি'ছে চহৰে নগৰে—
        দিনৰ পোহৰত ইহঁত গোপন
            ভৱা-গব্য-দেশপ্ৰেমিক
    কিন্তু, আন্ধাৰৰ সুযোগত যে কি কাণ্ড ইহঁতৰ ?
    জনতা আজি পেপুৱা লাগিছে—
        ভয়ত, ক্ষোভত
    প্ৰগতিৰ জবিগছি অ'ইঠিছে
        সেয়া নৰদানৱ
        কি যে ছলনা ইহঁতৰ !
    ভৱিষ্যতত নিচিহ্ন হ'ব
        দেশৰ স্পন্দন—
        সময়ৰ এয়া কুটিল আহ্বান।

০ ০ ০

## ॥ ভূমিকম্প ॥

শ্ৰীঅঞ্জলি বৰা
প্ৰাক্-বিশ্ববিদ্যালয় :
দ্বিতীয় বাৰ্ষিক

আমাৰ মৃত্যুলৈ বাক
কিমান দিন বাকী ?
সম্ভৱ বেচি দিন নাই।
শুনিছোঁ আমি কোনো
বিজ্ঞানীৰ বাণী
হ'ব এক ভূমিকম্প
ধৰণী বিদাৰি।

হওক ভূমিকম্প
হ'ব সৃষ্টি আগ্নেয়গিৰিৰ
আহিব অনেক লাভা
প্ৰচণ্ড বেগে যেন
গতি তাৰ বৰবৈছিলা।
সেই বেগে নিব উটুৱাই
আমিও যাম দূৰ বহু দূৰলৈ
গৰ্ভৰ পৃথিৱী।

কীৰ্ত্তিৰৰ আচাৰৰ
এবিধৈ অনেক কীৰ্ত্তি
    ক্ষমা নাই কাৰো।
হে ভূমিকম্প !
    আনিবানে বান তুমি
উটুৱাই নিবলৈ
    মানৱ ধৰণী
আনিবানে বজ্ৰপাত, ভেবেকণী
    লগত তোমাৰ
আনিবানে অনেক লাভা
পুতিবলৈ মানৱ সভ্যতা
নাগাগে থাকিব আমাৰ
স্তব্ধ কীৰ্ত্তি স্তম্ভ
    আকৌ নতুন হ'ব
হওক নতুন
সাজিব গঢ়িব সভ্যতা
আমিও নতুন হ'ম
    কলং পাৰত।
সঁচানে ভূমিকম্প
আহিবা ইবাৰ। ০ ০ ০

## ॥ উপেক্ষিতা বহাগ ॥

স্বপ্না খাটনীয়াৰ
প্ৰাক্-বিশ্ববিদ্যালয় : প্ৰথম বাৰ্ষিক

বহাগ আহিল
বনলৈ
চেনাইৰ মাতত
বহাগ আহিল
মনলৈ ।
কপৌ নাহৰ ফুলিলে
কুলি কেতেকী মাতিলে
আৰু
ন-পানী বাঢ়িবৰ হ'ল ॥

বহাগ,
তুমিয়ে দিছিলা মোক
আজি ইমান দিন
বহু-বহু হাঁহি
বহুতো মৰম
আৰু
তুমিয়ে দিছিলা মোক
ৰচিবলৈ হিয়াত সপোন ।।

বহাগ,
তোমাক নমস্কাৰ !
এতিয়া তোমাৰ স্থান নাই
দীনহীন প্ৰাণ মোৰ
তুমি আৰু নাহিবা
অতীত আৰু' নানিবা—
দিবলৈ' অশেষ যাতনা— ।।

বহাগ,
গোপন ফাগুনে হাঁহিছে
তুমি নুবুজা কিয় ?
এতিয়া,
মৰম বৰবিহ
জীয়া তেজ নাই
মাথো,
বজ্ৰ-জৰা আঙঠা
হাতুৰীৰ শব্দেৰে
জীৱন গঢ়িছো আমি ।। ০ ০ ০

## ॥ মৰণোত্তৰ পৰীক্ষা ॥

শ্ৰীমীৰা শৰ্মা বৰুৱা
প্ৰাক্-বিশ্ববিদ্যালয় :
দ্বিতীয় বাৰ্ষিক

এক বৃদ্ধ বাটৰ কাষত
লাখুটিত ভৰ দি যায়,
দুৰ্বল চৰণ দুখনি তেওঁৰ
থৰক বৰক, হৃদয়ৰ স্পন্দন ;
যেন জীৱন ঘড়ীৰ পেণ্ডুলাম ।

অচল অৱস্থা নিৰাপত্তাহীন খোজবোৰ,
সন্ধিয়াৰ আন্ধাৰে বিলুপ্ত কৰে পোহৰবোৰ,
হাহাকাৰ সৃষ্টি হয় দুৰ্বল হৃদয়ত ।
তথাপি যাব লাগিব বহুত দূৰ বাট,
আশা সুদূৰত থকা ক্ষীণকায় লৰা-ছোৱালীবোৰ,
ৰৈ আছে তেওঁৰেই অপেক্ষাত ।

অকস্মাৎ দুৰ্ঘটনা ! দুৰ্ঘটনা ! দুৰ্ঘটনা !
সুসজ্জিত এখনি টেক্সিৰ প্ৰচণ্ড খুন্দা
নোৱাৰিলে লাখুটিয়ে যোগাব শক্তি
বৃদ্ধ পৰি ৰ'ল বাটৰ কাষত ।
থাকিল বাকী মাত্ৰ কাষৰ জোলোঙাটি
কেইটামান খুদ চাউল আশাৰ সম্ভাৰী,
মৰণোত্তৰ পৰীক্ষাই কয় তেওঁ হেনো ভিক্ষাৰী ।

০ ০ ০

## ॥ নতুন দিন ॥

জপা বৰা
প্ৰাক্-বিশ্ববিদ্যালয় : দ্বিতীয় বাৰ্ষিক

সেই যে প্ৰতিশ্ৰুতি
মনত আছে ?
নাথাকিবও পাৰে—
কিন্তু মই—
জীয়াই আছোঁ
দুৰ্বাৰ প্ৰত্যাশা বুকুত বান্ধি ।

সকলো চুৰমাৰ হৈ গ'ল—
বাৰে বাৰে শুনিছোঁ।
প্ৰৱঞ্চনা
প্ৰতাৰণা
হয় জানো তুমি প্ৰৱঞ্চক ?
নে প্ৰতাৰক ?
তুমি যে নতুন পুৰুষ
অনাগত দিনৰ ।

০ ০ ০

## নিয়তি

উৎপলা বৰা
স্নাতক, দ্বিতীয় বাৰ্ষিক

তেজ বিন্দু মিশ্ৰিত গোপশুটি
দেখিছোঁ। ধীৰে ধীৰে প্ৰস্ফুটিত
হ'ব ধৰিছে ।
ঘৰে ঘৰে তেজেৰে এইবাৰ আশাৰ
সঞ্চাৰ হ'ব নেকি ?
আশ্চৰ্য্য কি ?
দূৰত শুনিছোঁ।
নিয়তিৰ অট্টহাস্য
তেনে পুনৰ জাগ্ৰত হ'ব
পূৰ্বৰেই প্ৰতিচ্ছবি ।

০ ০ ০

## ॥ কেইটামান মিনি কবিতা ॥

মীনা কোঁৱৰ
স্নাতক, ২য় বাৰ্ষিক ।

**জন্ম :**

এখন আকাশৰ তলত,
শত শত নৱজাত শিশুৰ ক্ৰন্দন ।
আনন্দৰ আগ জাননী,
ভৱিষ্যত জীৱনৰ ॥

**বিবাহ :**

জীৱনৰ য'ত গ্লানি
বগা ওৰণিৰে ঢাকি,
মই এদিন তোমাৰ হ'ম
মাথোঁ তোমাৰ— ;
সেইক্ষণত আনিছিলো
ৰঙা সেন্দুৰৰ ৰেখা আঁকি ।

**স্মৃতি :**

ভাল লাগে অতীতৰ স্মৃতি
পাৰ হৈ যোৱা,
মধুৰ দিনৰ—
কিছুমান পাহৰিব নোৱাৰা
কেঁচা অ'চোৰ ।

**মৃত্যু :**

নীলিম আকাশৰ তলত
মৃ-ইজ্যাত থকা
কিছুমান প্ৰাণী,
লক্ষ্য যাৰ এটি মাত্ৰ বিন্দু
মৃত্যুলৈকে জীয়াই থকাৰ । ০ ০ ০

## মন্দাৰৰ বেদনা ঃ

শ্ৰীঅঞ্জনা ডেকা
প্ৰাক্-বিশ্ববিদ্যালয় :
১ম বাৰ্ষিক

অ' মন্দাৰৰ ফুল
কিয়নো ফুলিলি ?
বহুতেই গে ভোল
উৰি ফুৰে পমিলো ॥
এয়ে মাথোঁ হ'ল দুখ তোৰ জীৱনৰ ।
নিষ্ঠুৰ মানৱে তোক নকৰে আদৰ ॥
সমাজতো নালাগে
সমাজত নালাগে
থাক তল ভৰি সৰি ।
ভৰিৰ গছকত মৰি ॥
নিজৰ দুখৰ কথা নিজে ভাবি ভাবি ।
কেতিয়াবা জানো তই প্ৰতিকাৰ পাবি ॥
গোলাপৰ দৰে গন্ধ
নাইনেকি তোৰ ?
চম্পাফুলৰ দৰে
ৰূপে ভৰপূৰ ॥
সেয়েহে মানুহে তোক নকৰে আদৰ ?
নেচায় কেৰাহীকৈ দুজনে কাতৰ ॥

০ ০ ০

## প্ৰতিবাদ

মিচ্ মধুমিতা বৰদলৈ
প্ৰাক্‌বিশ্ববিদ্যালয় ঃ দ্বিতীয় বাৰ্ষিক

কৰিছোঁ মই প্ৰতিবাদ
এতিয়াই নহয় !
সদায়-সদায় ।

য'ত নেকি হিংসাৰ পয়োভৰ,
য'ত নেকি জীৱৰ প্ৰতি অতি নিদাৰুণ পৰাণ,
ত'তে কৰিম মই শেষ প্ৰতিবাদ ॥

নিদিওঁ মই প্ৰশ্ৰয় কলুষ-কালিমাক—
নিদিওঁ মই স্থান নিষ্ঠুৰ সাধনাক—
এইহেন দুখময় নিৰবিচ্ছিন্ন মানৱ সংসাৰত কোনেও জানো
নিদিব কাণ ?

কোনেও জানো নাগাব জীৱনৰ জয় গান ?
প্ৰতিবাদ—প্ৰতিবাদ—প্ৰতিবাদ
প্ৰকৃত নাগৰিকৰ, প্ৰকৃত মানৱৰ, প্ৰকৃত কাৰণত
সদায় প্ৰতিবাদ !!!

০ ০ ০ ০

## —ৰোমন্থণ—

সাবলা বৰা
প্ৰাক্‌বিশ্ববিদ্যালয় ১ম বাৰ্ষিক

শৈশৱৰ কেঁচা স্মৃতি মোৰ
যৌৱনৰ পচোৱাই মচিব খোঁজে ।
শান্ত, শুদ্ধ, সুন্দৰ, চিৰ সেউজীয়া
চিৰ স্মৰণীয় সোণালী দিনবোৰ
মানস-পটত অঁকা আছে ।

সত্য, সুন্দৰ জীৱনৰ সেন্দুৰীয়া বাট
শৈশৱেই সকলোকে নিয়ে গঢ়কায় ।
কতনো ৰঙীন সপোন, বাস্তৱত নাই
জীয়াই থকাৰ আনন্দ শৈশৱতে পায় ।

শৈশৱে মোক হাত বাউলি মাতে
নোৱাৰোঁ যে যাব মই কাঁইটৰ মাজে ।
শৈশৱৰ দিনবোৰ যিমান মধুৰ
যৌৱনৰ তাড়না বেদনা গধুৰ ।

মোক লাগে শৈশৱৰ সেউজীয়া পথ,
তেহে পাৰিম চলাব জীৱন ৰথ ।

০ ০

—:+:—

## ॥ সুৰুযমুখীৰ স্বপ্ন ॥

ৰঞ্জা চম্‌ৱা ।
প্ৰাক্‌ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক ।

তোমাৰ বুকুৰ নিবিড়তাত
এপাহি সূৰ্য্যমুখী ফুল
কোনোবা দিনাই মৰহিল ।
চুহি চুহি ৰঙা কৰা
কেঁচা কলিজাখনত
সুৰুযমুখী স্বপ্ন মোৰ
শিলাময় পাহাৰ হ'ল
ধূসৰ ৰাতিৰ ।

কত সুৰুয তুমি সজিয়া ।
আকাশ কঁপোৱা অভিসাৰে
জোনটিলৈ যেতিয়াই চাওঁ—
( তুলসীৰ তলে মৃগ পহু চৰে··· )
বে'কা হাঁহি মাৰি দেখোন
ক'লা ডাৱৰৰ আঁৰত লুকায় ??
সূৰ্য্যমুখী মন মোৰ আছিল :
সূৰ্য্যমুখী হৈ ফুলাৰ ।
এতিয়া সেই মন
প্ৰতিটো নিশাৰ
মুক্তিৰ 'প্ৰভাত' হ'ল ।

০ ০ ০

# এমুঠি পোহৰৰ সন্ধানত

শেৱালী বৰা
প্ৰাক্‌বিশ্ববিদ্যালয় ২য় বাৰ্ষিক

অন্ধকাৰে গ্ৰাস কৰা
এটি কোঠাত
মই আবদ্ধ।
মুক্তিৰ অপেক্ষাত মই
অধিক উৎকণ্ঠাৰে
বাট চাই আছোঁ।

এটি নতুন প্ৰভাতৰ সন্ধানত
মই উত্তেজিত হৈ পৰিছোঁ।
ক্ষোভত হাবাথুৰি খাইছো
এজাক অগ্নিবাণৰ কামনাত।

যি বাণৰ প্ৰচণ্ড আঘাতেৰে
আঁউসীৰ সেই ভয়াবহ আন্ধাৰবোৰ
পুনি চাৰখাৰ
কৰি দিব পাৰে।

কিন্তু, হায়। মই যে আজি বন্দী,
এজন নিঃসহায় পঙ্গুৰ দৰেই
মই অসহায়।

০ ০ ০

# আঘোণী বাই

শ্ৰীমিন্ কুমাৰী বৰুৱা।
স্নাতক, ২য় বাৰ্ষিক।

এজনী গাভৰু—
সোণৱৰণীয়া চুলিটাৰি মেলি
নাচি আছে আঘোণৰ পথাৰখনিত।
মুখখনিত তাইৰ মিচিকিয়া হাঁহি
দাৱনিক মাতে হাত বাউল দি।
কামৰৈ গ'লে তাই কুঁৰলিৰে
মুখখনি তাই ঢাকে।
লাজ লাগিছে! কিহৰ লাজ?
মাতৃ হ'বলৈ পিন্ধিছা সাজ।
বলিয়া কৰিছা সোণবৰণেৰে
চাই লভিছোঁ আনন্দ তোমাতে
থাকিবা জানো সদায়
আমাক আনন্দ বিলাই?

০ ০ ০

# তেওঁ

শ্ৰীনীলিমা দেৱী।
স্নাতক : দ্বিতীয় বাৰ্ষিক।

তেওঁ মোৰ কল্পনাত জীপ লৈ থাকে
আৰু ক্ষণে ক্ষণে উদ্ভাসিত হয়
নয়ন কক্ষত।

বিস্মৃতিৰ অতল গৰ্ভত
মই তেওঁক দিছিলো যে ব্যৰ্থ বিসৰ্জ্জন
নিমিষতে যবা দি নিৰুদ্দেশ
হয় তেওঁ মুহূৰ্ত্ততে—

অথচ ক্ষণে ক্ষণে উদ্ভাসিত তেওঁ
মোৰ নয়ন কক্ষত।

হতাশাৰ পংকত মোৰ জীৱনৰ
ঘটে অপচয়
প্ৰানোন্মুখ হোৱাৰ সামৰ্থ মোৰ নাই
বেদনা বিমৰ্ষ মই
আজিও নুবুজো তেওঁ কোন ?

তেওঁ মোৰ কল্পনাত জীপ লৈ থাকে
ক্ষণে ক্ষণে উদ্ভাসিত হয় মোৰ
নয়ন কক্ষত।

ooo

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

আৰাম্ভনিতে নগাঁও বালিকা মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ, প্ৰতিদ্বন্দিতাবে জয়যুক্ত কৰি সাধাৰণ সম্পাদিকাৰ দৰে এটা গধুৰ দায়িত্বৰ পদ দি ছাত্ৰীবৃন্দক সেৱা কৰাৰ সুবিধা কৰি দিয়াৰ বাবে।

১৯৭৭ চনত নবেম্বৰ মাহত হোৱা ছাত্ৰী একতা সভাৰ নিৰ্ব্বাচনত ছাত্ৰীসকলে মোক সাধাৰণ সম্পাদিকাৰ পদত নিযুক্ত কৰে। সেয়ে ছাত্ৰীসকলৰ সেৱা কৰাৰ উদ্দেশ্যে শিক্ষানুষ্ঠানটিত অনুষ্ঠিত হোৱা প্ৰতিটো উৎসৱকে সফল কৰি তুলিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলোঁ, কিন্তু কিমান দূৰ কৃতকাৰ্য্য হৈছিলোঁ- সেইখিনি বিচাৰ আপোনাসবৰ গুচৰত। ১৯৭৭-১৯৭৮ চনৰ বছৰটোৰ ভিতৰত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সকলো উৎসৱত বিভাগীয় সম্পাদিকাসকলেও চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

এই বছৰটোতে বাগ্মীবৰ নীলমণি ফুকন—বিজ্ঞ ব্যক্তিৰ জীৱন অসমৰ জাতীয়

জীৱনৰ সৱৰ বুৰঞ্জী স্বৰূপ হৈ পৰিছিল, জাতীয় সৰ্বাঙ্গীন উন্নতি যাৰ জীৱনৰ ব্ৰত আছিল আকৌ সেই গৰাকী কবিতাৰূপিনী মহিয়সী নাৰী নলিনীবালা দেৱী, যি গৰাকীয়ে সাংসাৰিক ঘাত-প্ৰতিঘাতৰ চৰম বিপৰ্যয়ত পৰিও অন্য কিছুমান নাৰীৰ দৰে নিজকে নিঃশেষ কৰি নিদি সাংসাৰিক জ্বালা যন্ত্ৰণাকেই বুকুত সাবটি পৰিদৃশ্যমান জগতৰ অন্তৰালত থকা ইন্দ্ৰিয়াতীত সৌন্দৰ্য্য আৰু পৰম সত্যৰ সন্ধানত নিজক ব্ৰতী ৰাখি নীৰৱ সাধনা কৰিছিল — সেই গৰাকী কবিৰ মৃত্যুত আৰু আন এগৰাকী শিল্পী, অতি কম সময়ৰ বাবে হলেও একাধাৰে সু প্ৰতিষ্ঠিত কণ্ঠ শিল্পী, সুৰকাৰ, কথাছবিৰ সাৰ্থক পৰিচালক আৰু সঙ্গীত প্ৰিয় ৰাইজৰ অতি মৰমৰ জয়ন্তৰ মৃত্যুৱে এক আলোড়ন তুলিছিল। এই কেইজন লোকৰ মৃত্যুত অধ্যাপক-অধ্যাপিকা সকল আৰু ছাত্ৰীসকল মৰ্মাহত হৈ পৰিছিল। লগতে পুৰণিগুদামৰ বিবিকি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহান অধ্যক্ষ প্ৰণৱ বৰাৰ অকাল মৃত্যুত সকলোৱে অতিশয় শোক পাওঁ আৰু তেওঁলোকৰ সকলৰ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা জনাওঁ।

**বছৰটোত পালন কৰা কাৰ্য্যাৱলীৰ বিৱৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ জীৱনত পুথিগত শিক্ষাই একমাত্ৰ উদ্দেশ্য নহয়। সকলো দিশতে শাৰীৰিক, মানসিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদিত উন্নতি সাধনেই একমাত্ৰ শিক্ষাৰ উদ্দেশ্য। গতিকে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকশিত হবলৈ সুবিধা পায় শিক্ষানুষ্ঠানত পালন কৰা কিছুমান উৎসৱৰ যোগেদি। সেই উদ্দেশ্যে মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" ৰূপে এটা সপ্তাহ পালন কৰা হয়। ইয়াত আয়োজিত সঙ্গীত, সাহিত্য, সুকুমাৰ কলা, খেল-ধেমালি, নাটক আদি প্ৰতিযোগিতাত বহুতো ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। আমাৰ মহাবিদ্যালয়ৰ ডিচেম্বৰ মাহত ১৪।১২।৭৭ তাৰিখৰ পৰা ১৮।১২।৭৭ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ইয়াত পাৰদৰ্শিতা দেখুৱা ছাত্ৰীসকলক বটা বিতৰণ কৰিছিল নগাঁও জিলা আৰক্ষী অধীক্ষক শ্ৰীযুত হৰেকৃষ্ণ ডেকাদেৱে।

আনবাৰৰ দৰে এইবাৰো মহাবিদ্যালয়ত পুৱা উষা কীৰ্ত্তনেৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ তিথি পতা হয়।

তদুপৰি ১৯৭৮ চনৰ ১২ চেপ্তেম্বৰত কলেজৰ সপ্তাহ প্ৰতিষ্ঠা দিবস আৰু নৱাগতা আদৰণী উৎসৱ পালন কৰা হয়। নৱাগতা আদৰণী সভাত সভাপতিত্ব কৰে শ্ৰীযুত হৰেশ্বৰ গোস্বামীদেৱে আৰু উদ্বোধন কৰে নাট্যশিল্পী শ্ৰীসাৰদাকান্ত বৰদলৈদেৱে।

১৯৭৭ চনৰ মাৰ্চ মাহত গুৱাহাটী





বিশ্ববিদ্যালয়ৰ নিৰ্দ্দেশক্ৰমে আমাৰ মহাবিদ্যালয় পৰা ৩০ জনীয়া এটা দলেৰে নগাঁও জিলাৰ ৰূপহী নামে ঠাইত ৰাষ্ট্ৰীয় সেৱা আঁচনি শিবিৰ পতা হয়। ছাত্ৰীৰ দলটি পৰিচালনা কৰিছিল অধ্যাপক জয়ধন দাস, অধ্যাপক ব্ৰজেন ৰায় চৌধুৰী আৰু অধ্যাপিকা মালতী বৰাই। তাত ১০ দিনীয়া কাৰ্য্য-সূচীৰে বিভিন্ন কাম কৰা হৈছিল। সকলোবোৰ কামতে পৰিচালনা কৰা অধ্যাপক-অধ্যাপিকাসকলৰ সহযোগিতা লগতে ৰূপহীৰ স্থানীয় শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা সহায়-সহানুভূতিৰ প্ৰতি আমি চিৰকৃতজ্ঞ।

ইয়াৰ বাহিৰেও আমি প্ৰায় ৩ দিনীয়া কাৰ্য্য-সূচীৰে মহাবিদ্যালয়তে কিছুমান কাম কৰিছিলোঁ। তাৰ পিচত "National Service Scheme" দুদিনীয়াকৈ মহাবিদ্যালয়ৰ পৰা প্ৰায় এমাইল আঁতৰত তেলিয়াগাওঁ নামে ঠাইলৈ যোৱা হয়। এই কাৰ্য্য গাঁৱৰ লোকসকলৰ বাবে নিসন্দেহে আদৰ্শনীয়।

এইখিনিতে নগাঁও ছোৱালী কলেজ প্ৰতিষ্ঠাৰ পৰা আজিকোপতি ভোগ কৰি অহা কিছুমান অভাৱ-অভিযোগৰ কথা উল্লেখ কৰোঁ।

যদিও মহাবিদ্যালয়খন ১৯৬২ চনতে প্ৰতিষ্ঠিত হৈছিলে তথাপি স্বীকাৰ নকৰি উপায় নাই যে তেতিয়াৰ পৰাই এই অনুষ্ঠানটি কোনো দিশতে তুলনামূলক ভাবে এতিয়াও উন্নতি হোৱা নাই। প্ৰতিষ্ঠাৰ পৰা আজি ১৭ বছৰেও বছৰে বছৰে ভাল কৰিব লগীয়া ছালি কেইখনৰ ঘৰটো অনুপযুক্ত হৈ পৰিছে। ক্ৰমে ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাত ছাত্ৰীসকলে অসুবিধা পোৱা দেখা যায়। সেয়ে ছাত্ৰীৰ সীমিত আসনৰ বাবে বহু সংখ্যক মেধাসম্পন্ন ছাত্ৰীক ভৰ্ত্তি কৰিবলৈ দিব পৰা নাই।

মহাবিদ্যালয়ত থকা ছাত্ৰীসকলৰ জিৰণী কোঠাৰ শোচনীয়তা আজিকোপতি দূৰ কৰিব নোৱাৰাটো দুখৰ বিষয়। ছাত্ৰীসকলৰ সংখ্যাৰ অনুপাতে আহল বহল এটা জিৰণী কোঠাৰ প্ৰয়োজন।

নগাঁও জিলাৰ ভিতৰত স্ত্ৰী শিক্ষাৰ মহাবিদ্যালয় এখনেই। সেইখন মহাবিদ্যালয়তে ছাত্ৰীসকল অনেক অসুবিধাৰ সন্মুখীন হোৱাটো পৰিতাপৰ বিষয়। মহাবিদ্যালয়ত এটা পঢ়া কোঠাৰ অভাৱ। আজৰি সময়ত ছাত্ৰীসকলে পঢ়া কোঠাত পঢ়িবলৈও কোনো সুবিধা নাই।

ছাত্ৰী একতা সভাৰ বাবে এটা কোঠাৰ আৱশ্যক। কলেজৰ পুথিভঁৰালটিত যিমান কিতাপ আছে, ছাত্ৰীৰ সংখ্যানুযায়ী সেয়া যথেষ্ট নহয়। খেল-ধেমালিৰ বাবে এখন উপযুক্ত আৰু স্থায়ী খেল পথাৰৰ অভাৱ

আজি বহুদিনৰ পৰা অনুভূত হৈ আহিছে। স্‌চাকৈয়ে বৰ পৰিতাপৰ বিষয় এই মহাবিদ্যালয়ত এশ এবুৰি সমস্যাৰে জৰ্জৰিত হৈ ছাত্ৰীসকলে শিক্ষা লাভ কৰি থকাটো। প্ৰকৃতাৰ্থত আমি এই মহাবিদ্যালয়ৰ পৰা সামান্যতম সুবিধাও লাভ কৰিব পৰা নাই। কিন্তু আমাৰ ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ মধুৰ সান্নিধ্যৰ মাজেৰে শিক্ষাক্ষেত্ৰত কৃতকাৰ্য্যতা হোৱাৰ কথা আমি অস্বীকাৰ কৰিব নোৱাৰো। কোৱা বাহুল্য যে ইমানবোৰ আহুকাল আৰু অভাৱ-অভিযোগে আমাক জুমুৰি দিলেও এইবোৰৰ মাজেৰেই পূৰ্বৰ ছাত্ৰীয়ে শিক্ষা লাভ কৰি গৈছে। সাধাৰণ জীৱন যাপনৰ লগত উচ্চ চিন্তাৰ যুগসূত্ৰ থকাদি আমাৰো ভগাচিগা ঘৰ-বাৰী আৰু আনৈ-আহুকালবোৰে পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত কেতিয়াও অন্তৰায় সৃষ্টি কৰিব পৰা নাই। সেয়ে এই মহাবিদ্যালয়ে অতীতৰ পৰা উল্লেখনীয় কৃতিত্বৰে শিক্ষাৰ সুনাম অব্যাহত ৰাখিব পাৰিছে।

মহাবিদ্যালয়ৰ স্থায়ী দুটা ছাত্ৰী নিবাস আছে। যদিও দুটাকৈ ছাত্ৰী নিবাস আছে, তথাপি দূৰৰ পৰা আহি কৰা ছাত্ৰীসকলৰ বাবে যথেষ্ট হোৱা নাই। সেয়ে পুৰণি ছাত্ৰী নিবাসৰ দৰে দুমহলীয়া আৰু এটা ছাত্ৰী নিবাসৰ প্ৰয়োজন হৈছে। গতিকে মই কলেজ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰি আশা ৰাখিছো যেন এই অভাৱ-অভিযোগসমূহৰ অতি সোনকালে যথোপযুক্ত ব্যৱস্থা হাতত লব।

আমাৰ মহাবিদ্যালয়ত কেইটামান বিষয় নথকাত আগ্ৰহী ছাত্ৰীসকলেও শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে। প্ৰায়বোৰ বিষয়তে সন্মানৰ পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰিছে যদিও বিকেইটা বিষয় বাদ পৰি আছে সেই কেইটাত অতি সোনকালে সন্মানৰ পাঠ্যক্ৰম খুলিব লৈ ব্যৱস্থা কৰা উচিত। সেয়ে আশা ৰাখিছো আমাৰ ছাত্ৰীসকলৰ বিভিন্ন সমস্যাবোৰ সহৃদয় ৰাইজ আৰু চৰকাৰৰ সহায়-সহযোগত যাতে অদূৰ ভৱিষ্যতে সমাধা হয়।

বাহ্যিক দৃষ্টিভঙ্গীত অভাৱ-অভিযোগত দুৰ্ব্বলা হ'লেও আমি গৌৰৱ কৰিব পাৰো আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক পৰিবেশটিক লৈ। ছাত্ৰীসকলক উৎসাহ-উদ্দীপনাৰে জীৱনত অনুপ্ৰেৰণা যোগোৱা সকলোবোৰ উপাদানেই আমি আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু অধ্যক্ষ মহোদয়ৰ পৰা পাওঁ। আমাৰ মহাবিদ্যালয়ত কেইবাগৰাকীও সাহিত্যিক, গল্পকাৰ, সুৰকাৰ, গীতিকাৰ আৰু জনপ্ৰিয় গায়ক-গায়িকা আছে। এই সকলোবোৰ মহাবিদ্যালয়তে থকাত আমি স্‌চাকৈয়ে গৌৰৱ কৰিব পাৰো।

মোৰ কাৰ্য্যকালত সাধাৰণ সম্পাদিকা হৈ থকা কালছোৱাত বিভিন্ন সময়ত



অধ্যাপক শ্ৰীযুত তিলক মজুমদাৰ, অধ্যাপক ব্ৰজেন ৰায়চৌধুৰী, অধ্যাপক ইদ্ৰিছ আলি, অধ্যাপক জয়ধন দাস, অধ্যাপিকা মালতী বৰা, অধ্যাপিকা ওৱাহিদা হুছেইন, অধ্যাপিকা শিখা দত্তই প্ৰতি মুহূৰ্ত্ততে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেখেতসকলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ বাহিৰেও লাইব্ৰেৰীয়ান মহম্মদ আলি, সুৰেণ শইকীয়া আৰু খাটনীয়াৰ দাদাৰ সহায় ধন্যবাদেৰে সুঁৱৰিছো।

ছাত্ৰী বান্ধৱী অৰ্থাৎ ছাত্ৰী একতা সভাৰ ছাত্ৰীসকলৈ কৃতজ্ঞতা জনালো। বহুত সময়ত পৰামৰ্শ আৰু সহায়-সহযোগেৰে আগবঢ়াই নিয়া সৰ্বশ্ৰীৰূপা বৰা, বীণা দেৱী, মীনা কৌৰ, পদ্মী গোস্বামী, মঞ্জু ফুকন, ৰুমী দেৱীলৈ আন্তৰিকতা ধন্যবাদ জনাইছো।

আনহাতে, মাননীয় অধ্যক্ষ শ্ৰীযুত মহেশচন্দ্ৰ দেৱ গোস্বামী মহোদয়ে পিতৃসুলভ পৰামৰ্শৰে মোক প্ৰতিক্ষেত্ৰত সহায় কৰা বাবে তেখেতলৈ শ্ৰদ্ধা-কৃতজ্ঞতা জনালোঁ।

নগাঁও বালিকা মহাবিদ্যালয়ত সাধাৰণ সম্পাদিকা হৈ থকা কালছোৱাত মোৰ অজ্ঞাতে হয়তো বহুতো ভুল-ত্ৰুটি হৈছিল। তাৰ বাবে ছাত্ৰী বান্ধৱী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত, নগাঁও জিলাত থকা একেখনি বালিকা মহাবিদ্যালয়ৰ সুন্দৰ ভৱিষ্যত কামনা কৰি, ছাত্ৰীসকলক ভৱিষ্যত সজাগ আৰু সচেতনভাৱে কৰ্মপথত আগবাঢ়ি যাবলৈ অনুৰোধ কৰি সকলোলৈকে প্ৰীতি-শুভেচ্ছা জনাই মোৰ প্ৰতিবেদন সামৰিলোঁ।

**মালাশ্ৰী লস্কৰ**
সাধাৰণ সম্পাদিকা
নগাঁও বালিকা মহাবিদ্যালয়

# CHILD GUIDANCE CLINIC

*Brajendra Raychoudhury*
Lecturer, Deptt. of Education.

Healy, in the United States of America was the first person as Psychiatrist to start a Juvenile Court in Chicago where the first scientific study of Juvenile delinquents was attempted by him. Ultimately he established "Juvenile Psychopathic Institute" of Chicago in 1909.

Stevenson and Smith in their book "American Child Guidance Clinics" defined Child Guidance as "attempts to marshall the resources of the Community on behalf of Children who in distress because of unsatisfied inner needs, or are seriously at outs with their environment children whose development is thrown out of balance by difficulties which reveal themselves in unhealthy traits, unacceptable behaviour, or inability to cope with social and scholastic expectations." A child guidance clinic generally detects the various causes underlying a behaviour problem ( i. e. habit disorders feeding problems, enuresis, historical cases, etc. ) in a child and these problems are treated in a child guidance clinic. The treatment of the child in the Guidance Clinic is carried out not by one person, but by a team of workers. The team is constituted by a Psychiatrist, an educational Psychologist, a social worker and playroom workers. Except the playroom workers, the other three constitute a complete basic mental hygiene team which tackles different mental hygiene problems in various fields.

In a child guidance clinic the child is studied as a whole where the physical aspect is looked after by the Psychiatrist, intelectual and educational factors by the educational Psychologist and social factors are studied by social worker. When all the informations are pooled together, a case conference is held and after full understanding of the problem, a diagnosis is arrived at. Then they formulate a plan of treatment according to needs.

Child Guidance Clinic can be run as an out patient's department at a general hospital, children's hospital or a mental hospital. It can be part of school or training unit

attached to a University and it can be entirely supported by a social service clubs or some such voluntary agency. To run a child guidance Clinic finance, trained personal and adequate premises and equipments are necessary. Besides necessary accomodation for the stuff members a big hall is required for the children to have free play, where lots of toys can be kept for them. One-way screen should be provided to that one can observe a child's free play, without disturbing him. The Clinic should be in a centrally located place so that there is no transport problem. Regarding furniture low tables and chairs should be provided for very young children. Psychological test-materials and reference books should also be provided for Psychologist. It is essential to keep records of each case for future guidance when the parents bring their child to a clinic, the case history has to be collected from parents. The Child should be taken to the play room and is asked to choose any toys of his linking or indulge in any type of game of his choice. A thorough physical examination should always precede any type of Psychiatric treatment. A physical examination is made to find out whether there is anything organically wrong. Sometimes though there is no major physical reason leading to deviant behaviour there are minor causes like poor general health, septic tonsils, bed teeth, poor vision, poor nutrition, constipation, which add to their problems. The cure of the physical disorder does not mean that the behaviour problems disappear, this medical check up satisfies parents.

Psychotherapy is the next stage in the treatment. Mainly supportive Psychotherapy is used. Gordon Haimilton, in his book "Psychotherapy in Child Guidance" writes about supportive Psychotherapy as that which "may be used both to sustain the patient and members of the family in appropriate ways and to re-inforce constructive defences. Although Psychotherapy is expressed through the two person relationship ? ( 'Direct treatment' in the interview and play interview ) in child guidance it cannot be confined to this dimension. In child therapy, since the infantile strivings, stimulations, and frustrations are currently going on, the intergration process may be assisted both by the direct treatment of the child and modification of the environment, whenever there is change in conscious adaptations, there is probably some re-conscious functions of the personality."

Psychoanalysis or deep Psychotherapy becomes necessary for very deep and serious cases, for example—severe obsessional neurosis. It is not used as a routine means of treatment, mainly because it is time counsuming. Very satisfactory results are obtained by some other simpler and shorter methods of treatment. If Psychoanalysis is used as routine form of treatment then the therapist must have special training in child analysis.



Play therapy is an essential thing in the treatment of behaviour problems in a child guidance clinic. Play is one of the basic emotional and social needs for the child. It is through play that physical, emotional and social growth and development of the individual can occur.

Sigmund Freud explained children's play on the basic of the gratification of pleasure principle. "In the play of children we seem to arrive at the conclusion that the child repeats even the unpleasant experiences because through his own activity he gains a far more thorough mastery of the strong impression than was possible by mere passive experience. Every fresh repetition seems to strengthen this mastery for which the child tries."

David levy is a pioneer in the experimentation with dolls as a means of therapy with children. He has suggested the use of amputation dolls of three types (a) A mother doll-a metalamputation doll with clay breasts added ; (b) A baby doll which is made of celluloid and is held in the mother's arms nursing at her breasts ; and (c) A brother or a sister doll ( the sex is made the same as the patient ) modelled from clay. These dolls can be completely dismembered and reassembled. The child identified dolls with mother, father and sibling. The child is encouraged to play very freely or even destructively. Levy used these dolls with children of ages from 3 to 13. Jealousy, hatred, aggression etc., are expressed by the child in the form of biting, crushing and destroying ( dis-membering ) the baby doll, or removal of the breast and crushing them to pieces.

Besides these, the other expressive therapies of a non verbal type such as drawing, painting, modelling, writing stories etc. can help in diagnosis of behaviour problems.

One of the main objects of treatment is to help the child make adjustment to the demands of his environment. On the other hand the family attitude is most important for removal of behaviour problems. Sometimes giving therapy to the child in the Clinic is not helpful because his home environment is so bad that whatever is done in the clinic is undone at home. In a child guidance clinic therefore, it is the task of the social worker to co-operate with the parents and others to make all those necessary changes

( At Five Page )

# Major Problems Before ASSAM'S ECONOMY

*Mayajyoti Dev Purkayastha*
Ist yr. B. A.

The economics of Assam exhibits an anomalous position of vast resources and side by extensive poverty. This anomaly is present in a marked degree It indicates a basic drawback in the whole system of the economy and planning so far followed.

AN AGRICULTURAL ECONOMY :—

Like all other regions in India, Assam is atmost an agricultural under-developed economic region. Agriculture gives employment to 72% at the total population of the state. Over 25 lacs of families are directly connected with this Industry alone. The next support to the people of Assam is the cottage industries like Weaving ; Sericulture ; Bellmetal etc. But this suffers from the problem of sound finance and is faced with heavy competition modern technical outputs, Of the few industries which exit in a befitting manner are those of Tea, Coal, Petroleum, but even these are not sufficient to provide a sound economic base to Assam in the present condition.

NEED TO PRESERVE ASSAM'S FORESTS :

Assam is rich in forests and forest products. Assam's forests cover nearly 20,000 Sq. miles which is about 10% of the land area of this state. In Assam the government manages the reserved and protected forest areas covering nearly 120 Sq. miles. The state government derives a large revenue of about Rupees 1 crore annually from forest resources. Assam forest abounds in valuable animals like elephant, deer, rhinoceros, bear, tiger and varieties of birds, snakes, and forest produce like teak, sal, gamari, ajar and various orchids. The horns of an Assam rhino enjoy a sellers' market almost every where. Such is the nature of resources in Assam forests that it is always an attraction for tourists scientists, and other curiously interested persons including smugglers. But inspite of these forests in Assam are in deteriorating condition due to huge felling of tress, illplanned deforestation and rapid encroachment. Further, infact, Assam lacks in scientific planning to establish a local industry to have a better use of the resourses. It seems, as if the system of utilisation of forest products is lying in a state



as it was 25 years before. Establishment of more sancturies in the line of Kaziranga and Manas, stopping of encroachment and deforestation are some of the immediate answers to this problem.

LAND REFORMS : NEED OF THE DAY :

Assam being mainly agricultural, certain new measures in land management have, of late been, of utmost necessity. In order to cope-with the increasing population of the state, land reform measures are the only remedy in hand.

Like other parts of India here also lands have been accumulated in the hands of a few people giving rise to the numbers of landless tillers. The Land Ceiling Act provides certain ceiling in land ownership. But in only a fraction of total land such land-reforms have actually been made and a long course of action is yet to be taken. The defect in unreformed agriculture is that it forms capital in the hands, of a few promotes exploitation of the peasantry. The poor peasantry loses economic, social and moral upliftment. As a whole the society suffers a serious setback.

Regarding land reforms, once tillers land right is recognised and the improved technical system of farming, manure application is given to the tiller, our agricultural produce is sure to increase. This will increase village trade and commerce and village, the life unit of Assam's soceity will add to economic security of the state.

TRANSPORT SYSTEM-NEED FOR NEW THOUGHT :—

The transport and communication system in Assam are in a rickety condition. Transport problems have caused price rise within the state. At present the communication between Brahmaputra and Barak valley, North bank and South bank of the Brahmputra are not satisfactory. Our district head-quarters are lacking in either railway links or road links directly with each other. The Air net work though present, is mostly unsuitable for the growth of gross development of a poor state like Asssam.

Extension of Broad gauze lines atleast up to Gauhati and construction of new railway lines connecting the untouched areas directly will make the outside supplies cheaper.

UTILISATION OF MAN-POWER :

In order to develop Assam's economy in a sound basis everyone in Assam must be

( at seven page )

---

( from three page )

in the environment which the child cannot make for himself.

When the case is closed after the child's abnormal behaviour has disappeared, a follow-up of the case is essential because the child's problems may have re-occur or the parents may still need periodic advice and encouragement. 0 0 0

# COMPUTER

*Miss Tapati Sarma*
B. A. Ist yr.

Computers are only a tool, like a type writer or an agricultural implement. Computers can be used in complicated engineering tasks, as inmonitoring and reviewing the progress of economic plans and in planning itself, in education, in logistical problems. Such applications are of great advantage in a country where resources are limited.

Stanvac-Esso brought the first commercial computer to India in 1961—the IBM 1401 American computers. These were secondhand machines. Those computers were suited only for conventional data processing, but they set the pace and direction for further computerisation

The Electronics Corporation of India Ltd. ( ECIL ) Hyderabad started to produce computer from 1971. The ECIL has by now produced 65 computers of small and medium range. Dr. Mathai Joseph says "The success or failure of the idigenous computers depends on providing programmes for relevant applications.'

There are two basic types of computers—the analog computer and the digital one. In the analog computer, there are internal variables such as electrical voltages which quentitatively represent the variables of the computation. Digital computers, on the other hand, use discrete voltages as numeric symbols. A common convention uses a O-volt signal to represent the numeral 'O' and a 5 volt signal to represent "I". The digital computers have been proved more versatile and are, therefore, more widely used. Analog computers continue to provide simple and inexpensive facilities for special uses, particularly in controlling machinery and equipment such as anti-aircraft guns. Common examples of the two types are the speedometer and the milometer in a car.

The first Indian analog computer was assembled out of surplus war material in 1953 by the Indian statistical Institute of Calcutta. The first digital computer to be built in India was the Tata Institute of Fundamental Research Automatic calculator



( TIFRAC ) installed at the Institute in Bombay in February 1960. This was nearly eight years after the world's first stored programme digital "Computer", the Electronic Delay Storage Automatic Calculator was commissioned at the University Cambridge, England.

The central processing unit, the memory and the peripherals constitute the basic units of a computer. The peripherals include the input and output devices. Input devices are mainly card readers and paper tape readers. Punched cards were the earliest means of getting information into the computer. Output devices, such as line printers and card punches, putout material from the computer in printed pages for human use and punched cards for later use on the same or some other machine. Plotters commonly use what are ball-pens to draw, with great precision, drawings and graphs under computer control.

The central Processing Unit is the heart of a computer system. It contains an arithmatic unit that does all the necessary calculations. The main memory is accessed as many as a million times each second. Even a small computer is big enough to carry roughly the equivalent of to type written sheets of Data. Targer ones equal 500 sheets of Data.

There have been four studies on the pattern of computer use in the country. The first one was the study Team on Automation in Maharashtra state set up by the Maharashtra Government in 1968. In 1969, the Union Ministry of Zabour and Rehabilitation set up the committee on Automation, which covered the 140 computers installed in 1971, and finalised its report the next year. In 1972, again the National Institute for Training in Industrial Engineering in Bombay made a study on computer utilisation in the manufacturing industry, the study covered the 54 units which responded to its questionnaire out of a total of 83 industries using computers. In 1974, the Administrative Staff College of India, Hyderabad, studied 217 computers in the country.

One of the most fascinating attempts in artificial intelligence is to make the machine comprehend a human language such as English, ( at nine page )

( from five page )

deligent and industrious. Unless we are ready to work most laboriously we can't increase the output and increase in real output can add to economy. The future of Assam's economy lies most appropriately in the hands of the youth of Assam. The over all manpower has to be utilised in the best possible manner freed from the vices of Capitalist economy. 0 0 0 0

# OUR EDUCATION SYSTEM

*Miss Maina More*
B. A. IInd yr.

Education is "strengthening of the powers of body or mind." According to Gandhiji education is an all round drawing out of the best in child and man—body, mind and spirit. Literacy is not the end of education nor even the begining. It is one of the means whereby man and woman can be educated. "Literacy in itself is no education." In Gandhiji's philosophy of education, the personality of those to be educated is of primary importance, and not the tools and subjects. Education should cover the entire field of life and must provide opportunities for the full development of the mental, moral, spiritual and physical attributes af man.

Our prevailing education system is very much defective. Though efforts were made at several times to reform the education system introduced in India by Lord Maikale in 1835, yet fruitful results could not be received. Lord Maika'e's education system is not only wasteful but positively harmful. Most of the boys are lost to the parents and to the occupation to which they are born. They pick up evil habits, affect urban ways and get a smattering of something which may be anything but education. It is well-known that the majority of our students come from rural areas, and there is a constant flow of students from the villages to the towns and cities for higher education. After living in the dreamland of colleges ond university campuses for several years, the students develop a sort of dislike for manual work and do not see any dignified livelihood in the villages So, they cling to the towns and cities looking for white-collar jobs and are often saticsfied with petty clerical employments. However, the students alone are not to be blamed for this deplorable situation. They are rather the victims of a defective system of education, and to eliminate this situation,a rural based work oriented educational system is the answer.

As regards the present 10+2+3 system of education, there is widespread criticism and complaints, and it is generally consdered quite irrelevant to the present needs of our



soceity. The purpose of education is not only to impart pure knowledge to the students but also to foster self-reliance in their minds so as to enable them to face the world bolldly and confidently in their lives. The present system has failed practically on both counts, leading to a most depprable situation of indifferent learning and also indifferent teaching almost in all educational institution. This in turn has created the most alarming problem of large scale failures in various examinations and also ever increasing number of unemployed educated youths. It is for these reasons alone that a suitable reforms of education has become imperative.

Our Prime Minister, Mr. Morarji Desai, also sharply criticised the 10+2+3 system of education. He said that "basic education must come in the right earnest, in its proper form and with proper teachers." Speaking at the conference of Education Ministers on August 11, 1977, Mr. Desai said that this could happen only when Education Ministers were convinced of the need for such a change and were determined to make it. The new system has only disturbed the whole thing for the worse. This kind of change in education is no change. Ultimately it only misguides the people into believing that are making something better.

We know that the 10+2+3 system of educatton is largely the legacy of foreign government and as such it cannot meet the demands of an independent developing country like ours. The reforms in the sytem attempted so far have been a sort of patch-work of dressing up the old pettern in new garbs, and consequently have been of no significant use. A western idea is implanted on the Indian people to convert India which deflected the country from its foundations. It will be futile to follow the industrially developed western countries. Ours is a predominantly rural populated country and the progress of the rural areas will show the real progress of the country. India has its own educational problems differing from the western countries and to solve them, a suitable Indian educational system is needed. It is decided to start the similar 10+2+3 system of education in the whole country. But really

( at ten page )

( from seven page )

exploiting, at least partially, its great utility as a vehicle for communicating knowledge and as a medium for thought. Another attempt is to make the machine perceive the world visually as we do, using a television camera as its eye, to manipulate them in meaningful ways. Success in experiments in these areas have created high hopes among workers in the field and the next 30 years will, no doubt, bring as many surprises as the paat 30, 000

speaking, it is quite impossible to start the same education system all over the country. The facilities enjoyed by the urban students cannot be made available to the rural students through this system.

Further this 10+2+3 system of education is too much expensive. The proper implementation of the system requires new facilities, new teachers and for this purpose a huge amount of capital is needed which is quite impossible for a developing country like India where capital formation is very low.

Under this system, Science and Social Study are made compulsory for all students at the primary stage, But this policy is defective. Now only a limited students study science. Even the urban students do not get better laboratory facilities So it seems a futile imagination to start the same education sytem all over the country because it would be impossible to establish laboratories in villages.

In such situations practical knowledge of science cannot be given to students and if the students get only the theoritical knowledge, that will be of no use for them or for the country. So there is a great need of paying attention to education from the primary stage and of having proper teachers. For this purpose, we shall have to develop a strongly rural based educational system, so as to create in the minds of our educated youths a sense of strong love to live and work in the village. Obviously, the new system will have to be closely related to all development programmes of the rural areas. In fact, these should form integral parts of the prescribed courses of studies. 0 0 0

সুদক্ষা প্ৰেছ : নগাঁও